● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

*সামাজিক দায়বদ্ধতাত অবিচল*

**দিগ্‌দৰ্শন**

যদি আপুনি কোনো এটা বিষয়ত প্ৰতিদিনে অলপকৈ হ'লেও কাম কৰে, তেন্তে আপুনি শেষত এটা বৃহৎ কামেই কৰি পেলায়।

কেনেথ গ'ল্ডস্মিথ
*আমেৰিকাৰ কবি*



www.dainikagradoot.in

৭ অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী ক'ভিড আক্ৰান্ত
১৫ ঠেহ ভাঙিল বিৰাটৰ
৪ পুটিনৰ ভাৰত ভ্ৰমণৰ উদ্দেশ্য আৰু অসমৰ আশা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৭০তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২৯ আঘোণ ১৪২৮ ভাস্কৰাব্দ ১৬ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 16 December 2021 মূল্য ঃ ৯.০০ টকা

■ মালিগাঁও জোকাৰিছে উৎকোচ কাণ্ডই ■ বৈদ্যুতিক শাখাৰ মুখ্য অভিযন্তাকো গ্ৰেপ্তাৰ চি বি আইৰ ■ মুখ্য অভিযন্তা উপাধ্যায়ৰ নয়ডাত তিনিটা ফ্লেটৰ তথ্যৰ লগতে নগদ ২.১৯ কোটি জব্দ

# দুৰ্নীতিৰ দৌৰত পথচ্যুত এনএফ ৰেল

■ ৰণজিৎ কুমাৰ বৰাৰো নিজৰ-পৰিয়ালৰ নামত ছটা ফ্লেটৰ তথ্য লাভ ■ নগদ ছয় লাখ টকা উদ্ধাৰ ■ পাটনাৰ প্ৰতিষ্ঠানৰ সঞ্চালক-কৰ্মীকো অভিযুক্ত



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** উত্তৰ-পূৰ্ব সীমান্ত (এন এফ) ৰেলৰেত ঠিকা প্ৰদানৰ নামত একাংশ শীৰ্ষ বিষয়াৰ একোটা বৃহৎ চক্ৰই বিয়াগোম কেলেংকাৰি সংঘটিত কৰি আহিছে। ঠিকা প্ৰদানৰ বিনিময়ত পাটনাৰ এটা প্ৰতিষ্ঠানৰ পৰা দুই কোটি ১০ লাখ টকা উৎকোচ বিচাৰি তাৰে আগধন লোৱাৰ সময়ত কালি চি বি আইৰ ওচৰত হাতে-লোটে ধৰা পৰে উপ-মুখ্য বৈদ্যুতিক অভিযন্তা ৰণজিৎ কুমাৰ বৰা। এই উৎকোচ কাণ্ডতে কেঁচু খান্দতে সাপ ওলোৱাৰ দৰে আজি চি বি আইৰ জালত ১০ পৃষ্ঠাত চাওক



*মহানগৰীত বিশুদ্ধ খোৱাপানী যোগানৰ দাবীত সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ প্ৰতিবাদ, বুধবাৰে।*

## দিছপুৰ মহাবিদ্যালয়ৰ ছয় শিক্ষাৰ্থী আক্ৰান্ত এসপ্তাহত কমেও পাঁচ অধ্যাপক-অধ্যাপিকাও ক'ভিড আক্ৰান্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** ৰাজ্যত লক্ষ্যণীয়ভাৱে শেহতীয়াকৈ বিভিন্ন শিক্ষানুষ্ঠানত বিয়পিছে ক'ভিডৰ সংক্ৰমণ। আজি মহানগৰীৰ দিছপুৰ মহাবিদ্যালয়ৰো ছগৰাকী ছাত্ৰ-ছাত্ৰী সংক্ৰমিত হোৱাৰ তথ্য পোহৰলৈ আহিছে। কালি বি বৰুৱা মহাবিদ্যালয়ৰ ১০ পৃষ্ঠাত চাওক

সংস্কাৰ সাধন কৰিবলৈ সাজু হৈছে চৰকাৰ

## নতুন ভোটাৰ পৰিচয় পত্ৰ হ'ব এইবাৰ আধাৰকাৰ্ড

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১৫ ডিচেম্বৰ ঃ** দেশৰ নিৰ্বাচনী প্ৰক্ৰিয়াত বৃহৎ সংস্কাৰ সাধন কৰিবলৈ সাজু হৈছে ভাৰত চৰকাৰ। আজি কেন্দ্ৰীয় চৰকাৰে কয় যে নিৰ্বাচন আয়োগৰ অনুমোদনৰ ওপৰত ভিত্তি কৰি গুৰুত্বপূৰ্ণ সংশোধনী অনা হ'ব। দেশৰ নিৰ্বাচনী প্ৰক্ৰিয়াত সংস্কাৰ সাধনৰ বাবে এই গুৰুত্বপূৰ্ণ সংশোধনী অনা হ'ব। ভোটাৰ তালিকা তথা ১০ পৃষ্ঠাত চাওক

■ দ্বিতীয় কিস্তিৰ ধন লাভ কৰা নাই হিতাধিকাৰীয়ে ■ ৪৯ হেজাৰ গৃহ অসম্পূৰ্ণ ■ কেন্দ্ৰৰ ধ্বজাবাহী আঁচনিৰ শোচনীয় অৱস্থা অসমত

## পুঁজিৰ অভাৱ ঃ অৰ্ধনিৰ্মিত হৈয়ে ৰ'ল পিএমএৱাই নগৰ আঁচনিৰ গৃহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** পুঁজিৰ অভাৱত ৰাজ্যত প্ৰধানমন্ত্ৰী আৱাস যোজনা (নগৰ)ৰ গৃহ নিৰ্মাণত বিৰাজ কৰিছে স্থবিৰতা। ফলত সমস্যাত পৰিছে হেজাৰ হেজাৰ হিতাধিকাৰী। পুঁজি কেতিয়ালৈ চৰকাৰে মুকলি কৰিব তাৰ কোনো নিশ্চয়তা নাই। ইপিনে, আঁচনিৰ অধীনত নতুন ঘৰ নিৰ্মাণৰ বাবে হিতাধিকাৰীসকলে অস্থায়ীভাৱে তম্বু অথবা এখন চালিৰ তলত সাময়িকভাৱে বাস কৰিবলগীয়া হৈছে; কিন্তু হঠাৎ পুঁজিৰ যোগান বন্ধ হৈ পৰাত সন্মুখত আধাসজা ঘৰটো লৈ তেওঁলোকে জাৰতো অনিৰ্দিষ্ট কাললৈ ৰৈ থাকিবলগীয়া হৈছে। নগৰৰ উপযুক্ত সকলো লোকক একোটাকৈ বাসগৃহ প্ৰদানৰ কেন্দ্ৰীয় চৰকাৰৰ এই ধ্বজাবাহী আঁচনিখনৰ ১০ পৃষ্ঠাত চাওক

■ সাত দিনে মৃত্যুৰে যুঁজ দিয়াৰ পাছত ইহজগতৰ পৰা আঁতৰি গ'ল কেপ্টেইন বৰুণ সিং

■ তামিলনাডুৰ কুন্নুৰত পত্নী-১২ সহযোগীসহ দুৰ্ঘটনাত প্ৰাণ হেৰুৱাইছিল সেনাৰ সৰ্বাধিনায়কে

## ৰাৱটৰ হেলিকপ্টাৰৰ জীৱিত সংগীৰো মৃত্যু



■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১৫ ডিচেম্বৰ ঃ** সাতদিনীয়া জীৱন মৰণৰ যুঁজৰ ইতি পেলাই অৱশেষত মৃত্যুৰ ওচৰত হাৰ মানিলে সেনা সৰ্বাধিনায়ক জেনেৰেল বিপিন ৰাৱটৰ দুৰ্ঘটনাগ্ৰস্ত হেলিকপ্টাৰৰ পৰা একমাত্ৰ জীৱিত অৱস্থাত উদ্ধাৰ হোৱা গ্ৰুপ কেপ্টেইন বৰুণ সিঙে। যোৱা আঠ ডিচেম্বৰৰ তামিলনাডুৰ কুন্নুৰত সংঘটিত ভয়াৱহ দুৰ্ঘটনাৰ পাছত সংকটজনক অৱস্থাত তেওঁক বাংগালুৰুৰ হাস্পতালত চিকিৎসাধীন কৰা হৈছিল। উক্ত দুৰ্ঘটনাত জেনেৰেল ৰাৱট, তেওঁৰ পত্নীসহ ১৩জনৰ মৃত্যু হৈছিল। তামিলনাডুৰ ছুলুৰৰ পৰা নীলগিৰি পাহাৰত অৱস্থিত ৱেলিংটনলৈ যাত্ৰা পথত দুৰ্ঘটনাত পতিত হয় সেনাৰ এমআই১৭, ভি৫ হেলিকপ্টাৰ। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, দিনৰ প্ৰায় ১২-৪০ বজাত ১০ পৃষ্ঠাত চাওক

■ কংগ্ৰেছৰ তিনিদিনীয়া প্ৰশিক্ষণ শিবিৰ-'আকৌ নতুন প্ৰভাত হ'ব' আৰম্ভ ঃ সৰৱ ভূপেন বৰা

## মুখ্যমন্ত্ৰীয়ে মানুহক মৃত্যুদণ্ড দিবলৈ লৈছে



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** 'মৃত্যুদণ্ড আদালতৰ বিচাৰকেহে দিব পাৰে; কিন্তু অসমৰ মুখ্যমন্ত্ৰীয়ে আজি মানুহক মৃত্যুদণ্ড দিবলৈ আৰম্ভ কৰিছে। তেওঁৰ এই অনধিকাৰ আৰু অসাংবিধানিক কাৰ্যক আমি মিলিজুলি প্ৰতিহত কৰিব লাগিব।' এই মন্তব্য প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ। মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত প্ৰদেশ কংগ্ৰেছৰ উদ্যোগত আজিৰ পৰা অনুষ্ঠিত হোৱা তিনিদিনীয়া বিশেষ প্ৰশিক্ষণ 'আকৌ নতুন প্ৰভাত হ'ব' কাৰ্যসূচীৰ উদ্বোধনী ভাষণ প্ৰদান কৰি সভাপতি বৰাই কয় যে ৰাজ্যৰ ভয়াৱহ নিবনুৱা সমস্যা সমাধানত শৰ্মা নেতৃত্বাধীন অসম চৰকাৰখন সম্পূৰ্ণ বিফল হৈছে। দলৰ সকলো বিষয়ববীয়া আৰু নেতাক নীতি-আদৰ্শৰ প্ৰতি আস্থা ৰখাৰ উপৰি শৃংখলাবদ্ধতা মানি চলিবলৈ আহ্বান জনাই প্ৰদেশ ১০ পৃষ্ঠাত চাওক

নেতৃত্বৰ বিৰুদ্ধে মুকলি ক্ষোভ বিধায়কৰ

## কংগ্ৰেছত ভৰি চেলেকা, জী হুজুৰ কোৱা নেতা ভৰি আছে ঃ শ্বেৰমান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** এআইইউডিএফ ত্যাগ কৰি কংগ্ৰেছলৈ অহা বিধায়ক শ্বেৰমান আলীয়ে কাৰাবন্দী অৱস্থাৰ পৰা মুক্তি লাভৰ পাছত পুনৰ ঘৰৰ ল'ৰা ঘৰলৈ উভতি যাব বুলি চৰ্চা চলাৰ সময়তে তেওঁ কংগ্ৰেছতে থকাৰ ইচ্ছা প্ৰকাশ কৰে। আলীয়ে কয় যে বোধহয় উপ-নিৰ্বাচনৰ বাধ্যবাধকতাৰ বাবে তেওঁক দলৰ পৰা নিলম্বিত ১০ পৃষ্ঠাত চাওক

■ লুণ্ঠনৰ স্বাৰ্থতে জধে-মধে ব্যয় কৰিছে প্ৰতিষ্ঠানৰ জমা পুঁজি

## ৩৫০ বিষয়া-কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণতো কৌশলেৰে বাধা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** পঞ্চায়তীৰাজ ব্যৱস্থাটোৰ শক্তিশালীকৰণৰ বিষয়ত জড়িত ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠান (এছআইপিআৰডি) সম্প্ৰতি বিভিন্ন দুৰ্নীতি-অনিয়মৰ বাবেহে চৰ্চিত হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব মুনীন্দ্ৰ শৰ্মাই ইয়াৰ সঞ্চালকৰূপে দায়িত্বভাৰ গ্ৰহণৰ পাছৰে পৰা প্ৰতিষ্ঠানটোত ব্যাপক দুৰ্নীতিৰহে নেতৃত্ব দিছে। আনকি প্ৰতিষ্ঠানটোৰ জন্মলগ্নৰে পৰা ইয়াত কৰ্মৰত বিষয়া-কৰ্মচাৰীসকলৰ ১০ পৃষ্ঠাত চাওক

**এছআইপিআৰডিত সঞ্চালক শৰ্মা বাহিনীৰ দৌৰাত্ম্য**

## নগাঁৱত প্ৰধান শিক্ষকৰ পৰা ৩.৫০ লাখ টকা লুট দুৰ্বৃত্তৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৫ ডিচেম্বৰ ঃ** নগাঁও আৰক্ষীয়ে অপৰাধজনিত ঘটনাৰ বিৰুদ্ধে ব্যাপক অভিযান চলাই থকাৰ মাজতে চহৰৰ মাজমজিয়াৰ পৰা এজন প্ৰধান শিক্ষকৰ ধন লুট কৰে দুৰ্বৃত্তই। কালি বিয়লি চহৰৰ হয়বৰগাঁওস্থিত ১০ পৃষ্ঠাত চাওক

## অসাৰ দেশৰ একাধিক বিশ্ববিদ্যালয়ত শংকৰদেৱৰ আসনৰ চৰকাৰী ঘোষণা

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৫ ডিচেম্বৰ ঃ** ক্ষমতালৈ অহা ৰাজ্যৰ প্ৰতিখন চৰকাৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ কথা উল্লেখ কৰে যদিও সেই কথাই কথাই কেতিয়াও বাস্তৱৰূপ নাপায়গৈ। উল্লেখ্য যে বিদ্যায়তনিক দিশত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিশাল সৃষ্টিৰাজি, আদৰ্শ আৰু দৰ্শনক প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত চৰকাৰে বহু কামেই কৰিব পাৰে; কিন্তু পৰিতাপৰ বিষয় যে এই সন্দৰ্ভত চৰকাৰে কৰিব পৰা বহু কামেই আজিও হৈ নুঠিল বুলি প্ৰায়েই অভিযোগ উত্থাপিত হৈ আহিছে। অসমীয়া ১০ পৃষ্ঠাত চাওক

**শূন্য হৈ পৰিল তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত থকা আসনখনো**

■ উদ্ধাৰ কৰিবলৈ আৰক্ষী প্ৰধানক আহ্বান

## নেপালৰ ইটাভাটাত মহিলাসহ আৱদ্ধ কৰি ৰখা হৈছে অসমৰ ২০ শ্ৰমিকক

**ষ্টাফ ৰিপ'ৰ্টাৰ**


**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** কাম কৰিবলৈ বুলি লৈ যোৱা অসম আৰু পশ্চিমবংগৰ শতাধিক শ্ৰমিকক নেপালৰ এটা ইটাভাটাত আৱদ্ধ কৰি ৰখা হৈছে। আৱদ্ধ হৈ থকা দুজনকৈ শ্ৰমিক পলায়ন কৰি কোনোমতে গৃহ ৰাজ্যত উপস্থিত হোৱাৰ পাছতে এই তথ্য পোহৰলৈ আহিছে। এই শ্ৰমিকসকলক শীঘ্ৰে উদ্ধাৰ কৰিবলৈ আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তক আহ্বান জনাইছে উত্তৰ-পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থাই। এই ঘটনাৰ সন্দৰ্ভত নেমছুৰ সভাপতি বদৰুল ইছলামে সদৰী কৰা ১০ পৃষ্ঠাত চাওক

মন্ত্ৰী পীযুষৰ ঘোষণা

## আৰক্ষীৰ 'এনকাউণ্টাৰ' চলি থাকিব

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৫ ডিচেম্বৰ ঃ** 'ৰাজ্যত আইনীভাৱে 'এনকাউণ্টাৰ' অব্যাহত থাকিব।' এই ভাষ্য মন্ত্ৰী পীযুষ হাজৰিকাৰ। আজি ইয়াত শোণিতপুৰৰ উপায়ুক্তৰ কাৰ্যালয়ত অভিভাৱক মন্ত্ৰীজনে চৰকাৰী বিভাগৰ পৰ্যালোচনাত অংশগ্ৰহণ কৰিবলৈ আহি সংবাদ মাধ্যমৰ আগত এইদৰে ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ২৬° | ১৩° |
| ডিব্ৰুগড় | ২৫° | ১২° |
| দিল্লী | ২১° | ০৮° |
| কলকাতা | ২৫° | ১৬° |
| মুম্বাই | ২৯° | ২২° |
| চেন্নাই | ২৯° | ২৪° |
| বাংগালুৰু | ২৪° | ১৬° |
| শ্বিলং | ১৮° | ০৭° |

*১৫ ডিচেম্বৰ, ২০২১*

■ ভকত চাপৰিত সৰিয়হ খেতিৰ পৰ্যবেক্ষণ কৃষিমন্ত্ৰী অতুল বৰাৰ



## ৰাজ্যৰ সেউজ বিপ্লৱৰ নেতৃত্ব ল'ব লাগিব মাজুলীৰ যুৱ কৃষকে

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৫ ডিচেম্বৰ ঃ** 'ৰাজ্যখনৰ যুৱ শক্তিয়ে কৃষিৰ মাজেৰে আজি আত্মসংস্থাপনৰ পথ মুকলি কৰিবলৈ আগবাঢ়ি আহিছে আৰু অসমৰ বাবে এয়া শুভ সংবাদ। ২০২২ত কৃষকৰ আয় দুগুণ কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই কৃষি বিভাগে বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসম চৰকাৰে কৃষি খণ্ডৰ বিকাশৰ জৰিয়তে ৰাজ্যখনক দেশৰ পাঁচখন ৰাজ্যৰ এখন ৰূপে প্ৰতিষ্ঠাত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ লগতে ৰাজ্য চৰকাৰৰ কৃষক কল্যাণকামী আঁচনিও ৰূপায়ণ কৰি থকা হৈছে।' এই মন্তব্য কৃষিমন্ত্ৰী অতুল ১০ পৃষ্ঠাত চাওক

শালমাৰাৰ গাঁওবুঢ়া নিযুক্তি কেলেংকাৰি

## ছইবৰৰ সংগী ধৃত আৰু দুই এচিএছ বিষয়া নিলম্বিত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** দক্ষিণ শালমাৰা জিলাত সংঘটিত গাঁওবুঢ়া নিযুক্তি কেলেংকাৰিত নিলম্বিত এচিএছ বিষয়া ধৃত ছইবৰ ৰহমানৰ পাছত আন দুই অভিযুক্ত এচিএছ বিষয়া বিক্ৰম আদিত্য বৰা আৰু এ কে ইলিয়াছ নচিম আহমেদক পদৰ পৰা নিলম্বিত কৰিলে গৃহ বিভাগে। জিলাখনত সংঘটিত গাঁওবুঢ়া নিযুক্তি কেলেংকাৰি সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষত ৰুজু হৈ থকা ১০ পৃষ্ঠাত চাওক

■ বৃহৎ পৰিমাণৰ মাটিৰ নথি-স্বাক্ষৰ থকা উকা দলিল-চুক্তিনামা জব্দ

## নগাঁৱৰ ভূ-মাফিয়া, সুতৰ ব্যৱসায়ী, প্ৰৱঞ্চক ইমৰান হুছেইনক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৫ ডিচেম্বৰ ঃ** প্ৰৱঞ্চনাৰে আনৰ মাটি-সম্পত্তি হস্তগত কৰা, অত্যাধিক সুতত দৰিদ্ৰ-অভাৱী লোকক টকা ধাৰলৈ দি লুণ্ঠন চলাই অজস্ৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তিৰ গৰাকী হোৱা নগাঁৱৰ ভূ-মাফিয়া, অবৈধ সুতৰ ব্যৱসায়ী ইমৰান হুছেইন ওৰফে ইৰান (৫৩)ক আজি পুৱা



আৰক্ষীয়ে খ্ৰীষ্টানপট্টিৰ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰে। নগাঁও আৰক্ষীৰ সূত্ৰই জনোৱা মতে, নগাঁও চহৰৰ এটি ৰোডৰ ব্যৱসায়ী ৰাম অৱতাৰ মণিহাৰীৰ এক গোচৰৰ সংক্ৰান্তত আজি ইমৰান ওৰফে ইৰানক গ্ৰেপ্তাৰ কৰা হৈছে। মণিহাৰীয়ে ইৰানৰ বিৰুদ্ধে এক প্ৰৱঞ্চনাৰ গোচৰ ৰুজু কৰিছিল। ব্যৱসায়ীজনে ১০ পৃষ্ঠাত চাওক

**চেঙা তেল**



*হেৰি! ক'লৈ যায়? বজাৰত দেখোন জুই জ্বলিছে— নুমুৱাবলৈহে কোনো নাই!*

বকোত পথৰ দাঁতিতে চলিছে বন ধ্বংসযোগ্য ■ বন বিষয়াৰ ৰহস্যজনক ভূমিকা ঃ ধৃত দুই

## কয়লা মজুত কৰিবলৈ কাটিলে দুশ শালগছ

**অগ্ৰদূত বাৰ্তা**

**বকো, ১৫ ডিচেম্বৰ ঃ** যি সময়ত বনভূমি সংকুচিত হৈ হস্তী-মানুহৰ সংঘাত তীব্ৰতৰ হৈ উঠিছে, সেই সময়তে কামৰূপ জিলাৰ বকোত কয়লা মজুত কৰাৰ বাবে দুষ্কৃতিকাৰীয়ে দুশ জোপাকৈ অপৈনত শালগছ কটাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। পশ্চিম কামৰূপ বন-সংমণ্ডল প্ৰাধিকাৰী বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত বকোস্থিত শিংৰা আঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত বকো-হাহিম পথৰ দাঁতিতে হালধীবাৰী বনাঞ্চলত কাটি পেলোৱা হৈছে এই গছসমূহ। কেইদিনমানৰ ভিতৰতে এই স্থানত থকা শালগছসমূহ এইদৰে কাটি ধ্বংস কৰাৰ দৃশ্য পোহৰলৈ অহাত সচেতন মহলে তীব্ৰ প্ৰতিক্ৰিয়াৰ প্ৰকাশ কৰিছে। শিংৰা বনাঞ্চলিক কাৰ্যালয়ৰ ১০ পৃষ্ঠাত চাওক



দাৰে ঘপিয়াই হত্যা প্ৰেমিকাক-মৃতদেহ লৈ পলায়ন ■ ধৃত ঘাতক

## মহানগৰীত আৰু এটি নৃশংস হত্যা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** আৰু এটি নৃশংস হত্যাকাণ্ডই জোকাৰিলে গুৱাহাটী মহানগৰীক। প্ৰেমৰ সংঘাতৰ ফলত এজন যুৱকে প্ৰেমিকাক বাহনৰ ভিতৰত হত্যা কৰি মৃতদেহ লৈ পলায়নৰ চেষ্টা কৰা ঘটনাই আমচিং যোৱাবাটত চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযুক্ত সঞ্জয় লালুং (২৪)ক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ লগতে মৰমী তাঁতী (২২) নামৰ যুৱতীগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি গুৱাহাটী চিকিৎসা ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৬ ডিচেম্বৰ, ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি


## মেঘালয়ৰ পৰা দক্ষিণ কামৰূপৰ বিভিন্ন ঠাইৰে কয়লাৰ চোৰাং সৰবৰাহ

### পলাশবাৰীত মেঘালয়ৰ পৰা অহা ছখনকৈ অবৈধ কয়লাভৰ্তি ডি আই জব্দ

অগ্ৰদূতবাৰ্তা

**পলাশবাৰী, ১৫ ডিচেম্বৰ ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্বৰ নিৰ্দেশ মৰ্মে প্ৰথমৰ পৰাই ড্ৰাগছ, চোৰ-ডকাইট, দালাল তথা দুৰ্নীতি বিৰুদ্ধে বিভিন্ন সময়ত অসম আৰক্ষীয়ে অভিযান চলোৱাৰ সময়ত এনকাউণ্টৰত গুলীবিদ্ধ হোৱাৰ লগতে কৰায়ত্ত কৰি জেল হাজোতলৈ প্ৰেৰণ ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



■ সাতখন সত্ৰৰ ১,৩২৩ বিঘা মাটিও বেদখলকাৰীৰ কৱলত ■ জনজাতি বেষ্টনীৰ হেজাৰ হেজাৰ বিঘা মাটি বেদখল

# ৫৮ হেজাৰ হেক্টৰ চৰকাৰী ভূমিত বেদখল

বিশেষ সংবাদদাতা

**নগাঁও, ১৫ ডিচেম্বৰ ঃ** অবিভক্ত নগাঁও জিলাৰ হেজাৰ হেজাৰ হেক্টৰ চৰকাৰী ভূমি বেদখলকাৰীৰ কৱলত পৰিছে। প্ৰাপ্ত চৰকাৰী তথ্য অনুসৰি, অবিভক্ত নগাঁও জিলাৰ প্ৰায় ৫৮ হেজাৰ হেক্টৰ চৰকাৰী মাটি বেদখলকাৰীৰ কৱলত পৰিছে। বেদখলৰ কৱলত পৰা ভূমিৰ ভিতৰত আছে নগাঁও জিলাৰ প্ৰায় ২০ হেজাৰ হেক্টৰ মাটি, হোজাই জিলাৰ ১৯,৭৭৪ হেক্টৰ মাটি আৰু মৰিগাঁও জিলাৰ ১৫,২০০ হেক্টৰ মাটি। মাথোঁ সেয়াই নহয় অবিভক্ত নগাঁও জিলাৰ সাতখন ইতিহাস প্ৰসিদ্ধ সত্ৰ, শতাধিক চৰণীয়া পথাৰ, কে'বাখনো নৈ, শতাধিক বিল-জলাশয়, দুখন অভয়াৰণ্য আৰু ১২খন সংৰক্ষিত বনাঞ্চলৰো হেজাৰ হেজাৰ হেক্টৰ ভূমি বেদখলকাৰীৰ কৱলত পৰিছে। জিলাখনৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱাৰ শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ এসময়ত দখলত থকা বটদ্ৰৱাৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ ১০৪ বিঘা মাটি, ৰামপুৰ সত্ৰৰ ৫৮৪, বালিসত্ৰৰ ৪৬২, কোৱাইকটা সত্ৰৰ ৪৬, কৰচুং সত্ৰৰ ৪৬, ধিং শলগুৰি সত্ৰৰ চাৰি আৰু পাতেকীবড়ি থানৰ ৭৭ বিঘা মাটি বেদখলকাৰীৰ কৱলতে আছে। অবিভক্ত ছয় পৃষ্ঠাত চাওক



সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ জন্ম বাৰ্ষিকীত ফটো প্ৰদৰ্শনীত খ্যাতনামা ফটোগ্ৰাফাৰ নলিনী বৰুৱা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল, তেজপুৰত বুধবাৰে।

## তেজপুৰত আৰম্ভ সাহিত্যকাণ্ডাৰীৰ ১৫০ বছৰীয়া জন্মজয়ন্তীৰ সামৰণি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ১৫ ডিচেম্বৰ ঃ** 'অসমীয়া ভাষাৰ অতন্দ্ৰ প্ৰহৰীৰ ভূমিকা পালন কৰিবলগীয়া অসম সাহিত্য সভাৰ ভূমিকা সন্তোষজনক নহয়। অসমীয়া ভাষাই আজি স্বাৰ্থান্বেষী এচাম তোষামোদকাৰীৰ হাতত পৰি অসমৰ ভূমিতে প্ৰাপ্য মৰ্যাদা হেৰুৱাৰ উপক্ৰম ঘটিছে।' সাহিত্য কাণ্ডাৰী পদ্মনাথ গোঁহাঞি বৰুৱাৰ ১৫০বছৰীয়া জন্মজয়ন্তীৰ সামৰণি অনুষ্ঠানত আজি অসমীয়া ভাষা উন্নতি সাধিনী সভা তেজপুৰে কলিবাৰীত আয়োজন কৰা অনুষ্ঠানত এইদৰে বহুজনে মতামত ব্যক্ত কৰে। উল্লেখ্য যে তেজপুৰৰ অসমীয়া ভাষা উন্নতি সাধিনী সভা প্ৰাংগণত আজি সভাৰ প্ৰতিষ্ঠাপক সম্পাদক সাহিত্য কাণ্ডাৰীজনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন তথা প্ৰতিচ্ছবিত মাল্যাৰ্পণৰে সাহিত্যকাণ্ডাৰীৰ ১৫০বছৰীয়া জন্মজয়ন্তীৰ আৰম্ভ কৰা হয়। ইয়াৰ পাছতে এই অনুষ্ঠানত উপস্থিত থকা সভাৰ বিষয়ববীয়াসকলৰ লগতে সমবেত হোৱা ৰাইজৰ মাজত তেজপুৰ অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ সভাকক্ষত এক অন্তৰংগ আলাপ কাৰ্যসূচী অনুষ্ঠিত হয়। সম্প্ৰতি ৰাজ্যখনত অসমীয়া ভাষাৰ প্ৰতি আহি পৰা সংকটক বিষয়বস্তুৰূপে লৈ হোৱা এই অন্তৰংগ আলাপত অংশলোৱা বক্তাসকলে নিজা অনুভৱ ব্যক্ত কৰে। এইক্ষেত্ৰত প্ৰতিজন বক্তাই শেহতীয়াকৈ ৰাজ্যখনত অসমীয়া ভাষাটোক লৈ আৰম্ভ হোৱা চক্ৰান্ত আৰু এই ক্ষেত্ৰত অসম সাহিত্য সভাৰ ভূমিকাক লৈ গভীৰ অসন্তুষ্টি প্ৰকাশ কৰে। অসমীয়া ভাষা সাহিত্যৰ উন্নয়ন আৰু প্ৰতিষ্ঠাৰ বাবেই অহোপুৰুষাৰ্থ কৰা সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ লগতে ৰাজ্যখনৰ ভাষা-সাহিত্য আৰু সংস্কৃতিৰ পথিকৃতসকলৰ বাবেই সাম্প্ৰতিক ঘটনাৱলী চৰম অন্যায় বুলি উল্লেখ কৰি একাংশ সুবিধাবাদীয়ে এনে দুষ্কাৰ্যক নিৰ্লজ্জভাৱে সমৰ্থন কৰি তোষামোদকাৰীৰ ৰূপত অৱতীৰ্ণ হোৱাকলৈয়ো বিভিন্নজনে গৰিহণা দিয়ে। অসমীয়া ভাষা বিৰোধী সাম্প্ৰতিক ঘটনাৱলী ১৮৩৭ত তদানীন্তন ব্ৰিটিছ চৰকাৰে চৰকাৰী ছয় পৃষ্ঠাত চাওক

## মালেগড়ত মানাহ নৈৰ তীব্ৰ খহনীয়া ঃ গংগা পূজা ৰাইজৰ



অগ্ৰদূত বাৰ্তা,

**অভয়াপুৰী, ১৫ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত মালেগড়ত মানাহ নৈৰ তীব্ৰ খহনীয়াত আতংকিত গঞাই নৈৰ পাৰত খহনীয়াৰ পৰা পৰিত্ৰাণ বিচাৰি গংগা পূজা অনুষ্ঠিত কৰে। উল্লেখ্য যে অভয়াপুৰীৰ নিকটবৰ্তী মালেগড়ৰ তিনকোণীয়া (গোবিন্দপুৰ)ত বিগত কিছুদিন ধৰি অব্যাহত থকা মানাহ নৈৰ খহনীয়াত ইতিমধ্যে ৫০টাৰো অধিক পৰিয়ালৰ ভেটিমাটি, ঘৰবাৰী উছন হোৱাৰ পাছতো খহনীয়া অব্যাহত থকাত আতংকিত হৈ পৰিছে কে'বা ছয় পৃষ্ঠাত চাওক

## আজুৰ যোৰহাট জিলা সমিতিৰ প্ৰতিষ্ঠা দিৱস পালন

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ১৫ ডিচেম্বৰ ঃ** আজুৰ যোৰহাট জিলা সমিতিৰ প্ৰতিষ্ঠা দিৱস নগৰৰ ৰাজমাও পুখুৰী পাৰৰ জয়া ভৱনত আজি পালন কৰা হয়। এই উদ্দেশ্যে পুৱা দেওঘৰৰ কাষত পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ আৰম্ভ কৰে জিলা সমিতিৰ সভাপতি যোগেশ ওজাই। সম্পাদক দুলাল হাজৰিকাই আঁত ধৰা অনুষ্ঠানত স্মৃতি তৰ্পণ আৰম্ভ কৰে সাংবাদিক কল্যাণ নিধিৰ সভাপতি ললিত বৰাই। উপদেষ্টা নিৰঞ্জন মহন্ত, দিগন্ত বুঢ়াগোহাঁই, কেন্দ্ৰীয় সমিতিৰ জিলা প্ৰতিনিধিৰ দেৱজিৎ বৰুৱা, কল্যাণ নিধিৰ সম্পাদক নৱজ্যোতি বৰুৱা, জিলা সমিতিৰ উপ-সভাপতি ৰমেন শইকীয়া, কোষাধ্যক্ষ বিজু তনুৱাল ভালেকেইগৰাকী সদস্যই পুষ্পাঞ্জলি অৰ্পণ কৰে। ইয়াৰ পাছতে লিচুবাৰীস্থিত সাৰথি বৃদ্ধাশ্ৰমত উপস্থিত হৈ এসাঁজ খাদ্যৰ বাবে সামগ্ৰী প্ৰদান কৰে। বৃদ্ধাশ্ৰমখনত থকা ২৫ গৰাকী বৃদ্ধাৰ স'তে মত বিনিময় কৰে। বৃদ্ধাশ্ৰমখনৰ প্ৰতিষ্ঠাতা মল্লিকা ৰহমানে আজু যোৰহাট জিলা সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বৃদ্ধাশ্ৰমখনত থকা ৩০গৰাকীৰ বাবে খাদ্য সামগ্ৰীৰ যোগান ধৰে।

## শিমলুগুৰিত চিলনী চোৰে লুটিলে ডেৰ লক্ষাধিক টকা

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ১৫ ডিচেম্বৰ ঃ** নাজিৰা মহকুমাৰ শিমলুগুৰি নগৰৰ মাজমজিয়াত আজি চিলনী চোৰে এজন বৃদ্ধৰ পৰা থপিয়াই নিয়ে ডেৰ লক্ষ টকা। চৰাইদেউ ছ্যুকাফা নগৰৰ ক্ষীৰ ফুকন নামৰ লোকজনে নাজিৰা ষ্টেট বেংকৰ নিজৰ একাউণ্টৰ পৰা ডেৰ লাখ টকা উলিয়াই অনাৰ পাছ মুহূৰ্ততে সংঘটিত হয় উক্ত ঘটনা। শিমলুগুৰি নগৰৰ দিখৌ হোটেলৰ সমীপত এখন পালছাৰ মটৰ চাইকেলত অহা দুজন দুৰ্বৃত্তই ফুকনৰ পৰা টকাৰ বেগটো কাঢ়ি উধাও হয়। উল্লেখ্য যে নিজৰ পুত্ৰৰ স'তে ফুকনে একেলগে বেংকলৈ আহিছিল যদিও ঘটনা সংঘটিত হোৱাৰ সময়ত মটৰ চাইকেলৰ পৰা নামি ক্ষন্তেকৰ বাবে পুত্ৰ আঁতৰ হোৱাৰ ছয় পৃষ্ঠাত চাওক

### প্ৰকৃত সোণ লৈ গ্ৰাহকক ঘূৰাই দিলে নকল সোণ

## নাজিৰা আশীৰ্বাদ মাইক্ৰ'ফাইনেন্স গ'ল্ডলোন প্ৰতিষ্ঠানত গ্ৰাহকক প্ৰতাৰণা

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ১৫ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নাজিৰাৰ মাজমজিয়াৰ এটা প্ৰতিষ্ঠান, য'ত সোণ জমা লৈ গ্ৰাহকক দিয়া হয় ঋণ। নাম 'আশীৰ্বাদ মাইক্ৰ'ফাইনেন্স লিমিটেড'। সুদৰ হাৰ ২৫ৰ পৰা ২৯ শতাংশ। কিন্তু ইমান সুদ সংগ্ৰহ কৰাৰ পাছতো গ্ৰাহকক মাধমাৰ শোধাইছে প্ৰতিষ্ঠানটোৱে। চেন্নাইৰ পৰা পৰিচালিত এই প্ৰতিষ্ঠানটোৱে বিগত চাৰিমাহ ধৰি ব্যৱসায় কৰি আছে নাজিৰাত। আজিৰ পৰা প্ৰায় ডেৰমাহ আগতে শিৱসাগৰৰ অমৰ জ্যোতি দাস নামৰ লোকজনে আশীৰ্বাদ গ'ল্ডলোণ লিমিটেডৰ পৰা এটা ঋণ লৈছিল। যোৱা ১২ নৱেম্বৰত ৪৭.৪৯৮ গ্ৰাম সোণৰ বিনিময়ত ১.৫৪ লাখ টকা তেওঁ ঋণ হিচাপে লৈছিল। যি সময়ত প্ৰতিষ্ঠানটোৱে গ্ৰাহকৰ পৰা সোণ





■ প্ৰশাসনে ছীল কৰিলে প্ৰতিষ্ঠান ■

জমা লৈছিল, সেই সময়ত সম্পূৰ্ণ পৰীক্ষা কৰিহে জমা লৈ ঋণ দিছিল সম্পূৰ্ণ নিয়মৰ মাজেৰে। কিন্তু ডেৰমাহৰ পাছত গ্ৰাহকজনে যেতিয়া সুদসহ ঋণৰ টকা জমা দি নিজৰ সোণৰ চেইনডাল নিবলৈ আহে তেতিয়া এডাল হুবহু ডিজাইনৰ চেইন তেওঁৰ হাতত জমা দিয়ে। হাতত নিজৰ চেইনডাল লৈ নিজেই চাই পৰীক্ষা কৰাত ধৰা পৰে যে চেইনডাল তেওঁ জমা দিয়া ডাল নহয়। যিহেতু নিয়ম অনুসৰি যেতিয়া সোণ জমা লোৱা হয় তেতিয়া এটা নিৰ্দিষ্ট খামৰ ভিতৰত গ্ৰাহক আৰু প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰ সন্মুখত উক্ত সম্পত্তিটো ৰখা হয় আৰু দিয়াৰ সময়তো উভয় পক্ষৰ সন্মুখত খুলিব লাগে। কিন্তু তাৰ পৰিৱৰ্তে প্ৰতিষ্ঠানটোৱে এটা ফলাখামৰ পৰাহে চেইনডাল উলিয়াই দিয়ে বুলি গ্ৰাহকজনে ছয় পৃষ্ঠাত চাওক

## দুৰ্ঘটনাত অভিনেতা দ্বিজেন শৰ্মাৰ মৃত্যু

### ট্ৰেক্টৰ-ডাম্পাৰ নিয়ন্ত্ৰণৰ দাবী ৰাইজৰ





অগ্ৰদূত বাৰ্তা

**টিহু, ১৫ ডিচেম্বৰ ঃ** ভ্ৰাম্যমাণ থিয়েটাৰৰ একালৰ সফল অভিনেতা তথা টিহু হৰিমন্দিৰৰ দেউৰী দ্বিজেন শৰ্মা (৭৭)ৰ আজি টিহুত সংঘটিত এক পথ দুৰ্ঘটনাত মৃত্যু হয়। প্ৰাপ্ত তথ্য অনুসৰি, টিহু হৰি মন্দিৰৰ পূজাৰী তথা টিহু নগৰৰ বাসিন্দা শৰ্মাক আজি পুৱা টিহু নগৰৰ মাজমজিয়াত এ-এছ-১৪-এচি-০১৩৭ নম্বৰৰ এখন ইটাভৰ্তি ট্ৰেক্টৰে মহটিয়াই নিয়ে। পাছত অতি সংকটজনক অৱস্থাত টিহু ৩০খন বিছনাযুক্ত চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও চিকিৎসকে তেওঁক উন্নত চিকিৎসাৰ বাবে নলবাৰীলৈ প্ৰেৰণ কৰে। নলবাৰীত চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। যাত্ৰাপাটিত অভিনয় জীৱনৰ পাতনি মেলা একালৰ জনপ্ৰিয় অভিনেতা শৰ্মাই মুকুন্দ, অপ্সৰা, সুৰদেৱী, ভাগ্যদেৱী ছয় পৃষ্ঠাত চাওক

### ■ ভৰ সময়তো উকা হৈ পৰি আছে বাগ্‌সাৰ গ্ৰাছলেণ্ড-বগামাটি পৰ্যটন ক্ষেত্ৰ ■

## পৰ্যটন ক্ষেত্ৰলৈ অশনি সংকেত





■ আব্দুল মজিদ

**নলবাৰী, ১৫ ডিচেম্বৰ ঃ** চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ শৈলজ পাহাৰ, তাৰপৰা খৰস্ৰোতাৰে বৈ অহা বৰনদী আৰু হাতী, নানাবিধ চৰাইৰ কলৰৱৰ সেউজ সংগমভূমি বাগছা জিলাৰ পূব গৈয়াবাৰী আৰু দুই নম্বৰ ডোঙাৰগাঁও অঞ্চলৰ বগা মাটি। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকি ভূটানৰ চামৰাঙৰ দুৱাৰমুখ স্বৰূপ এই অঞ্চল। গুৱাহাটীৰ পৰা বাইহাটা চাৰিআলি-গোৰেশ্বৰ হৈ ৫০-৫৫ কিলোমিটাৰ দূৰত্বৰ এই বগামাটিকেন্দ্ৰিক ১০-১২ কি ব্যাসাৰ্ধৰ প্ৰাকৃতিক সৌন্দৰ্য ভূমি কিছু বছৰ আগলৈ কেৱল ঘনজংঘল আৰু একাংশ চৰমপন্থী বিপ্লৱী গোটৰ বিচৰণস্থলী আছিল যদিও কেইটামান স্বেচ্ছাসেৱী সংগঠন আৰু কেইজনমান এডভেঞ্চাৰ প্ৰেমিক যুৱকৰ তৎপৰতাত অঞ্চলটো আকৰ্ষণীয় পৰ্যটনস্থলীলৈ উন্নীত হয়। তেনে এজন এডভেঞ্চাৰ মনৰ যুৱক পংকজ বড়ো। দাৰ্জিলিঙৰ হিমালয়ান মাউণ্টেনিয়াৰিং ইন্সটিটিউটত বেছিক এণ্ড এডভান্স মাউণ্টেনিয়াৰিং প্ৰশিক্ষণ প্ৰাপ্ত পংকজ বড়োৱে ২০১২ৰ পৰা ট্ৰেকিং, ৰক ক্লাইম্বিং, ৰাফটিং আদিত ক্ৰীড়া সঞ্চালকালয়, অসম আৰু অৰুণাচল প্ৰদেশৰ গাইড হিচাপে কাম কৰে। তেওঁ ২০১৫ত অসম এভাৰেষ্ট-২০১৫ত সদস্যও নিৰ্বাচিত হয়। এইজন এডভেঞ্চাৰপ্ৰেমী যুৱকৰ লগতে কে'বাজনীয়া এটা দলে উক্ত দুৰ্গম অঞ্চলটোলৈ দুঃসাহসিক ক্ৰীড়া চৰ্চা কৰিবলৈ উদ্‌ঘাটন কৰে বগামাটি অঞ্চলৰ সম্ভাৱনাপূৰ্ণ পৰ্যটনক্ষেত্ৰ। সেইমৰ্মে পৰিকল্পনা কৰি এইভেঞ্চাৰপ্ৰেমী ছয় পৃষ্ঠাত চাওক

### 'শিৱসাগৰত সমাজ জীৱনলৈ পদ্মনাথ গোহাঞি বৰুৱাৰ অৱদান' শীৰ্ষক আলোচনাচক্ৰ

## অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণত আন্তৰিকতাৰে আত্মনিয়োগ কৰিছিল পদ্মনাথ গোহাঞি বৰুৱাই

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৫ ডিচেম্বৰ ঃ** "অসমীয়া ভাষাত শিক্ষকতাৰ প্ৰণালী সম্পৰ্কীয় প্ৰথমখন গ্ৰন্থ লিখিছিল পদ্মনাথ গোহাঞি বৰুৱাই। গ্ৰন্থখন প্ৰণয়নৰ বাবে তেওঁ ছমাহ জুৰি আনুষ্ঠানিকভাৱে অধ্যয়ন কৰিছিল। 1893 চনত গোহাঞি বৰুৱা কহিমা চৰকাৰী ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক নিযুক্ত হয়। তাত তেওঁ 1896ৰ ডিচেম্বৰলৈকে শিক্ষকতা কৰে। সেই তিনি বছৰ কালত তেওঁ কেৱল শিক্ষকতাকে কৰি থকা নাছিল; তাৰ সমান্তৰালভাৱে অসমীয়া ভাষা সাহিত্যৰ উত্তৰণ আৰু অসমীয়া ভাষাৰ শৈক্ষিক ক্ষেত্ৰখনৰ বিকাশতো আন্তৰিকতাৰে আত্মনিয়োগ কৰিছিল। তেওঁৰ চেষ্টাতে কহিমাত অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ শাখা আৰু কহিমা সাহিত্য সভা প্ৰতিষ্ঠিত হয়। কহিমা সাহিত্য সভাই আছিল অসম সাহিত্য সভাৰো বীজস্বৰূপ। 1917ত অসম সাহিত্য সভা প্ৰতিষ্ঠা হোৱাৰ পাছত কহিমা সাহিত্য সভা তাৰ শাখা হৈ পৰিছিল। হৰিপ্ৰসাদ গোৰ্খা ৰায়ৰ দৰে সাহিত্যিকৰ যত্নত সেই সাহিত্য সভা পৰৱৰ্তী ভালেমান দিনলৈ গতিশীল হৈ আছিল। কহিমাত থাকোতেই গোহাঞি বৰুৱাই চাকৰি নিয়মীয়া হ'বৰ বাবে শিক্ষাবিধিৰ প্ৰশিক্ষণ ল'ব লগা হ'ল। ছমহীয়া সেই প্ৰশিক্ষণৰ অন্তত অনুষ্ঠিত বিভাগীয় পৰীক্ষাত গোহাঞি বৰুৱা 100ৰ ভিতৰত 95 নম্বৰ লাভ কৰি অসমৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হয়।"Ðশিৱসাগৰৰ বৰ্ডিং খেলপথাৰৰ পানিন্দ্ৰনাথ গগৈ ক্ষেত্ৰত অনুষ্ঠিত সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ ডেৰশ বছৰীয়া জন্মজয়ন্তীৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মুকলি সভাত 'অসমীয়া সমাজ জীৱনলৈ পদ্মনাথ গোহাঞিবৰুৱাৰ অৱদান' শীৰ্ষক আলোচনাচক্ৰত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি এই মন্তব্য কৰে ছয় পৃষ্ঠাত চাওক

## বিএছএনএলৰ কাৰ্যালয়ত সময়ত উপস্থিত নহয় কৰ্মচাৰী

### ক্ষোভ জনতাৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৫ ডিচেম্বৰ ঃ** আজি বুধবাৰে বিশ্বনাথৰ ভাৰত সংসাৰ নিগম লিমিটেড চমুকৈ বি এছ এন লৰ কাৰ্যালয়ত পুৱা ১০-৩০ বজালৈকে কোনো কৰ্মচাৰী উপস্থিত নথকাত লাগিল হুৱা-দুৱা। এজন গ্ৰাহকে নিজৰ বিল পৰিশোধ কৰিবলৈ আহি কাৰ্যালয়ত কাকো নেদেখি চকু কপালত উঠে। কিয়নো এই চৰকাৰী কাৰ্যালয়টোত ১০-৩০ বজালৈকে এজনো বিষয়া সময়তে উপস্থিত নোহোৱাত জনতাৰ যথেষ্ট সমস্যাৰ সৃষ্টি হৈছে।

## মৰিগাঁৱত 'কা' বাতিলৰ দাবীত যুৱ-ছাত্ৰ পৰিষদৰ ধৰ্ণা



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৫ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত নাগৰিকত্ব সংশোধনী আইন বাতিলৰ দাবীত আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৰ জিলা সমিতিৰ দীপজ্যোতি বৈশ্য আৰু সাধাৰণ সম্পাদক মিৰ্জা আৰিফ আলমৰ নেতৃত্বত ৰূপায়িত কাৰ্যসূচীত অৰ্ধশতাধিক সংগঠনটোৰ নেতা-কৰ্মীয়ে চৰকাৰ বিৰোধী শ্ল'গানেৰে উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। উক্ত আইনৰ দাবী জনাই আজি সংগঠনটোৱে ধৰ্ণা কাৰ্যসূচীৰ পাছতে উপায়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## বাগ্‌সাৰ কালপানীত পুনৰ ভালুক ট্ৰেংকুলাইজড



অগ্ৰদূত বাৰ্তা


**শালবাৰী, ১৫ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ শালবাৰীৰ কালপানীৰ সমীপৰ কলবাৰীত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা পুনৰ ওলাই অহা এটা ভালুক আজি বন বিভাগে ট্ৰেংকুলাইজড কৰে। মানাহৰ নাতি দূৰৈৰ কালপানীৰ কলবাৰীত আজি পুৱা এটা পৰিয়ালৰ বাৰীত স্থানীয় লোকে ছয় পৃষ্ঠাত চাওক

## জনজাতিকৰণৰ দাবীত মুখ্যমন্ত্ৰীক স্মাৰকপত্ৰ কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ

**তামাৰহাট, ১৫ ডিচেম্বৰ ঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবী জনগোষ্ঠীটোক অনুসূচিত জনজাতিকৰণৰ দাবীত ধুবুৰী জিলা কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে আজি ধুবুৰী জিলাৰ উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ধুবুৰী জিলা কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি জগদীশ চন্দ্ৰ ৰায় আৰু সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায় স্বাক্ষৰিত স্মাৰকপত্ৰখনত উল্লেখ কৰে যে ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীটোৱে অনুসূচিত জনজাতিকৰণৰ দাবীত ১৯৬৮ৰ পৰাই গণতান্ত্ৰিকভাৱে আন্দোলন চলাই আহিছে। কিন্তু আজিলৈকে কোচ ৰাজবংশীৰ জনজাতিকৰণ নহ'ল। উল্লেখ্য যে ২০১৪ আৰু ২০১৯ৰ লোকসভাৰ সাধাৰণ নিৰ্বাচন আৰু ২০১৬ৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ সময়ত বিজেপি দলে নিৰ্বাচনী ভাষণত কোচ ৰাজবংশীক জনজাতিকৰণৰ প্ৰতিশ্ৰুতি দিছিল যদিও উক্ত প্ৰতিশ্ৰুতি মতে কোচ ৰাজবংশী জনগোষ্ঠীটোৱে আজিলৈকে জনজাতিৰ মৰ্যাদা লাভ নকৰিলে। তদুপৰি বিজেপি নেতৃত্বাধীন পূৰ্বৰ অসম চৰকাৰখনৰ সময়ত জনগোষ্ঠীটোৰ জনজাতিকৰণৰ ক্ষেত্ৰত তেতিয়াৰ শিক্ষামন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত মন্ত্ৰী গোটৰ এখন সমিতিও কেন্দ্ৰীয় চৰকাৰে গঠন কৰি দিছিল। ইয়াৰ পাছতো কোচ ৰাজবংশী জনগোষ্ঠীটোৰ জনজাতিকৰণ নহ'ল। সেইবাবে ৰাজনৈতিক, শৈক্ষিক, আৰ্থ-সামাজিক আদি সকলো দিশতে পিছ পৰি থকা কোচ ৰাজবংশী জনগোষ্ঠাটোক জনজাতিকৰণ কৰাৰ বাবে ধুবুৰী জিলা কোচ ৰাজবংশী সংগ্ৰাম সমিতিয়ে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক স্মাৰকপত্ৰযোগে দাবী জনায়।

### ■ বিদ্যুৎ সংযোগ উচ্ছেদ কৰিবলৈ গৈ উভতি আহিছিল প্ৰশাসন

## চামগুৰিৰ আমনিত গ্ৰেজিং ৰিজাৰ্ভও বেদখল



■ শতাধিক ঘৰ নিৰ্মাণ ■

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ১৫ ডিচেম্বৰ ঃ** ৰাজ্যত বনাঞ্চল আৰু চৰকাৰী ভূমি বেদখলমুক্ত কৰাৰ সময়তে নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অধীনস্থ ৰঙাগড়া মৌজাৰ আমনি আমতলৰ সমীপৰ শতাধিক লোকে গ্ৰেজিং ৰিজাৰ্ভ বেদখলৰ অভিযোগ উত্থাপিত হৈছে। চৰকাৰী গ্ৰেজিং ৰিজাৰ্ভৰ ৭৪৭ নম্বৰ দাগৰ মাটিত বিগত ১৫ বছৰ ধৰি পকী দোকান ঘৰ পৰিকল্পিতভাৱে বেদখল কৰাৰ উপৰি শতাধিক লোকে ডিজু নদীৰ পাৰৰ গ্ৰেজিং ৰিজাৰ্ভত ঘৰ সাজি গোঁজেই গজালি হোৱাৰ অভিযোগ উঠিছে। যি সময়ত চৰকাৰে বেদখলকাৰীক উচ্ছেদ কৰাত গুৰুত্ব আৰোপ কৰিছে তেনেকুৱা সময়তে চামগুৰি সমষ্টিৰ চৰকাৰী ভূমিত বেদখল চলাক লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাত মাকৰিত চীপচ ভৰ্তি দুখনকৈ ডাম্পাৰ জব্দ

অগ্ৰদূত বাৰ্তা

**মাটিয়া ১৫ ডিচেম্বৰ ঃ** গোৱালপাৰাৰ ডিএফঅ' জিতেন্দ্ৰ কুমাৰ সিঙে অভিযান চলাই যোৱা নিশা ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মাকৰিৰ পৰা এএছ-১৮এচি-১২৬০ আৰু এএছ-২৬চি-৮০৮৫ নম্বৰৰ দুখনকৈ চীপচ ভৰ্তি ডাম্পাৰ জব্দ কৰে। চালানতকৈ অধিক চীপচ কঢ়িয়াই ছয় পৃষ্ঠাত চাওক

■ মাটিয়াঘাটত ট্ৰেক্টৰ জব্দ

## ডিএফঅ'ৰ বিৰুদ্ধে গোৱালপাৰাৰ উপায়ুক্তক অভিযোগ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৫ ডিচেম্বৰ ঃ** দুধনৈ নদীৰ দুই নম্বৰ বালি মহলৰ অন্তৰ্গত মাটিয়াঘাটৰ পৰা বালিভৰ্তি কৰি থকা অৱস্থাত গোৱালপাৰাৰ বনসংমণ্ডল প্ৰাধিকাৰী বিষয়া জিতেন্দ্ৰ কুমাৰ সিঙে বেআইনীভাৱে এখন ট্ৰেক্টৰ জব্দ কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত আজি ডিএফঅ'জনৰ বিৰুদ্ধে ট্ৰেক্টৰখনৰ স্বত্বাধিকাৰ চাহাবুল ইছলামে গোৱালপাৰা জিলা উপায়ুক্তক ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ২৯ আঘোণ ১৪২৮ভাস্কৰাব্দ ১৬ ডিচেম্বৰ ২০২১

# আশাব্যঞ্জক ছবি

শেহতীয়া ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ (এন এফ এইছ এছ)ত ভাৰতত মহিলাৰ জনসংখ্যা বৃদ্ধিৰ তথ্য প্ৰকাশ আৰু একে সময়তে দেশৰ উচ্চ শিক্ষানুষ্ঠানত মহিলা বা ছোৱালীৰ সংখ্যা বৃদ্ধি দেশবাসীৰ বাবে সুখবৰ। শেহতীয়া এক ৰাষ্ট্ৰীয় জৰীপত দেশত প্ৰতি এহেজাৰজন পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ১০২০ গৰাকীলৈ বৃদ্ধি পোৱাৰ তথ্য প্ৰকাশ পাইছে। এয়া নিশ্চয় এক ইতিবাচক ইংগিত। এই জৰীপত গ্ৰামাঞ্চলত এহেজাৰ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা ১০৩৭ গৰাকী পোৱা গৈছে। উল্লেখ্য যে এন এফ এইছ এছৰ জৰীপে দেশৰ ছয় লাখ ৩০ হেজাৰ পৰিয়ালক সামৰি লৈছিল। ইয়াৰ আগৰ জৰীপ তথা লোকপিয়লবিলাকত সাধাৰণতে মহিলাৰ সংখ্যাতকৈ পুৰুষৰ সংখ্যা বেছি পোৱা গৈছিল। প্ৰথমবাৰলৈ দেশত মহিলাৰ সংখ্যা পুৰুষৰ সংখ্যাতকৈ অধিক হৈছে। অৱশ্যে লোকপিয়লৰ শেহতীয়া তথ্য এতিয়াও প্ৰকাশ পোৱা নাই। লোকপিয়লে দেশৰ সকলো পৰিয়ালকে সামৰি লয়। সি যি কি নহওক, ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপৰ তথ্যকো গুৰুত্ব দিবই লাগিব। একে সময়তে দেশৰ উচ্চ শিক্ষাৰ ৰাষ্ট্ৰীয় জৰীপত উচ্চ শিক্ষানুষ্ঠানত ছোৱালীৰ সংখ্যাও বৃদ্ধিৰ তথ্য প্ৰকাশ পাইছে। ৰাষ্ট্ৰীয় জৰীপত প্ৰকাশ পোৱা তথ্য অনুসৰি যোৱা ২০১৫-১৬ৰ পৰা ২০১৯-২০২০লৈ পাঁচটা বছৰত দেশত উচ্চ শিক্ষানুষ্ঠানত ১১.৪ শতাংশ ছাত্ৰ-ছাত্ৰী বৃদ্ধি পাইছে। এই সময়ছোৱাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি পাইছে ১৮.২ শতাংশ। ছোৱালীৰ নামভৰ্তিৰ ক্ষেত্ৰত এই বৃদ্ধি এক অভিলেখ বুলি ক'ব পাৰি। উল্লেখ্য যে জৰীপত লাভ কৰা শেহতীয়া তথ্য অনুসৰি দেশৰ উচ্চ শিক্ষানুষ্ঠানত নামভৰ্তি কৰা মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তিনি কোটি ৮৫ লাখ। ইয়াৰে এক কোটি ৯৬ লাখ ল'ৰা বা ছাত্ৰ আৰু এক কোটি ৮৯ লাখ ছোৱালী। উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, তামিলনাডুত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি সৰ্বাধিক বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে দেশৰ উচ্চ শিক্ষানুষ্ঠানত ১৮-২৩ বছৰীয়া শিক্ষাৰ্থীৰ মুঠ নামভৰ্তিৰ অনুপাত (জি ই আৰ) ২৭.১ শতাংশ। ইয়াৰে ছাত্ৰৰ অনুপাত ২৬.৯ শতাংশ আৰু ছোৱালীৰ অনুপাত ২৭.৩ শতাংশ। অনুসূচিত জাতি ২৩.৪ শতাংশ আৰু অনুসূচিত জনজাতি আছে ১৮.০ শতাংশ। ৰাষ্ট্ৰীয় ২৭.১ শতাংশৰ বিপৰীতে অনুসূচিত জাতি তথা অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ অনুপাত যথেষ্ট কম; কিন্তু সৰ্বভাৰতীয় ২৭.১ শতাংশও উন্নত দেশসমূহৰ জি ই আৰৰ তুলনাত যথেষ্ট কম। উচ্চ শিক্ষানুষ্ঠানত নামভৰ্তিৰ আনুপাতিক বৃদ্ধি যোৱা ২০১৯-২০২০ত মাত্ৰ ০.৮ শতাংশ। এই বৃদ্ধি অতি সামান্য বুলি ক'ব পাৰি। যোৱা ২০১৮-১৯ বৰ্ষত আছিল ২৬.৩ শতাংশ। আনহাতে, যোৱা পাঁচটা বছৰত উচ্চ শিক্ষানুষ্ঠানত মুঠ নামভৰ্তিৰ অনুপাত (জি ই আৰ) ১১ শতাংশ বৃদ্ধি পাইছে; কিন্তু ছোৱালীৰ নামভৰ্তি ১৮ শতাংশ বৃদ্ধি পোৱাটো মন কৰিবলগীয়া। এই সময়ছোৱাত ভাৰতত কিন্তু বিশ্ববিদ্যালয়ৰ সংখ্যা ৩০.৫ শতাংশ বৃদ্ধি পাইছে। বিশ্ববিদ্যালয়ৰ সংখ্যা ৭৯৯ খনৰ পৰা পাঁচ বছৰত ১০৪৩ খনলৈ বৃদ্ধি পাইছে। মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি পাইছে ৩৯,০৭১ খনৰ পৰা ৪২,৩৪৩ খনলৈ। উল্লেখ্য যে ভাৰত চৰকাৰে অহা ২০৩৫ৰ ভিতৰত উচ্চ শিক্ষাৰ মুঠ নামভৰ্তিৰ অনুপাত (জি ই আৰ) ৫০ শতাংশলৈ বৃদ্ধিৰ লক্ষ্য স্থিৰ কৰিছে। এই লক্ষ্যত উপনীত হ'বলৈ হ'লে দেশত উচ্চ শিক্ষাত ৩৩ লাখ শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰয়োজন হ'ব আৰু শিক্ষক-ছাত্ৰৰ অনুপাত ১:১৫ হ'ব লাগিব বুলি কোৱা হৈছে। বৰ্তমান কিন্তু ভাৰতৰ উচ্চ শিক্ষানুষ্ঠানত শিক্ষকৰ সংখ্যা মাত্ৰ ১৪ লাখ। চৰকাৰে ইয়াৰ লক্ষ্যত উপনীত হ'বলৈ হ'লে শিক্ষকৰ সংখ্যা ২৩৫ শতাংশ বৃদ্ধি পাব লাগিব।

প্ৰকৃততে উচ্চ শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ হাৰ ৫০ শতাংশলৈ নিৰ্ধাৰিত ২০৩৫ৰ ভিতৰত বৃদ্ধি কৰাটো হ'ব দেশৰ শিক্ষাখণ্ডৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বান দেশবাসীয়ে আৰু চৰকাৰে কেনেকৈ গ্ৰহণ কৰিব, সেয়া সময়েহে ক'ব। যোৱা পাঁচ বছৰত যদি জি ই আৰ ১১ শতাংশলৈ বৃদ্ধি হৈছে, তেন্তে অহা ১৫ বছৰত ৩৫ শতাংশলৈ বৃদ্ধি নিশ্চয় এক কঠিন প্ৰত্যাহ্বান হ'ব। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ নতুন শিক্ষানীতি (২০২০)-য়ে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰা হৈছে। নতুন শিক্ষানীতিয়ে গুণগত শিক্ষাৰ মান উন্নত কৰা আৰু উচ্চ শিক্ষানুষ্ঠান তথা শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিৰ বাবে আঁচনি লৈছে। নতুন শিক্ষানীতিৰ ২+৩+৩+৪ শিক্ষাব্যৱস্থা, চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম, মহাবিদ্যালয়সমূহক ডিগ্ৰী প্ৰদান ক্ষমতা আৰু মহাবিদ্যালয়বিলাকক বিশ্ববিদ্যালয়লৈ উন্নীত কৰা আঁচনি আদি কেন্দ্ৰীয় চৰকাৰৰ নতুন শিক্ষানীতিত থকা গুৰুত্বপূৰ্ণ আঁচনি। এই আঁচনিসমূহ সফল হ'লে অহা ২০৩৫ত দেশৰ জি ই আৰ ৫০ শতাংশলৈ বৃদ্ধি কৰাটো সম্ভৱ হ'ব। আনকি ভৱিষ্যতে ৫০ শতাংশৰ পৰা ৬০ বা ৭০ শতাংশলৈ বৃদ্ধি কৰাও সম্ভৱ হ'ব পাৰে। উল্লেখ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰ তথা অন্যান্য পশ্চিমীয়া দেশবিলাকৰ জি ই আৰ যথেষ্ট বেছি। যোৱা ২০১৫ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চ শিক্ষাত নামভৰ্তিৰ হাৰ ৮৫.৮ শতাংশ আছিল। ভাৰতৰ দৰে দেশে জি ই আৰৰ ক্ষেত্ৰত আমেৰিকা নাইবা উন্নত দেশসমূহৰ পৰ্যায় পাবলৈ আৰু কিমান বছৰ লাগিব, সেয়া হ'ব এক বিচাৰ্য বিষয়। দেশৰ নতুন শিক্ষানীতিৰ সফল ৰূপায়ণৰ ওপৰতো ই নিৰ্ভৰ কৰিব। উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তিৰ হাৰ বৃদ্ধিয়ে আশাৰ সঞ্চাৰ কৰিছে; কিন্তু দেশৰ মুঠ নামভৰ্তিৰ অনুপাত আজিও অতি হতাশাজনক হৈয়ে আছে।

## খো লা ম ঞ্চ

# অসমীয়া বৰ্ণাঢ্য সাজপাৰ হেৰাই যাব নেকি?



**'অসমীয়া** সাজপাৰ' বুলি কোৱাৰ পূৰ্বতে 'সাজপাৰ' মানেনো কি— এই বিষয়ে সাধাৰণ কিছু ধাৰণা থকা প্ৰয়োজন হ'ব। লজ্জা নিবাৰণ, জাৰ-জহ তথা শীতৰ পৰা পৰিত্ৰাণ পোৱাৰ উপৰি নিজৰ দেহৰ সৌন্দৰ্য-সৌষ্ঠৱ বৰ্দ্ধনৰ নিমিত্তেই সাধাৰণতে মানুহে নানা ধৰণৰ বিচিত্ৰ সাজপাৰ পৰিধান কৰে।

যিয়ে নহওক, দেখা যায়— ঈশ্বৰ, আল্লা তথা গডৰ এই ভূমণ্ডলৰ আটাইতকৈ বিচিত্ৰতম সৃষ্টি মানুহ অথবা তেওঁৰে সৃষ্ট (?) বিভিন্ন দেৱ-দেৱী, অসুৰ-দৈত্য-দানৱৰ বাহিৰে তেওঁৰে সৃষ্ট নানান জীৱ-জন্তু, পশু-পক্ষী, কীট-পতংগবোৰে কোনো সাজ-পোছাক পৰিধান নকৰে। সিহঁত আজন্ম নগ্ন।

এটা সহজ সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে— অসমত কোনোকালে 'অসমীয়া সাজপাৰ' বুলি কোনো নিৰ্দিষ্ট পোছাক নাছিল;— এতিয়াও নাই। য'ত বৰ্তমানো অসমৰ 'অসমীয়ানো কোন' তাৰে গ্ৰহণযোগ্য সূত্ৰ একোটা উলিয়াব পৰা নাই— তেনে ক্ষেত্ৰত অসমৰ বৰ্ণাঢ্য 'অসমীয়া সাজপাৰ' কোনবিধবোৰনো তথা নিৰূপণ কৰাটো যেনেকৈ বিতৰ্কৰ বিষয়, ঠিক তেনেকৈ 'হেৰাই যাব নেকি?' বুলি সোধা

**হৰেশ্বৰ বসুমতাৰী** *লেখক*

প্ৰশ্নৰ পোনছাটেই উত্তৰ দিয়াটোও সমস্যাৰ বিষয়। কাৰণ 'অসমীয়া' নামৰ জাতি বিশেষক এটা ৰঙা পিঁয়াজৰ লগত তুলনা কৰিব পাৰি। যুগ-যুগান্তৰ ধৰি তাহানি প্ৰাগ-ঐতিহাসিক যুগৰ পাছত আহোমৰ আগমনৰ পূৰ্বে বিভিন্ন খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ নানান ভাষা, কলা-কৃষ্টি-সংস্কৃতিৰে মহীয়ান বিচিত্ৰ ৰং-বিৰঙৰ সাজ-পোছাক তথা বেশভূষাবোৰক 'অসমীয়া সাজপাৰ'ৰ এটা এটাকৈ বখলাই এৰুৱাই দিলে যেনেকৈ শেহান্তত পিঁয়াজৰ অস্তিত্বই নোহোৱা হৈ যায়— ঠিক তেনেদৰে অকল ধুতি, পাঞ্জাৱী, চেলেং, গামোচা, চুৰীয়া, ৰিহা, শাৰী, মেখেলা, চাদৰ ইত্যাদি ইত্যাদিকে 'অসমীয়া' সাজপাৰ বুলি ধৰি লোৱাত অসুবিধা নিশ্চয় আছে। কিয়নো এই যে বৃহত্তৰ অসমৰ অন্তৰ্গত বড়ো, ৰাভা, কছাৰী, ডিমাচা, কাৰ্বি, মিচিং, দেউৰী জনগোষ্ঠীয়ে যুগ যুগ ধৰি নিজ হাতেৰে তাঁত শালত বিভিন্ন ৰং তথা নামৰ স্বকীয় সাজ-পোছাক বৈ-তৈয়াৰ কৰি পৰিধান কৰি গৌৰৱান্বিত হৈ আহিছে; কাহানিও তেওঁলোকৰ স্বকীয় পৰম্পৰা সাজ হেৰাই যোৱাহি নাই। বড়োসকলৰ 'দখনা'-চাদ্ৰী', 'আৰ'নাই' গামোচা আদিয়েই ইয়াৰ উৎকৃষ্ট নিদৰ্শন।


*ফোন ঃ ৬০০০৬০৮৯৮৩*

# ভাৰতবৰ্ষই ৪২ খন দেশলৈ সামৰিক সামগ্ৰী ৰপ্তানি কৰে

# পুটিনৰ ভাৰত ভ্ৰমণৰ উদ্দেশ্য আৰু অসমৰ আশা



সোঁতৰ বিপৰীতে চিন্তা



**প্ৰবীণ চৌধুৰী**

ভাৰত আৰু ৰাছিয়াৰ ৰাষ্ট্ৰ-প্ৰধানদ্বয়ৰ মাজত হ'বলগীয়া ২১ সংখ্যক শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ বাবে যোৱা ছয় ডিচেম্বৰ ২০২১-ত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন আহি নতুন দিল্লীত উপস্থিত হয়। মাথোন ছঘণ্টা জোৰা ভাৰত ভ্ৰমণৰ সময়ত পুটিন আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুয়োখন দেশৰ পাৰস্পৰিক স্বাৰ্থজনিত বিষয়ৰ লগতে আঞ্চলিক আৰু আন্তৰ্জাতিক সমস্যাকেন্দ্ৰিক বিষয়বোৰৰ ওপৰতো আলোচনা কৰে। আলোচনাৰ অন্তত প্ৰকাশ কৰা এখন ৯৯ দফীয়া যুটীয়া ঘোষণাপত্ৰৰ যোগেদি ভাৰত আৰু ৰাছিয়াৰ মাজৰ মৈত্ৰীৰ স্বৰূপ আৰু ৰাষ্ট্ৰপ্ৰধান দুগৰাকীৰ মাজত হোৱা আলোচনাৰ বিষয় তথা আলোচনাৰ ফলাফলসমূহৰ বিশদ বিৱৰণ লিপিবদ্ধ কৰা হয়। ঘোষণাপত্ৰখন লগে লগে ৰাজহুৱাও কৰা হৈছে। 'ভাৰত-ৰাছিয়া-শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ কাৰণে অংশীদাৰিত্ব' শীৰ্ষক ঘোষণা পত্ৰখনত দুয়োখন দেশে পাৰস্পৰিক বন্ধুত্ব আৰু 'ষ্ট্ৰেটেজিক পাৰ্টনাৰশ্বিপ' অধিক শক্তিশালী কৰাৰ নিমিত্তে গ্ৰহণ কৰা পদক্ষেপসমূহৰ কথাও বিশদভাৱে বৰ্ণনা কৰা আছে। ঘোষণা পত্ৰখনত মোদীৰ 'মেক ইন ইণ্ডিয়া' শ্ল'গানেও ঠাই পায়। ইয়াৰ অধীনত ৰাছিয়াই ভাৰতক আগতে যোগান ধৰা সামৰিক অস্ত্ৰৰ স্পেয়াৰ পাৰ্টছ প্ৰস্তুত কৰাৰ বাবে ৰাছিয়াৰ সহায়ত ভাৰতত কাৰখানা স্থাপন কৰাৰ ব্যৱস্থা কৰা হৈছে। উল্লেখ্য যে, ৰাছিয়াই ভাৰতক আগতে যোগান ধৰা এ-কে ২০৩ ৰাইফল এতিয়া ভাৰততে প্ৰস্তুত কৰাৰ বাবে ৰাছিয়াৰ টেকনিকেল সহযোগত উত্তৰ প্ৰদেশৰ আমেথিত এটা কাৰখানা স্থাপন কৰা হ'ব। কাৰখানাটোত পাঁচ হেজাৰ কোটি টকা মূল্যৰ পাঁচ লাখ ৰাইফল প্ৰস্তুত কৰাৰ পৰিকল্পনা কৰা হৈছে। তদুপৰি ২০১৮তে ৰাছিয়াই ভাৰতক পাঁচ চেট এছ-৪০০ নামৰ অতি আধুনিক এয়াৰ সুৰক্ষা ব্যৱস্থা যোগান ধৰিবলৈ চুক্তিবদ্ধ হৈছিল। বৰ্তমানৰ আলোচনা অনুযায়ী অনতিপলমে ইয়াৰ যোগান আৰম্ভ কৰি তাক পৰ্যায়ক্ৰমে কাৰ্যক্ষম কৰা হ'ব। উল্লেখ্য যে, বহুদিন আগতেই প্ৰতিৰক্ষাৰ ক্ষেত্ৰত ভাৰত আৰু ৰাছিয়াৰ মাজত 'ষ্ট্ৰেটেজিক' সম্পৰ্ক গঢ়ি উঠিছিল । ভাৰতে বিভিন্ন দেশৰ পৰা প্ৰতিৰক্ষা সামগ্ৰী ক্ৰয় কৰে যদিও ইয়াৰ ৫০ শতাংশৰো অধিক ৰাছিয়াৰ পৰা অনা। এসময়ত ভাৰতে নিজৰ প্ৰয়োজনীয় সামৰিক সামগ্ৰীৰ প্ৰায় ৭০ শতাংশ ৰাছিয়াৰ পৰা আমদানি কৰিছিল। মোদী চৰকাৰৰ 'আত্ম-নিৰ্ভৰ' আৰু 'মেক ইন ইণ্ডিয়া' নীতি প্ৰতিৰক্ষা বিভাগতো প্ৰয়োগ কৰাৰ বাবে আন দেশৰ কাৰিকৰী সহায়ত অনেক সামৰিক সামগ্ৰী এতিয়া আমাৰ দেশতে প্ৰস্তুত কৰিবলৈ লোৱা হৈছে। সামৰিক সামগ্ৰীৰ ৰপ্তানিৰ ক্ষেত্ৰতো ভাৰতবৰ্ষই যথেষ্ট অগ্ৰগতি লাভ কৰিছে। এক অসমৰ্থিত তথ্যৰ মতে ২০১৪ত ভাৰতবৰ্ষই প্ৰায় ২০০০ কোটি টকা মূল্যৰ সামৰিক সা-সঁজুলি আন আন দেশলৈ ৰপ্তানি কৰাৰ বিপৰীতে যোৱা দুবছৰত প্ৰায় ১৭,০০০ কোটি টকা মূল্যৰ সামগ্ৰী ৰপ্তানি কৰিছে আৰু অহা পাঁচ বছৰত তাক পাঁচ বিলিয়ন ডলাৰ বা ৩৫০০০ কৌটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য ধাৰ্য কৰিছে। গৌৰৱৰ বিষয় এয়ে যে বৰ্তমান আমাৰ দেশে ৪২ খন দেশলৈ সামৰিক সামগ্ৰী ৰপ্তানি কৰে। ইতিমধ্যে ৰাছিয়াৰ সামৰিক কাৰিকৰী সহযোগত দুয়োখন দেশে সামৰিক সা-সঁজুলি, যন্ত্ৰ-পাতি আদি যুটীয়াভাৱে উদ্ভাৱন আৰু উৎপাদন কৰাৰ বাবে চুক্তিবদ্ধ হৈছে ।

শীৰ্ষ সন্মিলনখন অনুষ্ঠিত হোৱাৰ দিনাই ৰাছিয়াৰ বৈদেশিক মন্ত্ৰী চাৰ্গে লাভলভ আৰু ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰৰ মাজত আৰু ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী চাৰ্গে শ্বইগু আৰু ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ মাজতো আলোচনা অনুষ্ঠিত হয়। ২+২ আলোচনা হিচাপে চিহ্নিত এই আলোচনা যোৱা বছৰ আৰম্ভ কৰা হৈছিল, যাতে ৰাষ্ট্ৰ-প্ৰধানদ্বয়ৰ মাজত শীৰ্ষ সন্মিলন অনুষ্ঠিত হোৱাৰ আগতে দুয়োখন দেশে সংশ্লিষ্ট বিষয়সমূহৰ ওপৰত বিতংকৈ আলোচনা কৰি উচ্চতম পৰ্যায়ত চূড়ান্ত সিদ্ধান্ত লোৱাৰ পথ প্ৰশস্ত কৰি তোলে। ছয় ডিচেম্বৰত অনুষ্ঠিত হোৱা ২+২ শৃঙ্খলাৰ প্ৰথমখন সন্মিলনত যোগদান কৰিবলৈ ৰাছিয়াৰ উক্ত মন্ত্ৰীদ্বয় ছয় ডিচেম্বৰত নতুন দিল্লীলৈ আহিছিল ।

শীৰ্ষ সন্মিলন আৰু ২+২ সন্মিলনৰ অন্তত ছয় ডিচেম্বৰত দুয়োখন দেশৰ মাজত ২৮ খন দ্বিপাক্ষিক চুক্তি সম্পন্ন কৰা হয়। ভাৰতক হাইড্ৰো-কাৰ্বন, এল.এন.জি, খাৰুৱা তেল, তীখা উদ্যোগৰ বাবে কোকিং কোল আদি যোগান ধৰিবলৈকো ৰাছিয়া সন্মত হয়। তদুপৰি বৰ্তমান দুয়োখন দেশৰ মাজত হোৱা প্ৰায় ১০ বিলিয়ন ডলাৰ মূল্যৰ বাণিজ্য ২০২৫ৰ ভিতৰত ৩০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। মুঠৰ ওপৰত দুয়ো গৰাকী নেতাৰ মাজত দেশ দুখনৰ মাজৰ পাৰস্পৰিক সহযোগিতা আৰু 'ষ্ট্ৰেটেজিক পাৰ্টনাৰশ্বিপ' শক্তিশালী কৰাৰ বিষয়ৰ উপৰি পৃথিৱীৰ বিভিন্ন অঞ্চলত ঘটি থকা ঘটনাসমূহে সৃষ্টি কৰা গোলকীয় সমস্যাসমূহৰ ওপৰতো আলোচনা অনুষ্ঠিত হয়। দুয়োখন দেশে সন্ত্ৰাসবাদ, 'ড্ৰাগছ ট্ৰেফিকিং' আৰু সংগঠিত অপৰাধৰ ওপৰত একে ধৰণৰ মত পোষণ আৰু স্থিতি প্ৰকাশ কৰে ।

ইয়াৰ আগৰ শীৰ্ষ সন্মিলনখন ৰাছিয়াৰ ভ্লাডিভস্তকত ২০১৯ত অনুষ্ঠিত হৈ হৈছিল। তাত আমাৰ প্ৰধানমন্ত্ৰীয়ে যোগদান কৰিছিল। লগতে তেওঁ 'ইষ্টাৰ্ণ ইকনমিক ফ'ৰাম'ত মুখ্য অতিথি হিচাপেও যোগদান কৰিছিল। অতিমাৰীৰ কাৰণে ২০২০ত হ'ব লগা শীৰ্ষ সন্মিলনখন অনুষ্ঠিত নহ'ল ।

পুটিন আৰু মোদীৰ মাজত হোৱা আলোচনাই আন্তৰ্জাতিক পৰ্যায়ত বিশেষ তাৎপৰ্য বহন কৰিছে। বৰ্তমানৰ গোলকীয় ৰাজনীতিৰ তৰল আৰু জটিল পৰিৱেশত যিকোনো দুখন ৰাষ্ট্ৰৰ মাজৰ দ্বিপাক্ষিক অথবা বিশেষ ৰাষ্ট্ৰ-সমষ্টিৰ মাজত হোৱা বহুপাক্ষিক আলোচনা আন ৰাষ্ট্ৰই সহজভাৱে গ্ৰহণ নকৰে ।

ভাৰতৰ লগত সম্পৰ্ক থকা আঞ্চলিক বিষয় হিচাপে পুটিন আৰু মোদীৰ মাজত আফগানিস্তান সম্পৰ্কেও আলোচনা হৈছিল; কিন্তু ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ বিবাদমান সম্পৰ্ক সম্বন্ধে তেওঁলোকৰ মাজত আলোচনা হৈছিল নে নাই সেই বিষয়ে জনা নাযায়। ইউক্ৰেইনে অভিযোগ কৰিছে যে ইউক্ৰেইনক আক্ৰমণ কৰাৰ অভিপ্ৰায়েৰে ৰাছিয়াই সীমান্তত প্ৰচুৰ সেনা মোতায়েন কৰিছে। মোদীৰ লগত আলোচনা কৰাৰ পিছদিনাই ভাৰ্চুৱেল সন্মিলনৰ যোগেদি আমেৰিকাৰ ৰাষ্ট্ৰপতি বিদেনে পুটিনক ইউক্ৰেইনৰ ওপৰত আক্ৰমণ কৰাৰ পৰা বিৰত থাকিবলৈ সকীয়াই দিয়ে। যোৱা ১১ ডিচেম্বৰত জি-৭ গোটৰ সদস্য ৰাষ্ট্ৰ সাতখন ক্ৰমে— ইউনাইটেড কিংডম, আমেৰিকা, ফ্ৰান্স, ইটালী, জাৰ্মানী, জাপান আৰু কানাডাৰ মাজত হোৱা আলোচনাত ইউক্ৰেইনৰ ওপৰত ৰাছিয়াৰ সম্ভাব্য আক্ৰমণৰ বিৰুদ্ধে সন্মিলিতভাৱে থিয় দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইউৰোপিয়ান ইউনিয়নেও যোৱা ১০ ডিচেম্বৰত ৰাছিয়াক সতৰ্ক কৰি দিয়ে যে ৰাছিয়াই যদি ইউক্ৰেইন আক্ৰমণ কৰে, তেন্তে তাৰ বিষম ফলাফলৰ বাবে ৰাছিয়া সাজু হ'ব লাগিব। আনহাতে ৰাছিয়াই ইউক্ৰেইনৰ সীমাত সেনা মোতায়েন কৰাটো অস্বীকাৰ কৰিছে। ৰাছিয়া আৰু ইউক্ৰেইনৰ সীমাত প্ৰকৃততে কি ঘটিছে, সেই কথা স্পষ্ট নহয় ; কিন্তু বিষয়টোক লৈ ৰাছিয়াৰ বিশ্বৰ কে'বাখনো উন্নত দেশৰ লগত শত্ৰুতাৰ সৃষ্টি তথা বৃদ্ধি হৈছে । এনে এটা পৰিস্থিতিৰ মাজত পুটিনৰ ভাৰত ভ্ৰমণে বিশেষ তাৎপৰ্য লাভ কৰিছে।

যি কি নহওক, ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিন আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী মোদীৰ মাজত হোৱা শীৰ্ষ সন্মিলনখন সুকলমে অনুষ্ঠিত হৈ যায় আৰু ইয়াৰ বাবে দুয়ো পক্ষই সন্তুষ্টি ব্যক্ত কৰে। সন্মিলনৰ অন্তত পুটিনে ৰাজহুৱাভাৱে ভাৰতবৰ্ষক প্ৰশংসা কৰি কয় যে ভাৰতবৰ্ষ এক বৃহৎ শক্তি, এখন বন্ধুত্বপূৰ্ণ ৰাষ্ট্ৰ আৰু এক সময়-পৰীক্ষিত বন্ধু ।

পুটিনে ভাৰতক 'এক বৃহৎ শক্তি' হিচাপে অভিহিত কৰা কথাটোৰ পৰা আশ্বস্ত হ'ব পাৰি যে ভাৰতৰ ক্ৰমবৰ্ধমান বৰ্ধিত শক্তি আন্তৰ্জাতিক পৰ্যায়ত বাৰুকৈয়ে স্বীকৃতি লাভ কৰিবলৈ লৈছে। ই ভাৰতৰ কাৰণে নিশ্চয় গৌৰৱৰ কথা। ৰাষ্ট্ৰীয় ঘৰুৱা উৎপাদনৰ ভিত্তিত ২০১৯ত ভাৰতৰ অৰ্থনীতিয়ে ইউনাইটেড কিংডম আৰু ফ্ৰান্সক পিছ পেলাই বিশ্বত পঞ্চম স্থান লাভ কৰিবলৈ সক্ষম হয় । সেই বছৰৰ ২.৯৪ ট্ৰিলিয়ন ডলাৰ মূল্যৰ ঘৰুৱা উৎপাদন ভাৰতবৰ্ষই ২০২৪-২৫ৰ ভিতৰত পাঁচ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য ধাৰ্য কৰিছে । সেই লক্ষ্যত উপনীত হ'ব পাৰিলে আন্তৰ্জাতিক দৃশ্যপটত ভাৰতৰ স্থান নিশ্চয়

**পুটিন আৰু মোদীৰ মাজত হোৱা আলোচনাই আন্তৰ্জাতিক পৰ্যায়ত বিশেষ তাৎপৰ্য বহন কৰিছে। বৰ্তমানৰ গোলকীয় ৰাজনীতিৰ তৰল আৰু জটিল পৰিৱেশত যিকোনো দুখন ৰাষ্ট্ৰৰ মাজৰ দ্বিপাক্ষিক অথবা বিশেষ ৰাষ্ট্ৰ-সমষ্টিৰ মাজত হোৱা বহুপাক্ষিক আলোচনা আন ৰাষ্ট্ৰই সহজভাৱে গ্ৰহণ নকৰে**

আৰু অধিক উন্নত হ'ব ।

পুটিনে ভাৰতক 'বন্ধুত্বপূৰ্ণ ৰাষ্ট্ৰ' হিচাপে অভিহিত কৰি বিশ্বৰ সন্মুখত আমাৰ দেশখনক প্ৰকৃত পৰিচয়েৰে পৰিচয় কৰি দিয়া বুলি ক'ব পাৰি। ভাৰতবৰ্ষ যে এখন বন্ধুত্বপূৰ্ণ ৰাষ্ট্ৰ সেই কথা সকলোৱে জানে। আমাৰ চিৰবৈৰী প্ৰতিবেশী ৰাষ্ট্ৰ পাকিস্তানকে ধৰি পৃথিৱীৰ প্ৰতিখন দেশৰ প্ৰতি ভাৰতবৰ্ষই বন্ধুত্বপূৰ্ণ আচৰণ প্ৰদৰ্শন কৰি আহিছে। গতিকে পুটিনৰ মতামতৰ বাবে ভাৰতবাসী আনন্দিত হোৱাৰে কথা ।

ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতক এক সময়-পৰীক্ষিত বন্ধু হিচাপে অভিহিত কৰিছে। ইয়াত অকণো সন্দেহৰ অবকাশ নাই যে ভাৰত আৰু ৰাছিয়াৰ মাজৰ বন্ধুত্ব সময়-পৰীক্ষিত । ভাৰতে কোনোদিনে কোনো ৰাষ্ট্ৰৰ বা ৰাষ্ট্ৰ-গোটৰ প্ৰতি অহৈতুকী আনুগত্য প্ৰকাশ কৰা নাই। আন্তৰ্জাতিক সমস্যাসমূহত ভাৰতবৰ্ষই সদায় নিজে নিজৰ বিবেক-বুদ্ধি আৰু প্ৰতিটো বিষয়ৰ নিজৰ যোগ্যতা তথা মূল্য অনুযায়ী স্বাধীনভাৱে স্থিতি গ্ৰহণ কৰি আহিছে। আনকি শীতল যুদ্ধৰ সময়তো ভাৰতবৰ্ষই কোনো ৰাষ্ট্ৰ-গোটৰ পক্ষ লোৱা নাছিল; বৰঞ্চ গোষ্ঠী-নিৰপেক্ষ আন্দোলনৰ নেতৃত্ব লোৱাৰ লগতে নিৰস্ত্ৰকৰণৰো পৃষ্ঠপোষকতা কৰিছিল । শীতল যুদ্ধৰ সময়ত ভাৰতে ছোভিয়েট ৰাছিয়াৰ পক্ষ নোলোৱাৰ বাবে অথবা আন্তৰ্জাতিক প্ৰতিটো বিষয়ত ভাৰতে ৰাছিয়াৰ স্থিতিক সমৰ্থন নকৰাৰ বাবে ভাৰত-ৰাছিয়াৰ মাজৰ মৈত্ৰীত কোনো ধৰণৰ খুঁতৰ সৃষ্টি হোৱা নাছিল। সদায়েই দুয়োখন দেশৰ মাজৰ বন্ধুত্ব সমানেই মধুৰ হৈ থকা নাছিল যদিও দুয়োখন দেশৰ মাজত কোনোদিনে বৈৰী ভাৱৰো সৃষ্টি হোৱা নাছিল; বৰঞ্চ বন্ধুত্বৰ এনাজৰী অক্ষুণ্ণ আছিল। এই বন্ধুত্ব নতুন নহয়; ই যোৱা সাত দশক জোৰা বন্ধুত্ব। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত ঔপনিবেশিক ৰাজত্বই বিধ্বস্ত কৰা দেশখন পুনৰ-নিৰ্মাণ কৰাৰ বাবে সহায়ৰ হাত আগবঢ়াবলৈ পশ্চিমীয়া দেশসমূহে পিছুৱাই যোৱাৰ সময়তে ৰাছিয়াই ভিলাই আৰু বোকাৰোত তীখা উদ্যোগ স্থাপন কৰাৰ বাবে কাৰিকৰী আৰু আৰ্থিক সাহায্য আগবঢ়াইছিল। ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু আৰু ছোভিয়েত ৰাছিয়াৰ কমিউনিষ্ট পাৰ্টীৰ প্ৰথম-প্ৰধান সচিব তথা প্ৰধানমন্ত্ৰী নিকিটা খ্ৰুছেভৰ মাজত ব্যক্তিগতভাৱে মধুৰ সম্পৰ্ক আছিল। ১৯৫৫-ৰ জুনত নেহৰুৱে ৰাছিয়া ভ্ৰমণ কৰিছিল। সেই একে বছৰতে খ্ৰুছেভো ভাৰতলৈ আহিছিল। উল্লেখ্য যে, ৰাছিয়াৰ সমাজতান্ত্ৰিক আৰ্হিৰে ভাৰতত 'ছ'চিয়েলিষ্টিক পেটাৰ্ণ অব ছ'চাইটি' গ্ৰহণ কৰা হৈছিল। তদুপৰি ৰাছিয়াৰ প্ৰখ্যাত নেতা ষ্টেলিনৰ পৰিকল্পনা-প্ৰণালীৰ আধাৰত ভাৰতত পাঁচ বছৰেকীয়া পৰিকল্পনাৰ ব্যৱস্থা কৰা হৈছিল। গতিকে দেখা যায় যে সাত দশকজোৰা ভাৰত-ৰাছিয়াৰ মাজৰ বন্ধুত্ব সঁচাকৈয়ে সময়-পৰীক্ষিত বা টাইম-টেষ্টেড। ইয়াৰ বাবে আৰু পুটিনৰ এনে মন্তব্যৰ বাবে ভাৰতবাসী আনন্দিত হোৱাৰ থল আছে ।

ওপৰত উল্লেখ কৰা ৯৯ দফীয়া 'ভাৰত-ৰাছিয়া-শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ কাৰণে অংশীদাৰিত্ব' ঘোষণা পত্ৰ আৰু দুয়োখন দেশৰ মাজত স্বাক্ষৰ হোৱা চুক্তিসমূহৰ অধীনত দেশখনৰ যি হিত সাধন হ'ব তাৰ ভাগ অসমেও পোৱা উচিত। মোদীজীৰ 'মেক ইন ইণ্ডিয়া' নীতিৰ আধাৰত আৰু ৰাছিয়াৰ কাৰিকৰী সহযোগত দুয়োখন দেশে সামৰিক সা-সঁজুলি, যন্ত্ৰপাতি আদি যুটীয়াভাৱে উদ্ভাৱন আৰু উৎপাদন কৰাৰ বাবে স্বাক্ষৰ কৰা চুক্তিৰ আধাৰত ভাৰতত নতুন নতুন কাৰখানা স্থাপন কৰাৰ সম্ভাৱনীয়তাৰ সৃষ্টি হৈছে। তেনে কাৰখানাৰ কেইটামান অসমতো স্থাপন কৰি অসমৰ ঔদ্যোগিক ক্ষেত্ৰত উন্নতি সাধন কৰাৰ কথা চিন্তা কৰিব নোৱাৰিনে? বিষয়টোৰ ওপৰত অসমৰ প্ৰগতিশীল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু জাতীয় সংগঠনসমূহে চিন্তা-চৰ্চা কৰিব বুলি আশা কৰিলো।

*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

# অভিজ্ঞতাই জীৱনৰ পাৰদৰ্শিতা আনে

## কিছুমান কাম আমি দেখি শিকো আৰু কিছুমান ঠেকি শিকো। দেখি শিকাতকৈ ঠেকি শিকা অভিজ্ঞতাই আমাক বিষয়বস্তুৰ ওপৰত পুংখানুপুংখভাৱে জ্ঞান দিয়ে। নিখুঁত জ্ঞানৰ পৰা পোৱা অভিজ্ঞতাই ভৱিষ্যতৰ পথ সুচল কৰি তোলাত সহায়ক হয়

**জীৱন** পথত ভিন্ন অভিজ্ঞতাৰ মাজেদি আমি ভৱিষ্যতৰ বাট বুলো। জীৱনৰ প্ৰতিটো স্তৰৰ অভিজ্ঞতাৰ মাপকাঠী ভিন্ন ধৰণৰ। অভিজ্ঞতাৰ পৰাই মনুষ্যত্বৰ জ্ঞান বৃদ্ধি হয়। বৰ্ধিত বয়সৰ লগে লগে আমাৰ মন নতুন নতুন দিশত অভিজ্ঞতাৰে পৰিপূৰ্ণ হৈ উঠে। জীৱন বাটত লাভ কৰা যৎকিঞ্চিৎ অভিজ্ঞতা প্ৰয়োগেৰে জীৱনটো আমি মনৰ প্ৰাপ্তিৰে পৰিপূৰ্ণ কৰিবলৈ প্ৰয়াস কৰো। মানুহ জীৱশ্ৰেষ্ঠ হ'লেও দেৱতা নহয়, ভুলে-শুদ্ধয়েহে এজন মানুহ। পৰিস্থিতি সাপেক্ষে জীৱনত সন্মুখীন হোৱা ভাল-বেয়া দুয়োটা দিশেই আমাক অভিজ্ঞ কৰি তোলে। উচিত সময়ত সেই অভিজ্ঞতা প্ৰয়োগ কৰি আমি জীৱনৰ প্ৰকৃত অৰ্থ অনুধাৱন কৰিব পাৰো। এই পৃথিৱীত কঠিন বুলি একো নাই, আত্মবিশ্বাস আৰু সাহসেৰে মন মেলিলে যিমান কঠিন কাম হ'লেও দীৰ্ঘদিনীয়া অভিজ্ঞতাই সেই কাম অতি সহজ কৰি তোলে।

গভীৰ নিদ্ৰাত থকা সময়খিনিৰ বাদে মনুষ্যৰ মন-মগজু নানা ধৰণৰ ভাৱত সক্ৰিয় হৈ থাকে। আমি যিমানেই ব্যস্ত নাথাকো নজনাকৈয়ে কিছুমান চিন্তাৰ উদ্ৰেকে আমাৰ অৱচেতন মনত অনবৰতে ক্ৰিয়া কৰি থাকে। ইয়াৰ ফলশ্ৰুতিতে নিত্য-নতুন বিষয়বস্তুৰ ওপৰত অনুসন্ধিৎসু মনবোৰে নতুন নতুন তথ্য জানিবলৈ উদগ্ৰীৱ হয়। নিত্যনতুন তথ্য শিকাৰ তাড়নাত জটিলতাৰ মাজতো জ্ঞানৰ সন্ধান কৰাটোৱেই জীৱশ্ৰেষ্ঠ মানুহৰ স্বভাৱগত বৈশিষ্ট্য। অভিজ্ঞতা আৰু শিক্ষা দুয়োটা এটা আনটোৰ পৰিপূৰক। এই দুয়োটা গুণ সমানে আয়ত্ত কৰিব পাৰিলে অসম্ভৱো সম্ভৱ হৈ উঠে। এজন ব্যক্তি শিক্ষিত হোৱাৰ উপৰি নিৰ্দিষ্ট বিষয়বস্তুৰ ওপৰত অভিজ্ঞতা থকাটো বাঞ্ছনীয়। অগাধ ধন-প্ৰাচুৰ্যৰ অধিকাৰী এজন ব্যক্তিয়েও বহু সময়ত অনভিজ্ঞতাৰ বাবেই বহু ক্ষেত্ৰত পিছ পৰি

অৱলোকন



**চাইৰা ইছলাম বড়া**

থাকিবলগীয়া হয়। তাৰ তুলনাত এজন অশিক্ষিত দৰিদ্ৰ লোকেও দীৰ্ঘদিনীয়া অভিজ্ঞতাৰে পৰিপুষ্ট হৈ একনিষ্ঠ সংগ্ৰাম, একাগ্ৰতা আৰু শুদ্ধ অনুশীলনৰ ফলত বাণিজ্যিক ক্ষেত্ৰৰ উপৰি আন বহু দিশত উন্নতি সাধন কৰাৰ সমানে সুনাম অৰ্জন কৰিবলৈও সক্ষম হয়। ভিন্ন ক্ষেত্ৰত এনে ধৰণৰ সফল ব্যক্তি বিশেষৰ বহুতো উদাহৰণ আছে। জীৱন কালত পূৰ্বতে কৰি অহা ভুলৰ যন্ত্ৰণাদায়ক অভিজ্ঞতাই আমাক সেই ভুলবোৰৰ পুনৰাবৃত্তি কৰাৰ পৰা আঁতৰাই ৰাখে। অনাকাংক্ষিত সময়ৰ কঠিন বাস্তৱৰ ৰূঢ় অভিজ্ঞতাই আমাক বাৰুকৈয়ে জীৱনৰ পাঠ পঢ়ায়। ঠিক সেইদৰে ক'ভিডসৃষ্ট পৰিৱেশেও কাহানিও নভবা স্বাস্থ্যসন্মত নিয়মাৱলীৰ গুৰুত্বপূৰ্ণ দিশবোৰ দৈনন্দিন আমাৰ অভ্যাসত পৰিণত কৰিবলৈ বাধ্য কৰোৱালে। যোৱা দুটা বছৰে ক'ভিড মহামাৰীয়ে দেখুৱাই যোৱা বাস্তৱ অভিজ্ঞতাৰ ভয়ংকৰ দিশটোৱে অত্যধিক কৰ্মব্যস্ততাৰ মাজতো মানৱজাতিক নিজৰ স্বাস্থ্যৰ পক্ষে অধিক সজাগ সচেতন হ'বলৈ জীৱন কাললৈ শিক্ষা দি গ'ল।

মানৱ জীৱনৰ আৰম্ভণিৰ পৰাই মনত থিতাপি লয় যিকোনো বিষয়ৰ ওপৰত ৰহস্য ভেদ কৰাৰ কৌতূহল। বৰ্ধিত বয়সৰ লগে লগে সময়ৰ অগ্ৰগতিত আমি বিভিন্ন পৰিস্থিতিত উদ্ভৱ হোৱা সৰু সৰু কামবোৰৰ পৰাও নজনাখিনি জানিবলৈ উৎসুক হৈ পৰো। এনেদৰেই অজানিতে ভিন্ন বিষয়ৰ ওপৰত নতুন নতুন জ্ঞান আহৰণ হয়। দীৰ্ঘদিনীয়া অভ্যাসত পৰিণত হোৱা সেই জ্ঞানৰ উৎসৰ পৰাই এদিন অভিজ্ঞতাৰে পৰিপুষ্ট হৈ উঠে চালুকীয়া মনবোৰ। জ্ঞানৰ জৰিয়তে আমি নানান বিষয়ৰ ওপৰত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হও।

জীৱনৰ এটা এটা দিন নিত্য-নতুন অভিজ্ঞতাৰ সন্মুখীন হওঁ আমি। ইয়াৰে কিছুমান পাহৰিব নোৱাৰা অভিজ্ঞতা সংহাৰী ৰূপত আমাৰ মনত ৰৈ যায়। যিকোনো বিষয়ৰ ওপৰত অৰ্জন কৰা অভিজ্ঞতাই জীৱনৰ বাটকটীয়া ৰূপত সন্মুখৰ পথ সহজ কৰি তোলে। দৈনন্দিন অভ্যাসত পৰিণত হোৱা কামবোৰেই এদিন অভিজ্ঞতাৰে পৰিপুষ্ট হৈ উঠে। মানুহ মাত্ৰেই পৰিস্থিতিৰ দাস, বহুক্ষেত্ৰত কম বয়সতে কঠিন পৰিস্থিতিৰ পৰাও বিৰল অভিজ্ঞতা হয়। সময়ে আমাক শিকোৱা ভাল-বেয়া দুটা দিশৰ অভিজ্ঞতাৰে জীৱনৰ খুঁটি-নাতিবোৰ নিচেই কাষৰ পৰা চোৱাত সহায়ক হয়।



ওৰেটো জীৱন অভিজ্ঞতাৰ লেছেৰি বুটলি মনৰ কৰণিত সাঁচি থোৱা অনুভৱৰ টুকুৰা ছবিবোৰ বাস্তৱ অভিজ্ঞতাৰে বীজৰ অংকুৰিত হয়। অনুভৱী মনবোৰে সন্ধান কৰে সৃষ্টিৰ আঁৰৰ গোপন ৰহস্য। মানৱ জীৱনটোৱেই জ্ঞানৰ সমষ্টি, জীৱনৰ শেষ সময়লৈকে শিকাৰ অন্ত নাই।

কামৰ কোনো সৰু-বৰ নাই, সৰু ডাঙৰ যি কামেই নহওক, উপযুক্ত অভিজ্ঞতা অবিহনে নিয়াৰিকৈ কৰিব নোৱাৰি। কিছুমান কাম আমি দেখি শিকো আৰু কিছুমান ঠেকি শিকো। দেখি শিকাতকৈ ঠেকি শিকা অভিজ্ঞতাই আমাক বিষয়বস্তুৰ ওপৰত পুংখানুপুংখভাৱে জ্ঞান দিয়ে। নিখুঁত জ্ঞানৰ পৰা পোৱা অভিজ্ঞতাই ভৱিষ্যতৰ পথ সুচল কৰি তোলাত সহায়ক হয়। শিশুসকলে চালুকীয়া বয়সৰ পৰাই পৰিয়ালৰ জ্যেষ্ঠসকলক অনুকৰণ কৰাত তেওঁলোকৰ মন-মগজুত পৰিয়ালৰ লোকসকলৰ কাৰ্যকলাপে প্ৰভাৱ বিস্তাৰ কৰে। সেয়ে বেছিভাগ লোকেই পূৰ্বপুৰুষসকলৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ একেখন কৰ্মক্ষেত্ৰকে ভৱিষ্যতৰ কৰ্মপন্থা হিচাপে বাছনি কৰা পৰিলক্ষিত হয়। একেটা বিষয়ৰ ওপৰত পৰিয়ালৰ সূত্ৰে পোৱা নিত্য-নতুন অভিজ্ঞতাই তেওঁলোকৰ কৰ্মক্ষেত্ৰখনো বহুখিনি সুচল কৰি তোলে। জন্মক্ষণৰ পৰাই এটি শিশুৰ ঘৰখনৰ পৰিৱেশৰ স'তে নিবিড় সম্পৰ্ক গঢ়ি উঠাৰ বাবে জ্যেষ্ঠসকলৰ পেছাদাৰী বৃত্তিৰ স'তেও একাত্মভাৱে সাঙোৰ খাই পৰে। ক্ৰমান্বয়ে সেই পেছাই তেওঁলোকৰ মনত বংশানুক্ৰমিকভাৱে প্ৰভাৱ বিস্তাৰ কৰে। অভিনয়, সাংগীতিক, সাহিত্যিক, খেলুৱৈ, ব্যৱসায়-বাণিজ্য, ৰাজনীতি নতুবা চাকৰিয়াল আদি লোকসকলৰ ভিন্ন ক্ষেত্ৰৰ সন্তানে পূৰ্বপুৰুষে দেখুৱাই অহা কৰ্মসংস্কৃতিৰ প্ৰতি স্বাভাৱিকতেই আকৰ্ষিত হৈ পৰে। সেইদৰে ইঞ্জিনীয়াৰৰ সন্তান ইঞ্জিনীয়াৰ, ডাক্তৰৰ সন্তান ডাক্তৰ, সাহিত্যিক, সাংবাদিক, অভিনেতা, গায়কসকলৰ সন্তানসকলৰ বেছিভাগেই অভিভাৱকৰ বাটেৰেই বাট বুলে। এজন ব্যক্তিয়ে লাভ কৰা সঠিক অভিজ্ঞতাৰ পৰাহে কোনো এটা দিশত সফলতাৰে উন্নতিৰ শিখৰত আৰোহণ কৰিব পাৰে। ধনৰ বলতকৈ অভিজ্ঞতাৰে পূৰ্ঠ মন এটাইহে সঠিক পথৰ সন্ধান দিব পাৰে। বহু অনভিজ্ঞ ব্যক্তিয়ে কেৱল মাত্ৰ মনৰ চখ পূৰাবলৈয়ে নিত্য-নতুন কাম হাতত তুলি লোৱাৰ ফলত বাৰে বাৰে অসফলতাৰ সন্মুখীন হ'ব লগা হয়। অনভিজ্ঞ লোকৰ পৰা পোৱা যিকোনো শিক্ষাই মানুহক বিপথে পৰিচালিত কৰি সৰ্বস্বান্ত কৰাৰো বহুতো উদাহৰণ আছে। সেয়ে আমি সঠিক সময়ত উপযুক্ত লোকৰ পৰাহে দিহা-পৰামৰ্শ লোৱা উচিত। দেশ চাই বেশ বুলি এষাৰ কথা আছে। আমি যি ঠাইৰ বায়ু-পানী খাই ডাঙৰ-দীঘল হ'লো সেই ঠাইৰ ৰীতি-নীতি, সংস্কৃতিৰ লগত অভ্যাসগতভাৱেই সাঙোৰ খাই পৰো, এই অভ্যাসবোৰত অজানিতে আমি অভ্যস্ত হৈ পৰো। সকলো ঠাইৰ কৃষ্টি-সংস্কৃতিৰ নিজাববীয়াকৈ কিছুমান নীতি-নিয়ম থাকে। বহু সময়ত অচিনাকি মানুহ এজনৰ অভ্যাসগত চাল-চলনেও তেওঁ থকা ঠাইখনৰ কৃষ্টি-সংস্কৃতিৰ আভাস দাঙি ধৰে।

ভাগ্যশালী লোকৰ জীৱনতহে উপযুক্ত সময়ত প্ৰকৃত অভিজ্ঞতা আহৰণ কৰাৰ সুবিধা আছে, অন্যথা জীৱনৰ জটিলতা বুজি পাওঁতেই প্ৰয়োজনীয় সময় উকলি যায়। অভিজ্ঞতাৰ পৰাই নিত্যনতুন সৃষ্টিৰ জোৱাৰ উঠে। বহু ক্ষেত্ৰত আমি বেয়া দিশটোৰ অভিজ্ঞতাৰ পৰা ইতিবাচক দিশটো বাছনি কৰাত সহজ হৈ পৰে। মানুহে জীৱনত কৰা ভুলৰ পৰা যিমান অভিজ্ঞতা ল'ব পাৰে, পৃথিৱীৰ কোনো পৰিৱেশৰ পৰা সেই শিক্ষা লাভ কৰিব নোৱাৰে। জীৱনৰ কঠিন সময়ে আমাক প্ৰতিটো দিনেই অভিজ্ঞ কৰি তোলাৰ লগতে অচিনাকি মানুহ এজনৰ চাল-চলন আৰু আচৰণৰ পৰা তেওঁৰ বিষয়ে সম্যক ধাৰণা ল'বলৈও জ্ঞান দিয়ে। মুঠতে যিকোনো বিষয়ত পাৰদৰ্শিতা দেখুৱাবলৈ উপযুক্ত অভিজ্ঞতাৰে নিজকে অভিজ্ঞ কৰি তোলাটো অতি জৰুৰী, নহ'লে পদে পদে উজুটি খোৱাৰ ভয় থাকে। জীৱন কালত আৰ্জিত ধন-প্ৰাচুৰ্যতকৈ জীৱনৰ ধূলিয়ৰি বাটত লাভ কৰা তিতা-মিঠা অভিজ্ঞতা আৰু স্মৃতিৰ অনুভৱবোৰহে একান্ত সংগীৰ দৰে আজীৱন থাকি যায়।

*ফোন ঃ ৯১০১৫১৭৮৪৭*

# জন্মদিনত কেক কটাতকৈ বৃক্ষৰোপণ এশগুণে শ্ৰেষ্ঠ ঃ ডাঃ গোস্বামী




অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১৫ ডিচেম্বৰ ঃ** 'আমি আমাৰ জন্মদিনত কেক কটাতকৈ বৃক্ষপুলি ৰোপণ কৰাটো শ্ৰেষ্ঠ কৰ্ম । এই কেক কটাবিলাক ব্ৰিটিছে আমাক দি যোৱা পৰম্পৰা। তাতকৈ উক্ত দিনটোত বৃক্ষৰোপণ কৰিলে নিজৰ লগতে দহৰ উপকাৰ হ'ব। 'দৰং জিলাৰ অন্যতম আগশাৰীৰ আৰু ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ 'ইউথ এণ্ড ইক' ক্লাবৰ উদ্যোগত জৈৱ-বৈচিত্ৰ্য বিষয়ৰ ওপৰত দুদিনীয়াকৈ ৰূপায়িত হোৱা বাৰ্ষিক কাৰ্যসূচীৰ স্বাস্থ্য সম্পকীয় সভাত কালি এইদৰে কয় যে দৰঙৰ জ্যেষ্ঠ মহকুমা স্বাস্থ্য বিষয়া (বিদ্যালয়-স্বাস্থ্য) ডাঃ ৰমেশ গোস্বামীয়ে। অধ্যক্ষ কমল প্ৰসাদ শৰ্মাই সভাপতিত্ব কৰা আৰু শিক্ষক কিশোৰ দাসে আঁতধৰা সভাৰ দুঘন্টাজোৰা ভাষণত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ, স্বাস্থ্য, জৈৱ বৈচিত্ৰ্য সম্পৰ্কে বহুমূলীয়া উপদেশ আগবঢ়াই কয় যে গচকত পৰা বাটৰ দূববিৰি বনেও দিয়ে সুস্বাস্থ্য বৰ্তাই ৰখাৰ বতৰা। ইয়াৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশৰ ওপৰত 'পোষ্টাৰ লিখন' প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাত প্ৰথম অংকিতা ডেকা, দ্বিতীয় মানসজ্যোতি ডেকা আৰু তৃতীয় স্থান লাভ কৰে বিৰাজ ডেকাই। ইয়াৰ পাছতে উলিওৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত হাতে-হাতে 'গছ, আমাৰ উশাহ', 'গছ থাকিলেহে মানুহ থাকিব', 'ছেভ ট্ৰী, ছেভ আৰ্থ', 'প্লেন্ট ট্ৰীজ, ছেভ প্লেনেট', 'গছ আমাৰ প্ৰাণ', 'সেউজী ধৰণী ধুনীয়া', 'সেউজীয়া বননি, সেউজীয়া ধৰণী', 'অ'মোৰ ধৰিত্ৰী আই' আদি শ্ল'গান সম্বলিত বেনাৰ-পোষ্টাৰেৰে ঔতলা অঞ্চলটো পৰিভ্ৰমণ কৰি পৰিৱেশ মুখৰিত কৰি তোলে। পাছত অনুষ্ঠিত হয় কুইজ, কবিতা আবৃত্তি আৰু গীত-নৃত্যৰ প্ৰতিযোগিতা। আনহাতে, কালি বিদ্যালয়ৰ সমগ্ৰ চৌহদ নিকাকৰণৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে গাঁৱে-গাঁৱে গৈ ৰম্য প্ৰকৃতিৰ মাজত লুকাই থকা জীৱ, উদ্ভিদ, শস্য-মৎস্য আদিৰ ফটোসহ তালিকা সংগ্ৰহ অভিযান চলাই এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি কৰে।

### ■ ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বাৰ্ষিক কাৰ্যসূচী ৰূপায়ণ

# বিনামূলীয়া চিলাই প্ৰশিক্ষণৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৫ ডিচেম্বৰ ঃ** নেহৰু যুৱ কেন্দ্ৰ বাগ্‌সা জিলাৰ উদ্যোগত আৰু আদৰণি মহিলা সমিতিৰ সহযোগত যোৱা ১২ ডিচেম্বৰত জালাহত তিনিমহীয়া বিনামূলীয়া কাটিং আৰু চিলাই প্ৰশিক্ষণ শিবিৰ এটিৰ উদ্বোধন কৰা হয়। স্থানীয় পূৱ বকুৰা সভাঘৰত উদ্বোধন কৰা অনুষ্ঠানটোত নিৰ্দিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে পূৱ বকুৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সিদ্ধেশ্বৰ দাস, সমাজসেৱক মোহন চন্দ্ৰ দাস, কাটিং আৰু চিলাই প্ৰশিক্ষক বিনু দাস, নেহৰু যুৱ কেন্দ্ৰৰ কৰ্মকৰ্তা গোলাপ নাথকে ধৰি পূৱ বকুৱা বীৰাংগনা ছ'চাইটিৰ সদস্যাসকলৰ লগতে স্থানীয় বহু লোক।

# মৰিয়নিৰ আৰক্ষী বিষয়াক বিদায় সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৫ ডিচেম্বৰ ঃ** মৰিয়নি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিদ্যুৎ দত্তক যোৱা ১২ ডিচেম্বৰত এক আড়ম্বৰপূৰ্ণ পৰিৱেশত বিদায় সম্বৰ্ধনা জনোৱা হয়। মৰিয়নি আৰক্ষী থানা চৌহদত অৱস্থিত গাঁওৰক্ষী বাহিনীৰ ভৱনত এই উপলক্ষে এক অনুষ্ঠানৰ আয়োজন কৰা হয়। আৰক্ষী থানাৰ প্ৰশান্ত বৰাই আঁত ধৰা অনুষ্ঠানত মৰিয়নিৰ বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী বিমান বৰবৰা, জ্যেষ্ঠ নাগৰিক ধীৰেন্দ্ৰ নাথ দত্ত, আৰক্ষী চক্ৰ পৰিদৰ্শক দণ্ডীৰাম বৰা, মৰিয়নি ক্ৰীড়া সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক দীপক দত্ত, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ মৰিয়নি আঞ্চলিক সমিতিৰ সম্পাদক ৰঞ্জিত গগৈ, সুৰেন তাঁতী আদিয়ে আৰক্ষী বিষয়াজনৰ কামৰ শলাগ লোৱাৰ লগতে সুস্বাস্থ্য কামনা কৰে। একেটা অনুষ্ঠানতে মৰিয়নি থানা নাগৰিক সমিতি, মৰিয়নি জ্যেষ্ঠ নাগৰিক সন্মিলন, যুৱ-ছাত্ৰ পৰিষদৰ মৰিয়নি আঞ্চলিক সমিতি, অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)ৰ মৰিয়নি আঞ্চলিক সমিতি, গাঁওৰক্ষী বাহিনী, আম্বেদকাৰ ক'লনী যুৱক সমাজ আদি বিভিন্ন অনুষ্ঠানৰ উপৰি মৰিয়নি পৌৰসভাৰ প্ৰাক্তন পৌৰপতি শম্ভু পাল,, কাটনি জিলা পৰিষদৰ সদস্য প্ৰদীপ দত্ত, যুৱ সমাজকৰ্মী ধৰ্মেন্দ্ৰ চেতিয়া, যুৱ সমাজকৰ্মী জিয়াউৰ ৰহমান, মহেশ্বৰ গোৱালা আদিয়েও আৰক্ষী বিষয়াজনক বিদায় সম্বৰ্ধনা জনায়।

# মৰণফান্দত পৰিণত মঙলদৈ মাজিকুছি পথ

### ■ পথৰ ওপৰতে বিদ্যুতৰ খুঁটা, কাণসাৰ নাই বিভাগীয় কৰ্তৃপক্ষৰ

বিশেষ সংবাদদাতা

**মঙলদৈ, ১৫ ডিচেম্বৰ ঃ** মঙলদৈ চহৰৰ নিকটৱৰ্তী মঙলদৈ মাজিকুছি পথ এতিয়া মৰণফান্দত পৰিণত হৈ পৰিছে। সম্প্ৰতি এই পথছোৱা নিৰ্মাণ কাৰ্য প্ৰায় সমাপ্ত হোৱাৰ উপক্ৰম হৈছে যদিও কাৰ গাফিলতিত পথৰ মাজত এপিডিচিএলৰ খুঁটাসমূহ পথৰ মাজত ৰাখি পথ নিৰ্মাণ কৰিলে সেই লৈ এতিয়া সচেতন মহলৰ মাজত চৰ্চা চলিছে। যাৰ ফলত দুৰ্ঘটনা হোৱাৰ পথ প্ৰস্তুত হৈ পৰিছে। ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে দুৰ্ঘটনা ৰোধ কৰাৰ বাবে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে যদিও ঠিকাদাৰে পথ নিৰ্মাণৰ সময়ত ব্যৱস্থা নোলোৱাৰ



বাবেই এতিয়া শীঘ্ৰেই ডাঙৰ দুৰ্ঘটনা হোৱাৰ আশংকা কৰিছে সচেতন ৰাইজে। প্ৰায় ২৩ কোটি টকাৰে নিৰ্মীয়মান পথটো বহল কৰাৰ বাবে ভেবাৰঘাটৰ পৰা হাউলী মোহনপুৰলৈ এই পথছোৱাত ঠায়ে ঠায়ে খুঁটাসমূহ পথৰ ওপৰত পৰাত এতিয়া চিন্তিত হৈ পৰিছে পথচাৰী আৰু দাঁতি কাষৰীয়া অঞ্চলৰ লোকসকল। খোদ মঙলদৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা ৰাজ্যিক মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাসৰ ঘৰলৈ যোৱা এই পথটোত থকা বিদ্যুতৰ খুঁটাসমূহক লৈ এতিয়া চিন্তিত হৈ পৰিছে সৰ্বসাধাৰণ।

### ■ বহু বাৰ আবেদন কৰিও গাঁওবাসীয়ে নাপালে সুফল ■ পাগলা নৈত প্ৰতিবছৰে গঞাই কৰে মেৰামতি

# ঢেকিয়াজুলিত বাঁহৰ সাঁকোৰে মৰণত শৰণ দি যাতায়াত



অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ১৫ ডিচেম্বৰ ঃ** ৰাজ্যৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে যোগাযোগ আৰু যাতায়াত সুচল কৰাৰ বাবে কেতবোৰ আঁচনি ৰূপায়ণ কৰিছে যদিও বহু অঞ্চলত সেই আঁচনিসমূহে ঢুকি পাবলৈ সক্ষম হোৱা নাই। ৰাজ্য চৰকাৰৰ মন্ত্ৰী অশোক সিংঘালৰ নিজ সমষ্টি ঢেকিয়াজুলি। উন্মোচিত হৈছে যাতায়াত আৰু যোগাযোগৰ এক শোচনীয় অৱস্থা। ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ গোহাঁই আলি অঞ্চলত বাঁহৰ সাঁকোত যাতায়াতৰ নামত নৰক যন্ত্ৰণাত ভুগিছে। পাগলা নৈৰ ওপৰত থকা বাঁহৰ সাঁকোত মৰণত শৰণ দি অঞ্চলটোৰ সাতখন গাঁৱৰ ৰাইজে বিপদসংকুল যাতায়াত কৰিবলগীয়া হৈছে বছৰ বছৰ ধৰি। গোহাঁই আলি গাঁৱত পাগলা নৈৰ ওপৰত থকা বাঁহৰ সাঁকোৰেদি নিতৌ শ শ লোকে মৰণত শৰণ দি বিপদসংকুল যাতায়াত অব্যাহত ৰাখিছে। আনহাতে, স্কুল-কলেজলৈ যোৱা ছাত্ৰ-ছাত্ৰীসকলেও কি বাৰিষা-খৰালি সকলো সময়তেই এই বাঁহৰ সাঁকোত বিপদসংকুলভাৱে ইপাৰ-সিপাৰ হৈ স্কুল-কলেজলৈ অহা-যোৱা কৰে। খৰালি কালত কোনো মতে কিন্তু বাৰিষা নৈৰ পানী বাঢ়িলে যথেষ্ট কষ্টেৰে এই দলংখন পাৰ হৈ স্কুল-কলেজলৈ যায় ছাত্ৰ-ছাত্ৰীসকলে। ইপিনে, ৰোগীক চিকিৎসালয়লৈ নিয়াৰ ক্ষেত্ৰতো সীমাহীন কষ্ট কৰিবলগীয়া হয়। উল্লেখ্য যে এই বাঁহৰ সাঁকোখন প্ৰতি বছৰেই গাঁওবাসীয়ে মেৰামতি কৰিব লগা হয়। বছৰ বছৰ ধৰি ইয়াৰ লোকসকলে যাতায়াতৰ নামত যমৰ-যাতনা ভোগ কৰি অহাৰ পাছতে পাগলা নৈৰ ওপৰত আজিও চৰকাৰে দলং নিৰ্মাণ নকৰিলে। বহু বাৰ আবেদন কৰিও গাঁওবাসীয়ে নাপালে সুফল। নিৰ্বাচন আহিলেই এই অঞ্চলটোত প্ৰতিটো ৰাজনৈতিক দলৰ নেতাই আহি দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে। কিন্তু নিৰ্বাচন পাৰ হোৱাৰ পাছত সকলো পাহৰি যায়। এই সন্দৰ্ভত স্থানীয় যুৱক বিকাশ বেদীয়াই বাঁহৰ সাঁকোত মৰণত শৰণ দি বছৰ বছৰ ধৰি বিপদসংকুল যাতায়াত কৰিবলগীয়া হোৱাৰ পাছতো কোনো এখন চৰকাৰে ইয়াত দলং নিৰ্মাণ কৰা নাই বুলি উল্লেখ কৰে। তেওঁলোকৰ দুখ-বেদনা জনপ্ৰতিনিধিসকলৰ বুজ লোৱাৰ সময় নহয় বুলি ক্ষোভ প্ৰকাশ কৰি এইবাৰ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখনলৈ দলং নিৰ্মাণৰ বাবে বহু আশাৰে বাট চাইছে গাঁওবাসীয়ে বুলি কয়। এই ক্ষেত্ৰত ঢেকিয়াজুলি সমষ্টিৰ বিধায়ক তথা ৰাজ্য চৰকাৰৰ মন্ত্ৰী অশোক সিংঘাললৈ বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে।

# শিৱসাগৰ বাণিজ্য মহাবিদ্যালয় মহিলা অধ্যয়ন কোষৰ কৰ্মশালা সম্পন্ন

বিশেষ সংবাদদাতা,

**শিৱসাগৰ, ১৫ ডিচেম্বৰ ঃ** শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন কোষৰ উদ্যোগত যোৱা ৮ ডিচেম্বৰৰ পৰা ১৪ ডিচেম্বৰলৈকে 'সংগীত' শীৰ্ষক এখনি কৰ্মশালা অনুষ্ঠিত হৈ যায়। এই উপলক্ষে কৰ্মশালাৰ আৰম্ভণি অনুষ্ঠানত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সৌমাৰজ্যোতি মহন্তই কয় যে সংস্কৃতিয়ে এখন সুস্থ সমাজ গঢ়াত সৱল ভূমিকা পালন কৰি আহিছে। সংস্কৃতি মানে কেৱল নাচ-গানেই নহয়, সংস্কৃতিয়ে মানুহৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, সংগীত আদি সকলো সামৰি এটা সংস্কাৰী মনৰ ব্যক্তিক জন্ম দিয়ে। গতিকে আনুষ্ঠানিক শিক্ষাৰ সমানেই এই সংস্কৃতি-সংগীতে আধুনিক যুগত সুস্থ ব্যক্তিত্ব গঢ়াত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। মহিলা অধ্যয়ন কোষৰ সম্পাদিকাৰ লগতে কৰ্মশালাটিৰ আয়োজক মৃণালী মহন্তই কয় যে ক'ভিডসৃষ্ট পৰিৱেশে আমাৰ ছাত্ৰ-ছাত্ৰীৰ জীৱনত বিভিন্ন ধৰণৰ মানসিক প্ৰতিবন্ধকতা সৃষ্টি কৰি আহিছে। গতিকে ছাত্ৰ-ছাত্ৰীসকলৰ সুস্থ মানসিক স্বাস্থ্য গঠন কৰাত এই সংগীত এক উত্তম আহিলা। সেয়েহে মহিলা অধ্যয়ন কোষে 'সংগীত'ৰ বিষয়ে এই কৰ্মশালাটি আয়োজন কৰে আৰু লোক-বাদ্য তথা গীতসমূহৰ সন্দৰ্ভত বেছি গুৰুত্ব আৰোপ কৰে। লোক-সংগীত, লোক-বাদ্যকে ধৰি সংগীতৰ বিভিন্ন দিশৰ সন্দৰ্ভত আয়োজন কৰা কৰ্মশালাটিত মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাটিত হৰেন্দ্ৰ গগৈ আৰু প্ৰতীম গগৈয়ে গীত-বাদ্যৰ প্ৰশিক্ষণ আগবঢ়ায়। ড০ দেৱজিৎ চহৰীয়া, ড০ ৰাতুল দত্ত, জোনটি পাটৰে উদ্বোধনী সভাত উপস্থিত থাকি কৰ্মশালাৰ সফলতা কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰে।

# ব্ৰাউন ছুগাৰসহ আটক তিনি হোজাইত

অগ্ৰদূত বাৰ্তা

**হোজাই, ১৫ ডিচেম্বৰ ঃ** হোজাইৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত চাবাজপুৰত কালি বৃহৎ পৰিমাণৰ ব্ৰাউন ছুগাৰসহ গ্ৰেপ্তাৰ হয় তিনিজন সৰবৰাহকাৰী। আৰক্ষীৰ এক গোপন সুত্ৰৰ ভিত্তিত মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিন্টু শৰ্মাই এএছ-২৫চিচি-৮৫৯৯ নম্বৰৰ টাটা ম'বাইল আৰু এনএল-০৭চিএ-৮৬৪৫ নম্বৰৰ চাৰিচকীয়া গ্লাঢ়া বাহনখনৰ পৰা জব্দ কৰে সাতটা চাবোনৰ কেচভৰ্তি ব্ৰাউন ছুগাৰখিনি। আৰক্ষীয়ে খেদি খেদি জব্দ কৰে ব্ৰাউন ছুগাৰ কঢ়িয়াই নিয়া বাহন দুয়োখন। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে ছাহাব উদ্দিন, আলা উদ্দিন আৰু আব্দুল মতিনক আটক কৰি জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে ধৃত তিনিওজনৰ ঘৰ ডবকাৰ সুতাৰগাঁৱত বুলি জনা যায়। তিনিও বিক্ৰীৰ বাবে ডিমাপুৰৰ পৰা ব্ৰাউন ছুগাৰখিনি লৈ আহিছিল। সেই সময়তে আৰক্ষীয়ে সৰবৰাহকাৰী তিনিওকে আটক কৰাৰ লগতে জব্দ কৰে ব্ৰাউন ছুগাৰখিনি। ধৃত তিনিওকে এনডিপিএছ আইনৰ অধীনত গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

# হাঁহি জীৱনৰ পৰম মহৌষধ ঃ ডাঃ চৌধুৰী

### যোগেন্দ্ৰ নাথ ডেকা স্মাৰক বক্তৃতানুষ্ঠান সম্পন্ন

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১৫ ডিচেম্বৰ ঃ** 'হাঁহি জীৱনৰ পৰম মহৌষধ। ই শৰীৰ অনেক ৰোগ প্ৰতিৰোধ কৰি মানুহৰ আয়ুস বৃদ্ধিত অৰিহণা যোগাই আহিছে।' এই ভাষ্য সু-সাহিত্যিক, চিকিৎসক ডাঃ অঞ্জনজ্যোতি চৌধুৰীৰ। ছিপাঝাৰৰ সমীপৱৰ্তী বেচৰকাৰী ৰাজহুৱা পুথিভঁৰাল দৌলগুৰি জ্ঞানোদয় পুথিভঁৰালৰ প্ৰতিষ্ঠাপক সম্পাদক প্ৰয়াত যোগেন্দ্ৰ নাথ ডেকাৰ স্মৃতিত পুথিভঁৰালৰ উদ্যোগত আয়োজিত নৱম বাৰ্ষিক যোগেন্দ্ৰ নাথ ডেকা স্মাৰক বক্তৃতানুষ্ঠানত 'জীৱন জুখিবা হাঁহিৰে, বয়স জুখিবা বন্ধুৰে' শীৰ্ষক বক্তৃতা প্ৰদান কৰি ডাঃ চৌধুৰীয়ে নিজৰ জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ বৰ্ণনা ৰসালভাৱে প্ৰকাশ কৰি উপস্থিত শ্ৰোতাক মুগ্ধ কৰে। অনুষ্ঠানত তেওঁ পুথিভঁৰালৰ বাবে বহুসংখ্যক মূল্যবান কিতাপো প্ৰদান কৰে। ছিপাঝাৰ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ডাঃ প্ৰসন্ন কুমাৰ নাথৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানত ভাষণ প্ৰদান কৰে কৰুণাধাৰাৰ গুৱাহাটী মহানগৰ সমিতিৰ সচিব মানৱজ্যোতি দাসে। সুকণ্ঠী শিল্পী ভাস্বতী চহৰীয়াৰ দ্বাৰা পৰিৱেশিত বৰগীতৰে আৰম্ভ হোৱা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে জ্ঞানোদয় পুথিভঁৰালৰ প্ৰাক্তন সভাপতি বলিৰাম বড়াই। দৌলগুৰি নৱ মিলন খুলীয়া ভাউৰীয়া দলৰ শিল্পীসকলে পৰিৱেশন কৰা সূত্ৰধাৰী বন্দনা নৃত্য আছিল অনুষ্ঠানৰ অন্যতম আকৰ্ষণ। অনুষ্ঠানৰ আৰম্ভণিতে পুথিভঁৰালৰ সভাপতি পৰম কুমাৰে উদ্দেশ্য ব্যাখ্যা কৰে আৰু প্ৰয়াত যোগেন্দ্ৰ নাথ ডেকাৰ পৰিয়ালৰ হৈ চমু আদৰণি ভাষণ প্ৰদান কৰে নলিনী কুমাৰ ডেকাই। সমজুৱাৰ তৰফৰ পৰা বক্তব্য প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ কনক চন্দ্ৰ চহৰীয়া, অৱসৰপ্ৰাপ্ত পৰিবহণ বিষয়া নৃপেন কলিতা আৰু প্ৰয়াত যোগেন্দ্ৰ নাথ ডেকাৰ ভগ্নী কামাখ্যা চহৰীয়াই। উল্লেখ্য যে নৃপেন কলিতাই পুথিভঁৰালৰ পাঠকসকলৰ বাবে দুখন দৈনিক বাতৰি কাকত এবছৰৰ বাবে আগবঢ়াবলৈ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

# আঁচনি ৰূপায়ণত সকলোকে সহযোগ কৰিবলৈ আহ্বান

### ■ ৰঙাপৰাৰ নামনিগাঁও পঞ্চায়তৰ বিশেষ গাঁও সভা

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ১৫ ডিচেম্বৰ ঃ** জাতিৰ পিতা মহাত্মা গান্ধীৰ সপোনৰ পঞ্চায়তীৰাজ ব্যৱস্থাক অতি স্বচ্ছ, উন্নত আৰু পঞ্চায়তৰ দায়বদ্ধতাক অধিক জনমুখী কৰাৰ লক্ষ্যৰে চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ৰূপায়ণ কৰা 'মোৰ পঞ্চায়ত, মোৰ অধিকাৰ, জনসেৱাসমূহ মোৰ পদূলিত', পঞ্চায়তৰ বাবে ২০২২-২৩ বিত্তীয় বৰ্ষৰ গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা চূড়ান্তকৰণৰ ওপৰত কালি ৰঙাপৰা সমষ্টিৰ নামনিগাঁও গাঁও পঞ্চায়তৰ বিশেষ গাঁও সভা অনুষ্ঠিত হয়। নামনিগাঁও পঞ্চায়ত চৌহদত অনুষ্ঠিত গাঁও সভাত সভাপতিত্ব কৰে নামনিগাঁও পঞ্চায়তৰ সভাপতি মাথিয়াছ মুণ্ডাই। নামনিগাঁও পঞ্চায়তৰ গাঁও পঞ্চায়ত সমন্বয়ক নয়নজ্যোতি শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা সভাৰ আঁতধৰে পঞ্চায়ত সচিব শান্তনু দে নাথে। সভাত সচিব দেৱনাথ আৰু গাঁও পঞ্চায়ত সমন্বয়ক নয়নজ্যোতি শৰ্মাই পঞ্চায়তৰ বিভিন্ন শিতানৰ উন্নয়নমূলক আঁচনিসমূহৰ খতিয়ান দাঙি ধৰে। কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকা সভাত পঞ্চায়তৰ জৰিয়তে সু-শাসন আৰু উন্নত সেৱা প্ৰদানৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰা হয়। পঞ্চায়ত সচিব দেৱনাথে পঞ্চায়তৰ কাম-কাজৰ মান, গুণগত মান আৰু সেৱা প্ৰদান সময়সীমা, ওজৰ-আপত্তি নিৰসন পদ্ধতি, স্বচ্ছতা আৰু উত্তৰ দায়িত্বৰ দিশত থকা পঞ্চায়তৰ দায়বদ্ধতাক প্ৰতিনিধিত্ব কৰে বুলি উল্লেখ কৰে। সভাত নামনিগাঁও পঞ্চায়ত সভাপতি মুণ্ডাই আঁচনিসমূহৰ সফল ৰূপায়ণত সকলো শ্ৰেণীৰ নাগৰিকৰ সহায়-সহযোগিতা কামনা কৰে। গাঁও সভাখনত নামনিগাঁও পঞ্চায়তৰ বিভিন্ন পৰ্যায়ৰ কে'বাগৰাকী বিশিষ্ট ব্যক্তিৰ লগতে জলসিঞ্চন বিভাগৰ মৃণাল ঘোষ, কৃষি বিভাগৰ বকুল ৰাভা, জল-জীৱন মিছনৰ বিষয়া ৰাজশ্ৰী গৌতম, ভূমি সংৰক্ষণ বিভাগৰ ভদ্ৰ বৰা, মীন বিভাগৰ মনোজ কুমাৰ শৰ্মা, আঞ্চলিক পঞ্চায়তৰ সদস্যা কাকলি ভাগৱতী, নামনিগাঁও পঞ্চায়তৰ উপ-সভানেত্ৰী ৰূপালী পাটোৱাৰী, সমাজসেৱী গোবিন্দ দাস, এ পি জি নামৰ বেচৰকাৰী সন্থাৰ সভাপতি ব্ৰজেন বৰ্মন প্ৰমুখ্যে পঞ্চায়ত কৰ্মী আৰু প্ৰতিনিধিসকল উপস্থিত থাকে। সভাত বিভিন্ন বিভাগৰ বিষয়াসকলে বিভিন্ন চৰকাৰী আঁচনিৰ সন্দৰ্ভত ৰাইজক অৱগত কৰে। সভাত নামনি গাঁৱৰ মাজেদি বনৰীয়া হাতীৰ দণ্ডি হোৱাৰ বাবে কে'বা ঠাইত সৌৰচালিত চাকিৰ ব্যৱস্থা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# ভাস্কৰজ্যোতি বৰুৱাক শূন্য সহনশীল বঁটা

অগ্ৰদূত বাৰ্তা

**টংলা, ১৫ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ গ্ৰামোন্নয়ন প্ৰাধিকৰণৰ প্ৰকল্প সঞ্চালক ভাস্কৰজ্যোতি বৰুৱাক দুৰ্নীতি বিৰোধী সহনশীল বঁটা-২০২১ প্ৰদান কৰে দুৰ্নীতি বিৰোধী যুৱ শক্তি অসমে। যোৱা ন ডিচেম্বৰত কামৰূপ জিলাৰ জিলা পুথিভঁৰালত দুৰ্নীতি বিৰোধী যুৱ শক্তি অসমৰ সভাপতি ধৰ্মকান্ত গগৈৰ সভাপতিত্বত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাত ৰাজ্যখনৰ বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত কে'বাগৰাকী ব্যক্তিক বঁটা প্ৰদান কৰাৰ লগতে ওদালগুৰি জিলাৰ



গ্ৰামোন্নয়ন প্ৰাধিকৰণৰ প্ৰকল্প সঞ্চালক ভাস্কৰজ্যোতি বৰুৱাকো উক্ত সন্মানেৰে বঁটা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছিল যদিও শাৰীৰিক অসুস্থতাৰ বাবে ভাস্কৰজ্যোতি বৰুৱা উপস্থিত থাকিব নোৱাৰাত পৰহি ওদালগুৰিস্থিত তেওঁৰ কাৰ্যালয়ত দুৰ্নীতি বিৰোধী যুৱ শক্তি অসমৰ কেন্দ্ৰীয় নেতা বকদুল ইছলামসহ এটি সঁজাতী দলে সন্মান আগবঢ়ায়। দুৰ্নীতি বিৰোধী শূন্য সহনশীল বঁটা লাভ কৰা ভাস্কৰজ্যোতি বৰুৱাক টংলা প্ৰেছ ক্লাব, সাংবাদিক সন্থা 'আপুক', ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (পশ্চিম), সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ মুখ্য প্ৰচাৰ সম্পাদক হেমন্ত বৰা কোচ, ওদালগুৰি জিলা সাহিত্য সভাৰ যুৱ সংসদৰ সম্পাদক অৰূপ বড়ো, টংলা কবি সন্মিলনৰ আহ্বায়ক ফটিক নন্দন আৰু সচেতন ৰাইজে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।

# সাৰাপাৰাত অবৈধ কাঠ ফলা কল উচ্ছেদ

অগ্ৰদূত বাৰ্তা

**মাটিয়া ১৫ ডিচেম্বৰ ঃ** গোৱালপাৰাৰ বনাঞ্চলিক বিষয়াই অভিযান চলাই আজি সাৰাপাৰাৰ পৰা এটা অবৈধ কাঠ ফলা কল উচ্ছেদ কৰে। উক্ত অভিযান কালত কলটোৰ যন্ত্ৰাংশৰ লগতে কলটোত ফালিবলৈ মজুত কৰি ৰখা ২২ টুকুৰা চোৰাং শাল কাঠৰ কুণ্ডা জব্দ কৰি নিজৰ কাৰ্যালয়লৈ আনে । জব্দকৃত চোৰাং শাল কাঠখিনিৰ বজাৰ মূল্য প্ৰায় লক্ষাধিক টকা হ'ব বুলি বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই জানিবলৈ দিয়ে।

# বিধায়িকাক টীয়ক হকাৰ সন্থাৰ ছয় দফীয়া স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা,

**জাঁজী, ১৫ ডিচেম্বৰ ঃ** পুৱাই বাতৰি কাকতখন যোগান ধৰা হকাৰসকলৰ কথা কাকত গোষ্ঠী বা চৰকাৰৰ ভাবিবলৈ সময় নোপোৱাতো দুৰ্ভাগ্যজনক বুলি ক্ষোভ ব্যক্ত কৰিছে টীয়ক হকাৰ সন্থাই। আজি টীয়কৰ বাতৰি কাকত বিতৰকসকলৰ কৰ্মৰত হকাৰসকলৰ সংগঠন টীয়ক হকাৰ সন্থাই তেওঁলোকৰ ছয়দফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ টীয়কৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাক প্ৰদান কৰে । হকাৰ সন্থাৰ বিষয়ববীয়াসকলে বিধায়িকাগৰাকীৰ টীয়কৰ বাসভৱনত সাক্ষাৎ কৰি প্ৰদান কৰা স্মাৰকপত্ৰৰ জৰিয়তেহকাৰসকলৰ বাবে এককালীন সাহয্য প্ৰদান কৰা, বাতৰি কাকত বিতৰণৰ বাবে বাহনকে ধৰি প্ৰয়োজনীয় অনন্য সামগ্ৰী যোগান ধৰা, বিনামুলীয়া চিকিৎসাৰ ব্যৱস্থা, পেঞ্চনৰ ব্যৱস্থা আৰু যোগ্যতাৰ ভিত্তিত তথ্য আৰু জনসংযোগত কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ দাবী জনায় । বিধায়িকাগৰাকীয়ে হকাৰসকলৰ এই দাবী কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰাৰ আশ্বাস দিয়ে।

# চামগুৰি আউনীআটী খুটাৰকাণ শাখা সত্ৰৰ ৰায়তৰ সমস্যাক লৈ ৰাজহুৱা সভা

### ■ ৰায়তীয়ে বহুৱাই ৰখা লোকক আঁতৰাই পঠাবলৈ তিনিখন গাঁৱৰ সিদ্ধান্ত

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ১৫ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰিস্থ আউনীআটী খুটাৰকাণ শাখা সত্ৰ মুক্তিয়াৰগৰাকীয়ে ৰায়তক দুৰ্ব্যৱহাৰ কৰা, শাখা সত্ৰৰ ভূমি ম্যাদী আৰু সত্ৰৰ ভূমি অনাঅসমীয়াক বিক্ৰী বন্ধ কৰাকে ধৰি বিভিন্ন সমস্যাৰ ওপৰত চামগুৰি ৰাজহুৱা পুথিভঁৰালত সত্ৰৰ বাসিন্দাসকলৰ এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। যোৱা ১১ ডিচেম্বৰত চামগুৰি আউনীআটী খুটাৰকাণ শাখা সত্ৰৰ বাসিন্দা তথা সমাজসেৱক চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দুৰ্লভ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাখনত কলং সুঁতিৰ কাষৰ সত্ৰৰ ভূমিৰ পৰা ৰায়তসকলে বহুৱাই ৰখা অনাঅসমীয়া লোকসকলক আঁতৰাই পঠাবলৈ সভাখনৰ জৰিয়তে ৰায়তসকললৈ জাননী প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। লগতে সত্ৰাধিকাৰৰ প্ৰতিশ্ৰুতি সাপেক্ষে চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে সত্ৰৰ বাসিন্দাসকলে এৰি দিয়া ভূমিৰ পাঁচ শতাংশ ক্ষতিপূৰণ মোকলাই দিবলৈ সত্ৰাধিকাৰক আহ্বান জনায়। ৰাজহুৱা সভাখনতেই চামগুৰি আউনীআটী খুটাৰকাণ সত্ৰৰ তিনিখন গাঁৱৰ ৰাইজক সামৰি ৩৫জনীয়া এখন উন্নয়ন সমিতি গঠন কৰাৰ লগতে সত্ৰৰ বিভিন্ন সমস্যাৰ ওপৰত উপস্থিত ৰাইজে আলোচনা কৰে। সভাখনত চামগুৰি আউনীআটী খুটাৰকাণ সত্ৰৰ ভূমি ম্যাদী কৰা উত্তৰাধিকাৰী সূত্ৰে নামজাৰি চৰকাৰী ভূমিৰ দৰে একে নীতিৰ হ'ব লাগে আৰু নামজাৰি বিনামূলীয়া হ'ব লাগে বুলি উপস্থিত ৰাইজে মত পোষণ কৰে। লগতে উক্ত সভাতেই খাজনা সংগ্ৰহৰ ক্ষেত্ৰত হোৱা দুৰ্নীতি বন্ধ, ভূমিৰ শ্ৰেণী অনুসৰি খাজনাৰ মূল্য নিৰ্ধাৰণ ৰাজহুৱা আৰু উত্তৰাধিকাৰীৰ নামত নামজাৰি নোহোৱা পৰ্যন্ত ভূমিৰ খাজনা নিয়মীয়াকৈ লোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি সভাই সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি শাখা সত্ৰৰ ভূমি অনা অসমীয়াক বিক্ৰী বন্ধ কৰিব লাগে বুলি সভাই সিদ্ধান্ত গ্ৰহণ কৰে। সত্ৰৰ ভূমি বিক্ৰী কৰাৰ ক্ষেত্ৰত বিক্ৰী কৰোতাই প্ৰথমে সত্ৰৰ বাসিন্দাসকলক অগ্ৰাধিকাৰ দিয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি সভাই সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিৰ ক্ষেত্ৰত সত্ৰৰ ভূমিৰ প্ৰতিবন্ধকতা দূৰ কৰাৰ সুব্যৱস্থা গ্ৰহণ কৰা আৰু অসম চৰকাৰ, বেংক আৰু সত্ৰাধিকাৰৰ ত্ৰিপাক্ষিক আলোচনাৰ জৰিয়তে ৰায়তসকলৰ গৃহ ঋণ, ব্যৱসায়িক ঋণ পোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি সভাই ঐক্যমত পোষণ কৰে। উক্ত সভাতেই চামগুৰি আউনীআটী খুটাৰকাণ শাখা সত্ৰৰ ৰায়ত নথকা সত্ৰৰ ভূমিসমূহ চিনাক্ত কৰি শিক্ষিত নিবনুৱা যুৱক-যুৱতীক অৰ্থনৈতিকভাৱে সকাহ দিবলৈ সমবায় ভিত্তিত ভূমি আবণ্টনৰ ব্যৱস্থা আৰু উত্তৰাধিকাৰী সূত্ৰে নামজাৰি অথবা ভূমি সংক্ৰান্তীয় কাম-কাজৰ নিষ্পত্তি কৰিবলৈ প্ৰতি বছৰৰ মাঘত সত্ৰৰ প্ৰতিনিধি আহি সত্ৰ নামঘৰত বাহৰ পাতি নিষ্পত্তিৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উক্ত সভাতেই সত্ৰৰ বাসিন্দাসকলে সত্ৰৰ ভূমি ক্ৰয় আৰু বিক্ৰীৰ ক্ষেত্ৰত মাটিৰ মূল্যৰ ওপৰত সত্ৰৰ অংশ সুনিৰ্দিষ্ট নিৰিখ ৰাজহুৱা কৰিবলৈ সত্ৰাধিকাৰক আহ্বান জনোৱাৰ লগতে সত্ৰৰ পৰা নিযুক্তি দিয়া মুক্তিয়াৰগৰাকী সত্ৰৰ ৰায়তীসকলৰ লগত সুসম্পৰ্ক আৰু অসহযোগিতা, ৰায়তক দুৰ্ব্যৱহাৰ কৰা সম্পৰ্কে সত্ৰাধিকাৰে বিবেচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ সত্ৰৰ বাসিন্দাসকলে সত্ৰৰ সত্ৰাধিকাৰক অৱগত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# এশ বিঘা মাটিত গঢ়ি তুলিছে ৰবৰ গছৰ বাগান

### ■ স্বাৱলম্বিতাৰ উৎকৃষ্ট নিদৰ্শন বাগ্‌সাৰ মায়ংপাৰাৰ বীৰেন বসুমতাৰী

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৫ ডিচেম্বৰ ঃ** ৰবৰ গছৰ বাগানেৰে স্বাৱলম্বিতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে বাগ্‌সাৰ শালবাৰীৰ এজন লোকে। বাগ্‌সাৰ শালবাৰীৰ মায়ংপাৰাৰ বীৰেন বসুমতাৰী নামৰ লোকজনে নিজৰ প্ৰচেষ্টাত নিজৰ এশ' বিঘা মাটিত গঢ়ি তুলিছে ৰবৰ গছৰ এক বৃহৎ বাগান। বসুমতাৰীয়ে ৰবৰ গছৰ পৰা উৎপাদিত হোৱা আঠা গুৱাহাটীলৈ ৰপ্তানি কৰি নিজে আৰ্থিকভাৱে লাভবান হোৱাৰ লগতে আন ১০টা পৰিয়ালক এই ব্যৱসায়ৰ জৰিয়তে পোহপাল দি আহিছে। এশ' বিঘা মাটিত ৰবৰ গছৰ বাগান গঢ়ি তোলা বসুমতাৰীয়ে কিন্তু আবেদন কৰাৰ পাছতো আজি পৰ্যন্ত চৰকাৰীভাৱে কোনো ধৰণৰ



সুবিধা পাবলৈ সক্ষম নহ'ল।

বিগত ১০ বছৰে ৰবৰ গছৰ বাগানৰ ব্যৱসায়ৰ জৰিয়তে স্বাৱলম্বী হোৱা বীৰেন বসুমতাৰী এতিয়া আন বহু নিবনুৱাৰ আদৰ্শ স্বৰূপ হৈ পৰিছে। তেওঁ জানিবলৈ দিয়া মতে, প্ৰথমে নাৰ্ছাৰীৰ লগত যোগাযোগ কৰি ৰবৰ বাগান গঢ়ি তোলাৰ কথা চিন্তা-চৰ্চা কৰে আৰু সেইমতে কামত আগবাঢ়ে। বঙাইগাঁৱৰ কাজলগাঁৱৰ পৰা ৰবৰ গছৰ পুলি ক্ৰয় কৰি আনি এতিয়া বসুমতাৰীয়ে গঢ়ি তুলিছে এখন সুন্দৰ সেউজ বৃহৎ ৰবৰ গছৰ বাগান। উৎকট গৰমৰ দিনত ৰবৰ গছৰ ছাত ক্ষন্তেক জিৰণি ল'বলৈ বিভিন্ন প্ৰান্তৰ লোকে ঢাপলি মেলি আহে বুলিও জানিবলৈ দিয়ে বসুমতাৰীয়ে।




■ হাবি- জংঘলৰে ভৰা পৰিত্যক্ত গৃহ ■ উদ্বোধনৰ পাচদিনাৰ পৰা ওলমিল তলা

# ন বছৰে কাৰ্যক্ষম নহ'ল তেজপুৰৰ স্বাস্থ্য উপ-কেন্দ্ৰ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৫ ডিচেম্বৰ ঃ** ৰাজ্যত স্বাস্থ্যখণ্ডৰ আন্তঃগাঁথনি উন্নয়নৰ বিষয়ে ব্যাপক প্ৰচাৰ চলিলেও বিভিন্ন স্থানত স্বাস্থ্য বিভাগৰ পৰিকল্পনাহীন কাৰ্যৰ বাবে চৰকাৰী ধনৰ অপচয়ো ঘটিছে। তেজপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত পৰমাইঘূলিত ২০১২ত উদ্বোধন কৰা এক প্ৰাথমিক উপ-স্বাস্থ্যকেন্দ্ৰ মুকলিৰ পাছত এদিনৰ বাবেও মুকলি কৰা নহ'ল। বৰ্তমান এই গৃহটো হাবি-জংঘলৰে আগুৰি ধৰাৰ লগতে এই গৃহটো এক এৰাঘৰত পৰিণত হৈছে। উল্লেখ্য যে স্বাস্থ্য বিভাগৰ কে'বালাখ টকাৰে তেজপুৰৰ পৰমাইঘূলিত নিৰ্মাণ কৰা হৈছিল উক্ত প্ৰাথমিক উপ-স্বাস্থ্য কেন্দ্ৰটোৰ পকী ভৱনটো। পৰোৱা আৰু পৰমাইঘূলি সংযোগী পথৰ দাঁতিতে থকা এই প্ৰাথমিক স্বাস্থ্য উপ-কেন্দ্ৰটো ২০১২ৰ শেষত তেজপুৰৰ তদানীন্তন বিধায়ক প্ৰয়াত ৰাজেন বৰঠাকুৰে উদ্বোধন কৰিছিল। কিন্তু উদ্বোধনৰ পাছদিনাৰ পৰাই এই গৃহত তলা ওলমিল। চিকিৎসক অহাটো দূৰৰে কথা আজিলৈকে কোনো স্বাস্থ্যকৰ্মীৰ ইয়াত প্ৰৱেশ নঘটিল। বৰ্তমান এক এৰাঘৰত পৰিণত হোৱা প্ৰাথমিক স্বাস্থ্য উপ-কেন্দ্ৰটোৰ এই গৃহ হাবি-জংঘলে আৱৰি ধৰিছে। গৃহটোৰ চাৰিওকাষে আৱৰি ধৰা জংঘলৰ বাবে ইয়ালৈ যোৱাটোৱেই সম্ভৱ নহয়। বিগত ন বছৰে এনেদৰে পৰিত্যক্তভাৱে পেলাই থোৱা এই গৃহটো যেন ঠিকাদাৰৰ সুবিধাৰ বাবেহে নিৰ্মাণ কৰা হৈছিল। উল্লেখ্য যে উক্ত স্থানৰ পৰা আধাকিলোমিটাৰ দূৰত্বত বৰ্তমান প্ৰসূতি আৰু শিশু চিকিৎসালয় মুকলি কৰা হ'ল। এই চিকিৎসালয় সম্প্ৰতি ক'ভিড কেয়াৰ চেন্টাৰ হিচাপে ব্যৱহাৰ কৰি আছে স্বাস্থ্য বিভাগে। এনে অৱস্থাত পৰমাইঘূলিত নিৰ্মাণ আৰু উদ্বোধন কৰা প্ৰাথমিক স্বাস্থ্য উপ-কেন্দ্ৰৰ গৃহটো উৰলি যাবলৈকে এৰি দি পৰিত্যক্ত অৱস্থাত পেলাই থৈছে সংশ্লিষ্ট কৰ্তৃপক্ষই।



## ভূটান সীমান্তত অব্যাহত বনৰীয়া হাতীৰ উপদ্ৰৱ ঃ আতংকিত ৰাইজ

■ দিনৰ পোহৰতে বনৰীয়া হাতীৰ আক্ৰমণত আহত এক

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৫ ডিচেম্বৰ ঃ** তামুলপুৰ মহকুমাৰ বিভিন্ন প্ৰান্তত বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাত। অব্যাহত আছে বনৰীয়া হাতীৰ উপদ্ৰৱ। বনৰীয়া হাতীৰ উপদ্ৰৱত এতিয়া উজাগৰী নিশা কটাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে তামুলপুৰৰ বিভিন্ন প্ৰান্তত। যোৱা নিশাও তামুলপুৰ মহকুমাৰ অন্তৰ্গত দুই নম্বৰ পশ্চিম কুমাৰীকাটা, কাৰখেলা, খৈৰাণী আদি অঞ্চলত বনৰীয়া হাতীৰ বৃহৎ জাকে প্ৰৱেশ কৰি কে'বাটাও পৰিয়ালৰ বাসগৃহ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে ভঁৰালৰ ধান, বাৰীৰ শাক-পাচলিৰ খেতি, মালভোগ কলৰ বাগান খাই তহিলং কৰে। বনৰীয়া হাতীয়ে কাৰখেলা গাঁৱৰ লাবণ্য বৰগয়াৰী আৰু মজন বসুমতাৰী নামৰ লোক দুজনৰ বাসগৃহ, পাকঘৰ ভাঙি লণ্ডভণ্ড কৰাৰ লগতে বাচন- বৰ্তন, চকি-মেজ ভাঙি চূড়মাৰ কৰাৰ লগতে ভঁৰাল ঘৰৰ বিস্তৰ ক্ষতি সাধন কৰে। আনহাতে, বনৰীয়া হাতীয়ে বসুমতাৰী নামৰ এজন খেতিয়কৰ প্ৰায় দুইবিঘা মালভোগ কলৰ বাগান খাই গচকি তহিলং কৰে। বনৰীয়া হাতীৰ আক্ৰমণৰ পৰা কথমপি ৰক্ষা পৰে শিশু-মহিলাসহ কে'বাজনো লোক। ইপিনে, বনৰীয়া হাতীয়ে ধাৰাবাহিক উপদ্ৰৱ চলাই বহু কষ্টেৰে কৰা খেতি-বাতি খাই তহিলং কৰাৰ লগতে বাসগৃহ আদি ভাঙি চুৰমাৰ কৰাত বহু পৰিয়াল গৃহহীন হৈ পৰিছে। এইক্ষেত্ৰত বনৰীয়া হাতীৰ জাকটো পাহাৰলৈ খেদি পঠিয়াই হাতীৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবলৈ বিভাগীয় কৰ্তৃপক্ষক শীঘ্ৰেই ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰাৰ লগতে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক উপযুক্ত সাহায্য প্ৰদান কৰিবলৈ আহ্বান জনাইছে গাঁওবাসীয়ে। ইপিনে, আজি দিনৰ ভাগত ভূটান সীমান্তৰ চেঁচাপানী গাঁৱত জাকৰ পৰা ফালৰি কাটি অহা এটা হাতীয়ে হঠাৎ পাছফালৰ পৰা আক্ৰমণ কৰাত দেবানন্দ বড়ো (৪০) নামৰ এজন লোক গুৰুতৰভাৱে আহত হয়। দিনৰ ভাগত হঠাৎ এনেদৰে গাঁওখনত বনৰীয়া হাতীয়ে এজন লোকক আক্ৰমণ কৰি আহত কৰাত আতংকিত হৈ পৰে গাঁওখনৰ লোক। আহতজনক পাছত স্থানীয় লোকে পাটকিজুলি খ্ৰীষ্টিয়ান হাস্পতালত ভৰ্তি কৰায়। আনহাতে, বনৰীয়ে হাতীয়ে দিনৰ পোহৰতে এজন লোকক আক্ৰমণ কৰাৰ খবৰ লাভ কৰাৰ লগে লগে কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ৰ পৰা বনকৰ্মীৰ দল এটা ঘটনাস্থলীত উপস্থিত হৈ জাকৰ পৰা ফালৰি কাটি অহা হাতীটো গাঁওখনৰ পৰা খেদি পঠিয়াবলৈ সক্ষম হয়।



## বিধায়ক পুৰকায়স্থৰ মন্তব্যত জাঙুৰ খাই উঠিছে অসম মৰাণ সভা

**অগ্ৰদূত বাৰ্তা**

**তালাপ, ১৫ ডিচেম্বৰ ঃ** 'তিনিচুকীয়াত বঙালী ভাষা হ'ব লাগে' বুলি বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থই কৰা ৰাজহুৱা মন্তব্যৰ তীব্ৰ গৰিহণা জনাইছে অসম মৰাণ সভাই। সভাই এক বিবৃতিত উল্লেখ কৰে যে অসমৰ হেজাৰ বছৰীয়া ভাষা, সভ্যতা, সংস্কৃতি আৰু সমন্বয়ৰ সম্প্ৰীতিক পদানত কৰাৰ দীৰ্ঘম্যাদী ষড়যন্ত্ৰক প্ৰকট কৰি অত্যন্ত ভাষিক সম্প্ৰসাৰণবাদী মনোভাবেৰে বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থই যোৱা ১৩ ডিচেম্বৰত বৰাকত অনুষ্ঠিত নাগৰিক সভাত 'তিনিচুকীয়াত ভাষা বঙালী হ'ব লাগে' বুলি কৰা ৰাজহুৱা মন্তব্যক অসম মৰাণ সভাই গৰিহণা জনাইছে। তেওঁৰ লগতে আন সাংগো-পাংগোসকলকো জনসংখ্যাৰ দোহাই দি অসমত ভাষিক সম্প্ৰসাৰণবাদ নাইবা ভূমিপুত্ৰ জনগোষ্ঠীৰ ওপৰত অন্যায় প্ৰভূত্ববাদ স্থাপনৰ তৎপৰতা কোনো কাল সহ্য কৰা নহ'ব বুলি সকীয়াই

### ■ 'তিনিচুকীয়াত বাংলা ভাষা হ'ব লাগে'

দিয়ে। সভাই লগতে উল্লেখ কৰে যে পুৰকায়স্থৰ লগতে বিভেদকামীসকলৰ এনে ষড়যন্ত্ৰ কেতিয়াও সফল হ'বলৈ দিয়া নহ'ব আৰু তেওঁলোকৰ এনে নিকৃষ্ট কাৰ্যৰ জৰিয়তে ব্ৰহ্মপুত্ৰ উপত্যকাত থকা বংগমূলীয় লোকসকল সমস্যাৰহে সন্মুখীন হ'ব। এই ক্ষেত্ৰত অসম সাহিত্য সভাৰ নিৰ্লিপ্ততাই ভাষাৰ সংকট ঘনীভূত কৰিছে। অসমীয়া জাতীয়তাবাদী শিবিৰৰ পৰা গৈ ৰাজপাট দখল কৰা বিয়াগোম নেতাসকলৰ দুৰ্বলতায়েও এনে শক্তিসমূহক উৎসাহিত কৰিছে বুলি সভাই অভিযোগ উত্থাপন কৰিছে। অসম মৰাণ সভাই অসম চৰকাৰক সংকীৰ্ণ ৰাজনৈতিক ন্যস্তস্বাৰ্থ পূৰণৰ উদ্দেশ্য ভৱিষ্যতে সাম্প্ৰদায়িক সম্প্ৰসাৰণবাদী বিষবাস্প ছটিয়াই ৰাজ্যখনৰ পৰিৱেশ প্ৰদূষিত কৰা কাৰকসমূহক আঁতৰাই ৰাখিবলৈ আহ্বান জনাইছে। লগতে অসমৰ সাতামপুৰুষীয়া সমন্বয়-সম্প্ৰীতি বিঘ্নিত কৰিব বিচৰা এনে ব্যক্তি, শক্তিসমূহৰ বিৰুদ্ধে অতিশীঘ্ৰে কঠোৰ শাস্তিমূলক কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈও চৰকাৰক আহ্বান জনাইছে। অন্যথা, গণক্ষোভৰ উদ্‌গীৰণ ঘটিবলৈ বেছি পৰ নালাগিব আৰু ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হ'ব। অসমৰ সমূহ জাতীয় দল-সংগঠনক একত্ৰিত হৈ এনে ষড়যন্ত্ৰৰ বিৰুদ্ধে থিয় দিবলৈও সংগঠনটোৱে আহ্বান জনাইছে।

## ৰাজ্যিক যোগাসন প্ৰতিযোগিতাত শোণিতপুৰৰ সাফল্য

■ পাঁচটা সোণসহ ১৫টা পদক অৰ্জন




**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৫ ডিচেম্বৰ ঃ** গুৱাহাটীৰ তৰুণৰাম ফুকন ইন্দৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈ যোৱা ৰাজ্যিক যোগাসন প্ৰতিযোগিতাত শোণিতপুৰে পাঁচটা সোণৰ, তিনিটা ৰূপৰ আৰু সাতটা তামৰ পদকসহ ১৫টো পদক লাভ কৰাৰ লগতে শ্ৰেষ্ঠ শৃংখলাবদ্ধ দলৰ খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। ৰাজ্যৰ মুঠ ১০খন জিলাই অংশ লোৱা এই তিনিদিনীয়া প্ৰতিযোগিতাখন যোৱা ১১ ডিচেম্বৰত সামৰণি পৰে। প্ৰতিযোগিতাখনত শোণিতপুৰৰ ভাস্বতী বৰুৱাই যোগাসন, আৰ্টিষ্টিক ছিংগল আৰু আৰ্টিষ্টিক পেয়াৰ শাখাত মুঠ তিনিটা সোণৰ পদক অৰ্জন কৰি ছোৱালীৰ জুনিয়ৰ শাখাত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভৰে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। ভাস্বতীৰ উপৰি প্ৰতিযোগিতাখনত অংশ লোৱা শোণিতপুৰৰ হৰ্ষিতা গোস্বামীয়ে দুটা সোণৰ, শশাংক ডেকা, মুন্মী দেৱী আৰু জিয়নানিহি গৌতমে ৰূপ আৰু বেদশ্ৰী কাশ্যপ, জিয়নানিহি গৌতম, বিস্তীৰ্ণা কাশ্যপ, অংকিতা বৰা, নৱজ্যোতি বৰা, ৰিয়ান কৌশিক আৰু শশাংক ডেকাই ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে জিলা দলটোৰ প্ৰশিক্ষক হিচাপে নমিতা লহকৰ আৰু নৱজ্যোতি নাথে সহযোগী হিচাপে দায়িত্ব পালন কৰাৰ লগতে জিলা ক্ৰীড়া বিষয়া খনীন্দ্ৰ মুদৈয়ে নিজেই উপস্থিত থাকি প্ৰতিযোগীসকলক উৎসাহিত কৰে।

## বাঁহনী গাঁৱক অতি শীঘ্ৰে ৰাজহ গাঁও হিচাপে স্বীকৃতি প্ৰদানৰ দাবী

**নাহৰকটীয়া, ১৫ ডিচেম্বৰ ঃ** নাহৰকটীয়া ৰাজহ চক্ৰ আৰু জয়পুৰ মৌজাৰ অন্তৰ্গত বাঁহনী গাঁৱক সুকীয়াকৈ চৰকাৰী ৰাজহ গাঁও হিচাপে স্বীকৃতি প্ৰদানত লেহেমীয়া গতিত অগ্ৰসৰ হোৱাত অসন্তুষ্টি প্ৰকাশ কৰিছে গাঁওবাসীয়ে । গাঁওখন সুকীয়াকৈ ৰাজহ গাঁও হিচাবে স্বীকৃতি নোপোৱাত গাঁওবাসীয়ে বহু অসুবিধাৰ সন্মুখীন হৈ অহাৰ লগতে বহুখিনি প্ৰাপ্য সুবিধাৰ পৰাও বঞ্চিত হৈ আহিছে । উল্লেখ্য যে এই বাঁহনী গাঁওখন খণ্ড খণ্ডভাৱে অসমীয়া গাঁও, কেন্দুগুৰি, কপহুৱা, আলিছিগা আৰু ৰনং বালিজানৰ লগত অন্তৰ্ভুক্ত হৈ আছে। কিন্তু তেনেদৰে অন্তৰ্ভুক্ত হৈ থকা আৰু সুকীয়া চৰকাৰী ৰাজহ গাঁও হিচাবে স্বীকৃতি নোপোৱাৰ বাবে সময়ত বহুখিনি প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত হৈ আহিছে । পঞ্চায়তীৰাজ ব্যৱস্থাৰ অংশ হিচাপে এই গাঁওখন দুখন পঞ্চায়ত ক্ৰমে ৪৯ নম্বৰ বালিমৰা গাঁও পঞ্চায়ত আৰু কেন্দুগুৰি গাঁও পঞ্চায়তৰ লগত সংলগ্ন হৈ আছে। ফলত গাঁওবাসীয়ে পঞ্চায়তীৰাজ ব্যৱস্থাৰ অধীনত পাবলগীয়া সা-সুবিধাৰ সমূহৰ পৰা সময়ে সময়ে বঞ্চিত হ'বলগীয়া হৈছে। গতিকে চৰকাৰে আৰম্ভ কৰা মিছন বসুন্ধৰা অধীনত বাঁহনী গাঁওখন পুনৰ জৰীপ কৰি চৰকাৰী ৰাজহ গাঁও হিচাপে স্বীকৃতি প্ৰদানৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে । এই বিষয়ক লৈ গাঁওখনক সুকীয়াকৈ ৰাজহ গাঁও হিচাপে স্বীকৃতি প্ৰদানৰ বাবে তথ্য সহকাৰে নাহৰকটীয়া ৰাজহ চক্ৰ বিষয়া, জিলা উপায়ুক্তক আবেদন জনাই অহাৰ পাছত বিভিন্ন পক্ষই আশ্বাস দি আহিছে যদিও এই কাৰ্যপ্ৰণালী লেহেমীয়া গতিত চলিছে। জিলা উপায়ুক্তলৈ কৰা আবেদনৰ ভিত্তিত তদানীন্তন জিলা উপায়ুক্ত পল্লৱ গোপাল ঝাৰ নিৰ্দেশত কিছুদিনৰ আগতে নাহৰকটীয়া ৰাজহ চক্ৰ কাৰ্যালয়ৰ এটি দলে জৰীপ কাৰ্য চলাই তথ্য সংগ্ৰহ কৰিছে। গাঁওখনত ১৩২ টা পৰিয়াল আছে। ভোটাৰৰ সংখ্যা চাৰিশোৰো অধিক । তেওঁলোকে চাৰিটা ভোট কেন্দ্ৰ ক্ৰমে ১২ নম্বৰ জয়মতী প্ৰাথমিক বিদ্যালয়, এক নম্বৰ বালিজান প্ৰাথমিক বিদ্যালয় , কেন্দুগুৰি প্ৰাথমিক বিদ্যালয় আৰু নাহৰকটীয়া মহাবিদ্যালয় (পশ্চিম)ত ভোটদান কৰি আহিছে । ইয়াৰ মাটিৰ কালি ১৫০০ বিঘাৰো অধিক । চৰকাৰী অনুষ্ঠান হিচাপে আছে ১৯৪৮ত স্থাপিত বাঁহনী গাঁও প্ৰাথমিক বিদ্যালয় আৰু লগতে আছে এটি অংগনৱাড়ী কেন্দ্ৰ।

## শিৱসাগৰ গ্ৰন্থমেলাত ৰঞ্জু কোঁৱৰৰ গ্ৰন্থ উন্মোচন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৫ ডিচেম্বৰ ঃ** সদৌ অসম আহোম সভাৰ উদ্যোগত শিৱসাগৰ বৰ্ডিং খেলপথাৰৰ পানীন্দ্ৰনাথ গগৈ ক্ষেত্ৰত যোৱা ১০ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হৈ থকা সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞিঞ বৰুৱাৰ ১৫০ বছৰীয়া জন্মজয়ন্তীৰ লগত সংগতি ৰাখি আয়োজন কৰা গ্ৰন্থমেলাৰ পঞ্চম দিন। লেখিকা তথা ভাধৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰঞ্জু কোঁৱৰৰ গ্ৰন্থ 'সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞিঞ বৰুৱা' উন্মোচন কৰা হয় । প্ৰজ্ঞা প্ৰকাশৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখন উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈয়ে। প্ৰমোদ বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানত শিক্ষাবিদ ড° প্ৰকাশ কটকী, অনাতাঁৰ শিল্পী পদ্ম বায়ন, শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ বুদ্ধিন মিশ্ৰ, বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈ, সদৌ অসম আহোম সভাৰ সভাপতি উমাকান্ত কোঁৱৰ, প্ৰাথমিক শিক্ষা বিষয়া দেৱজিৎ গগৈ, যুৱনেতা প্ৰদীপ বৰগোহাঁই, শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্ত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ লগতে শিক্ষক টুটুমণি গগৈ, প্ৰকাশক প্ৰশান্ত বৰগোহাঁই, লেখিকা ৰঞ্জু কোঁৱৰ, সুৰভি বৰপাত্ৰগোহাঁই উপস্থিত থাকে।

## সত্ৰাধিকাৰ জগন্নাথ দেৱ গোস্বামীৰ আদ্যশ্ৰাদ্ধত গ্ৰন্থ উন্মোচনী অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা,**

**জাঁজী/চেলেংহাট, ১৫ ডিচেম্বৰ ঃ** আউনীআটীৰ ডেকা সত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামীৰ পিতৃ পতিয়ৰী সত্ৰৰ সত্ৰাধিকাৰ জগন্নাথ দেৱ গোস্বামীৰ যোৱা ছয় ডিচেম্বৰত মৃত্যু হয়। অহা ১৬ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া সত্ৰাধিকাৰজনে আদ্যশ্ৰাদ্ধৰ স'তে সংগতি ৰাখি সত্ৰাধিকাৰ জনাৰ ১০২ বছৰীয়া কৰ্মময় জীৱনৰ আলোকপাতেৰে ইতিমধ্যেই সম্পূৰ্ণ হৈছে 'শতায়ু প্ৰদীপ' শীৰ্ষক এখনি গ্ৰন্থ। উল্লেখ্য যে যোৱা আঠ ডিচেম্বৰত এই বিশেষ গ্ৰন্থখন উন্মোচনৰ ব্যৱস্থা কৰা হৈছিল যদিও সত্ৰাধিকাৰজনৰ মৃত্যু হোৱাত এই কাৰ্য্যসূচী স্থগিত ৰখা হয়। সেয়ে ১৭ ডিচেম্বৰত দুপৰীয়া ১২ বজাত আউনীআটীয় সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামীৰ উপস্থিতিত এক গ্ৰন্থখন উন্মোচন কৰা হ'ব। নিশা মুৰাৰী নাট্যদলৰ দ্বাৰা 'হৰিশ্চন্দ্ৰ উপাখ্যান' নাটক খনি মঞ্চস্থ হ'ব।

## ডিগবৈত চোৰাং কাঠ ভৰ্তি ট্ৰাক জব্দ

**ডিগবৈ ১৫ ডিচেম্বৰ ঃ** অসম অৰুণাচল সীমান্তৱৰ্তী বিভিন্ন অঞ্চলৰ পৰা একাংশ চোৰাং কাঠ মাফিয়াই অবাধ হাৰত চোৰাং কাঠৰ ব্যৱসায় চলাই আহিছে। বিভিন্ন সময়ত ডিগবৈ চহৰৰ সোঁমাজেৰে কাঠভৰ্তি ট্ৰাকে চোৰাং কাঠ পৰিবহণ কৰাৰ সময়ত একাংশ প্ৰকৃতিপ্ৰেমী সংগঠনৰ প্ৰচেষ্টাত বন বিভাগে জব্দ কৰি আহিছে যদিও পৰৱৰ্তী সময়ত পুনৰ জব্দ কৰা চোৰাং কাঠভৰ্তি ট্ৰাকসমূহ মোকলাই দি অহাক লৈ সন্দেহৰ কাৰণ হৈ আহিছে বন বিভাগ। যোৱা নিশাও ডিগবৈ বন বিভাগে অসম অৰুণাচল সীমান্তৱৰ্তী অঞ্চল নামফাইৰ পৰা ৭৬৭৭ নম্বৰৰ ট্ৰাকেৰে খকন কাঠ কঢ়িয়াই অলপতে ট্ৰাকখন জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত কাঠ ভৰ্তি ট্ৰাকৰ চালকৰ মন্তব্য অনুসৰি কাঠখিনি তিনিচুকীয়াৰ কাঠ মাফিয়া ধৰণী গগৈৰ। জব্দকৃত বৃহৎ পৰিমাণৰ কাঠখিনি অৰুণাচল নামফাইৰ পৰা নলবাৰীলৈ লৈ নি আছিল। কিন্তু বন বিভাগে কাঠভৰ্তি ট্ৰাকখন জব্দ কৰে যদিও বনপালক প্ৰফুল্ল গগৈয়ে জব্দকৃত ট্ৰাকখনৰ সন্দৰ্ভত কোনো তথ্য প্ৰকাশ কৰাৰ পৰা বিৰত থাকে। চৰকাৰৰ এক বিয়াগোম বন বিভাগ থকাৰ পাছতো বন বিভাগৰ গাফিলতিৰ অকৰ্মণ্যতাৰ বাবে বাৰে বাৰে বাতৰিৰ শিৰোনামা দখল কৰিবলৈ সক্ষম হোৱাৰ পাছতো কিয় আজি পৰ্যন্ত কাঠৰ ৰমৰমীয়া ব্যৱসায় ৰোধ হোৱা নাই!

■ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ অভিভাৱকৰ চিন্তা ■ উপায়ুক্তক আছুৰ স্মাৰকপত্ৰ প্ৰদান

## দিৰৈ ৰাঙলী উচ্চ মাধ্যমিক বিদ্যালয়ত ছটা শিক্ষকৰ পদ খালী

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১৫ ডিচেম্বৰ ঃ** চৰাইদেউ জিলাৰ মাহমৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত মৰাণ নগৰৰ পৰা কিছু নিলগত থকা দিৰৈ ৰাঙলী উচ্চ মাধ্যমিক বিদ্যালয়খনৰ শৈক্ষিক দিশটোৰ দিনক দিনে বিধ্বস্ত হোৱাত অভিভাৱকৰ লগতে স্থানীয় ৰাইজ চিন্তিত হৈছে। বিদ্যালয়খনত দীৰ্ঘদিন ধৰি ছটা শিক্ষকৰ পদ খালী হৈ থকাত ছাত্ৰ-ছাত্ৰীসকল শিক্ষাৰ পৰা বঞ্চিত হৈ আহিছে। আনহাতে, শিক্ষানুষ্ঠানখনৰ আন্তঃগাঁথনি দিশ একেবাৰে দুৰ্বল বুলি স্থানীয় ৰাইজ আৰু অভিভাৱকসকলে অভিযোগ কৰিছে। বিদ্যালয়ৰ চাৰিসীমাত বেৰা নোহোৱাত শিক্ষানুষ্ঠানখনৰ যথেষ্ট ক্ষতি হৈছে। চৰকাৰৰ ওচৰত বিদ্যালয়খনৰ অভাৱ পূৰণৰ কাৰণে দীৰ্ঘদিন ধৰি ৰাইজে দাবী কৰি আহিছে যদিও চৰকাৰে কোনো গুৰুত্ব দিয়া নাই বুলি অভিযোগ উঠিছে। শিক্ষানুষ্ঠানখনৰ তেনে অচলাৱস্থা দেখি আজি মৰাণ আঞ্চলিক ছাত্ৰ সন্থাই মাহমৰা ৰাজহ চক্ৰ বিষয়াৰ যোগেদি চৰাইদেউ জিলা উপায়ুক্তলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত ছাত্ৰ সন্থাই শীঘ্ৰে বিদ্যালয়খনলৈ শৈক্ষিক পৰিৱেশ ঘূৰাই আনিবলৈ দাবী জনাইছে। মৰাণ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শৈল্য বড়া আৰু সাধাৰণ সম্পাদক স্বৰাজ বৰুৱাই এক বিবৃতিত এই বিষয়ে সদৰী কৰিছে।



## কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ চাৰি শিক্ষকক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১৫ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ৰ অন্তৰ্গত বৰভাগৰ কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ চাৰি শিক্ষকক যোৱা ১৪ ডিচেম্বৰত জনোৱা হয়। কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহঃ প্ৰধান শিক্ষক ৰাতুল কলিতাৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী গোটৰ সম্পাদক ৰমেন তালুকদাৰে আঁত ধৰা অনুষ্ঠানত বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে মাধৱ চন্দ্ৰ শৰ্মা, মানবেন্দ্ৰ চন্দ্ৰ বৰুৱা, হাৰেজ উদ্দিন আহমেদ, তাৰিণী কান্ত বৈশ্যক বিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোটৰ ফালৰ পৰা ফুলাম গামোচা, গ্ৰন্থৰ টোপোলা, কাঁহৰ বঁটা, প্ৰমুখ্যে কে'বাটাও সামগ্ৰী প্ৰদান কৰা হয়। বিদায় সভাত অৱসৰপ্ৰাপ্ত শিক্ষক আটাইকেইগৰাকীয়ে বিদ্যালয়ত কৰ্মৰত অৱস্থাৰ কথা সোঁৱৰণ কৰি কয় যে এই বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰি এটা সম্ভ্ৰান্ত পৰিয়ালৰ পৰা আঁতৰি থকা যেন অনুভৱ ব্যক্ত কৰে, বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সন্মিলিত প্ৰচেষ্টাৰে সৰ্বদিশত মনোনিৱেশ কৰি আগবঢ়াই নিয়াৰ সংকল্প লোৱা হৈছিল, আগলৈ বিদ্যালয়ৰ এই সংকল্প অটুট ৰখাৰ বাবে সকলোকে আহ্বান জনায় অৱসৰপ্ৰাপ্ত শিক্ষকদ্বয়ে। সভাত বিদ্যালয়ৰ পৰা পূৰ্বে অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে জীৱেশ্বৰ তালুকদাৰ, আব্দুল আলী, দিননাথ তালুকদাৰ উপস্থিত থাকে।

## অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য স্মৃতি দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৫ ডিচেম্বৰ ঃ** সাহিত্য সভাৰ শতদল শাখাৰ স্বীকৃতিপ্ৰাপ্ত বিশ্বনাথ চাৰিআলিস্থিত কমলাকান্ত নাট্য সমাজৰ মঞ্চত অনুষ্ঠিত হয়। সভাপতি কমল চন্দ্ৰ ভূএঞাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাখনত সুধাকণ্ঠৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে বিশ্বনাথৰ কমলাকান্ত নাট্য সমাজৰ সভাপতি নৰেন শৰ্মাই। আনহাতে, পুষ্পাঞ্জলি অৰ্পণ কৰে বিশ্বনাথ চাৰিআলি শাখা সাহিত্য সভাৰ উপ-সভাপতি অৰুণা বৰাই। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই অংশগ্ৰহণ কৰে। তেওঁৰ অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যৰ জীৱন-দৰ্শন সম্পৰ্কে বক্তব্য আগবঢ়ায়। বোলছবি নিৰ্মাণৰ প্ৰয়োজনীয়তাৰ ওপৰত এক বিশ্লেষণাত্মক আলোচনা আগবঢ়াই সদনক আপ্লুত কৰাৰ লগতে নৱ শাখা সভাৰ সম্পাদক অঞ্জন বৰাই আঁতধৰা আৰু শলাগৰ শৰাই আগবঢ়োৱা সভাখনত সমজুৱাৰ হৈ বক্তব্য আগবঢ়ায় শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইন্দ্ৰ প্ৰসাদ শইকীয়া, বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাণা প্ৰসাদ হাজৰিকা, শাখা সভাৰ প্ৰাক্তন সম্পাদক হীৰেন বৰা আৰু বিশ্বনাথৰ বিশিষ্ট সাহিত্যিক শৈলেন বৰাই। উক্ত সভাত বিশ্বনাথ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হিৰণ্য হাজৰিকা, শাখাৰ সহকাৰী সম্পাদক সূৰ্য্য বৰা, অকণ হাজৰিকা, অপূৰ্ব কুমাৰ দাস, শংকৰ প্ৰসাদ চাহু, হেমন্ত শইকীয়া, ৰেণু চহৰীয়া শইকীয়া আদি উপস্থিত থাকে।

## কৃষি সামগ্ৰী ব্যৱসায়ীৰ ১৫ দিনীয়া প্ৰশিক্ষণ আৰম্ভ



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৫ ডিচেম্বৰ ঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাট, ৰাজ্যিক কৃষি বিভাগ আৰু কাঁহিকুছিৰ কামৰূপ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত মুৰব্বী ড° ধীৰেন কলিতাৰ নেতৃত্বত কৃষি বিজ্ঞান কেন্দ্ৰৰ চৌহদত কৃষি সামগ্ৰী ব্যৱসায়ীৰ দ্বিতীয় পৰ্যায়ৰ ১৫ দিনীয়া প্ৰশিক্ষণৰ আজি আৰম্ভ কৰা হয়। এই উপলক্ষে আৰম্ভণি ভাষণ দিয়ে কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° ধীৰেন্দ্ৰ নাথ কলিতাই। অনুষ্ঠানত কৃষি বিভাগৰ সহকাৰী সঞ্চালক ইউচোফ আলী, উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ প্ৰধান বিজ্ঞানী ড° অখিল ডেকা আৰু ড° প্ৰমোদ ডেকা, বিভিন্ন কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ উপস্থিত থাকে। এই অনুষ্ঠানটো কৃষি বিজ্ঞান কেন্দ্ৰৰ বিশেষজ্ঞ ৰিজৱানুল হেলিমে আঁত ধৰে।

## মেৰাপানীত চুলাইৰ উচ্ছেদ অভিযান ঃ ধৃত এক



**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ১৫ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ সীমান্তৰ প্ৰতিখন গাঁওতেই এতিয়া চুলাই প্ৰস্তুতৰ ভাটি গঢ়ি তুলিছে একাংশ অসাধু লোকে। আজি ফৰকাৰ্টিং আৰু গোলাঘাট আবকাৰীৰ দল এটাই মেৰাপানীৰ নাৰায়ণপুৰ, পুলিবাগান, বাঘেধৰা আদি বিভিন্ন স্থানত চুলাই উচ্ছেদ অভিযান চলাই কে'বাটাও ভাটি ধ্বংস কৰাৰ লগতে বহু পৰিমাণৰ চুলাই আৰু প্ৰস্তুত কৰা সামগ্ৰী জব্দ কৰে। এই অভিযানত কে'বাজনো চুলাই মদ ব্যৱসায়ীক আটক কৰে। উল্লেখ্য যে গোলাঘাটত আৱকাৰী বিভাগ এটা আছে যদিও বিভাগীয় বিষয়া-কৰ্মচাৰীৰ দুৰ্বলতা আৰু পৰ্যাপ্ত বাহিনী নথকাৰ সুবিধা লৈ মেৰাপানীৰ বৃহৎ অঞ্চলটোত অবাধে চলাই আহিছে চুলাইৰ ৰমৰমীয়া বেহা। অৱশ্যে আৱকাৰী, চি আৰ পি এফ বাহিনী আৰু আৰক্ষীয়ে মাজে সময়ে অভিযান চলাই দুই এক ভাটি উচ্ছেদ কৰিছে যদিও চুলাই ভাটি নিঃশেষ কৰিব পৰা নাই। উল্লেখ্য যে মেৰাপানীৰ এই দৈয়াং অঞ্চলত ১৫০ খনৰো অধিক গাঁও আছে। বিশেষকৈ মেৰাপানীত অতি সহজ লভ্য গুৰ চুলাই ভাটিয়ে ভাটিয়ে যোগান ধৰি আহিছে লালীগুৰ ব্যৱসায়ীয়ে। সেয়ে চুলাই প্ৰস্তুত কৰাত অতি সহজ হৈ পৰিছে চুলাই ব্যৱসায়ীৰ বাবে। মেৰাপানী অঞ্চলটোত চুলাই মদৰ অবাধ প্ৰচলনৰ ফলত অঞ্চলটোত হাই-কাজিয়া, অশান্তিৰ পৰিৱেশ সৃষ্টি কৰি শান্তিপ্ৰিয় ৰাইজৰ জীৱন যাত্ৰা বিপন্ন কৰাৰ এক গুৰুত্ব অভিযোগ উঠিছে। উল্লেখ্য যে বিগত কে'বাদিন ধৰি অবাধ হাৰত লালীগুৰ বিক্ৰী হৈ আহিছে। আনহাতে, ফাৰ্মৰ নামত লালীগুৰ সৰবৰাহ কৰি আহিছে অসাধু চক্ৰটোৱে। সেয়েহে গোলাঘাট আৱকাৰী বিভাগ আৰু আৰক্ষী প্ৰশাসনে অঞ্চলটোত এক অভিযান চলাই চুলাই ভাটিসমূহ উচ্ছেদ কৰি শান্তিৰ এক পৰিৱেশ সৃষ্টি কৰিব বুলি ৰাইজে আহ্বান জনাইছে।

## মোৰাঝাৰ গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত দুৰ্নীতিৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৫ ডিচেম্বৰ ঃ** হোজাইৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ মোৰাঝাৰ গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত দুৰ্নীতিৰ অভিযোগ উত্থাপন হৈছে। পঞ্চায়তৰ আঠ নম্বৰ ৱাৰ্ডৰ হাতীখালী গাঁৱৰ আব্দুৰ জব্বাৰ নামৰ লোকজনে এই অভিযোগ কৰে। অভিযোগ মতে, ৱাৰ্ডটোৰ সদস্যাৰ স্বামী আৰু তেওঁৰ সংগো-পাংগোয়ে ঘৰৰ নামত কমিছন বিচাৰি হাৰাশাস্তি কৰে। আব্দুল জব্বাৰৰ নামত দুটা কিস্তিত আবণ্টিত ধনেৰে কাম আৰম্ভ কৰিছিল যদিও তাৰ মাজতে ভয়-ভাবুকিৰে মিস্ত্ৰীক খেদি পঠিয়াই ১০ হেজাৰ টকা কমিছন বিচাৰিছিল। এই ধন নিদিয়াৰ বাবে একপ্ৰকাৰ মানসিক নিৰ্যাতন চলোৱা হৈছিল। যাৰ ফলত লোকজনে আৰক্ষীৰ দ্বাৰস্থ হৈছে। ইতিমধ্যে মোৰাঝাৰ আৰক্ষী থানাত গোচৰো ৰুজু কৰিছে। কেৱল ইমানেই নহয় কমিছন নিদিয়াৰ বাবে চৰকাৰী আৱাসৰ বাকী ধন বন্ধ কৰি ৰখা বুলি লোকজনে অভিযোগ কৰে। এই যাৱতীয় দুৰ্নীতিত হাত উজান দিয়ে পঞ্চায়তৰ পূৰ্বৰ সচিব আৰু একাউণ্টজনে। কেৱল ইমানেই নহয় পঞ্চায়তত এনেদৰে কেতবোৰ অভিযোগ আছে। এয়া মাথোঁন উদাহৰণহে। আবণ্টিত আৱাসসমূহৰ নামত এনেদৰে চলিছে কমিছনৰাজ। হাতীখালী গাঁৱত তদন্ত হ'লে সকলো তথ্য পোহৰলৈ আহিব। দালালৰূপী এই লোকসকলৰ ভয়ত অধিকাংশই মুখ খোলা নাই। এফালে, দালালৰ সন্ত্ৰাস আনফালে ঘৰ নোপোৱাৰ ভয়। এইজন ৱাৰ্ড সদস্যা আজমলৰ ১৩ পৃষ্ঠাত চাওক

## বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত যুৱ-ছাত্ৰৰ প্ৰতিবাদী কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৫ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ বিশ্বনাথ জিলা সমিতিতয়ে আজি ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। নাগৰিকত্ব সংশোধনী আইন (কা) বাতিলৰ দাবীত বিশ্বনাথ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত সংগঠনটোৱে গ্ৰহণ কৰে এই ধৰ্ণা কাৰ্যসূচী। 'কা আমি নামানো, মোদী চৰকাৰ মুৰ্দাবাদ' আদি চৰকাৰবিৰোধী বিভিন্ন শ্ল'গান দি কৰি পৰিৱেশ উত্তাল কৰি তোলে প্ৰতিবাদকাৰীয়ে। বিগত সময়তো ৰাজ্যৰ প্ৰতিটো প্ৰতিষ্ঠানত নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে বিভিন্ন জাতীয় দল-সংগঠনে গ্ৰহণ কৰিছিল এই আইনৰ বিৰুদ্ধে জোৰদাৰ প্ৰতিবাদ। এই আইনৰ বিৰোধিতা কৰি গুৱাহাটীত প্ৰতিবাদ কৰিবলৈ গৈ পাঁচজনকৈ অসম সন্তানে নিজৰ প্ৰাণ পৰ্যন্ত আহুতি দিবলগীয়া হৈছিল। আনহাতে, ১৩ পৃষ্ঠাত চাওক

## নাৰ্ছাৰী ব্যৱসায়েৰে স্বাৱলম্বী হোৱাৰ প্ৰয়াস

**অগ্ৰদূত বাৰ্তা**



**দুমুনিচকী, ১৫ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ ভোমোলাহাটী (গোগ) গাঁৱৰ এজন উদ্যমী যুৱক ৰুবুল চৌধুৰী গড়িয়া। নিজকে গড়িয়া হিচাপে পৰিচয় দি ভালপোৱা ৰুবুলৰ সৰুৰে পৰা আছে এক ব্যৱসায়িক মন। বিভিন্ন সামাজিক কামত নিজকে নিয়োজিত কৰি অহা ৰুবুলে নিজকে স্বাৱলম্বী কৰাৰ লগতে নাৰ্ছাৰী ব্যৱসায় আৰু কৃষিকৰ্মৰ প্ৰতি যুৱ চামক আকৰ্ষিত কৰাৰ প্ৰয়াসেৰে আৰম্ভ কৰিছে নাৰ্ছাৰী ব্যৱসায়। ভোমোলাহাটীৰ প্ৰায় ডেৰ বিঘা মাটিত প্ৰায় দুবছৰ পূৰ্বে স্থাপন কৰা গ্ৰীণ হাউছত ইতিমধ্যে ভিন্ন প্ৰজাতিৰ থলুৱা গছ-গছনিকে ধৰি বিভিন্ন ধৰণৰ ঔষধি আৰু ফুলৰ পুলি ব্যৱসায়িক ভিত্তিত সংৰক্ষণ কৰি ৰাখিছে। কঁঠাল, জাম, সোণাৰু, গম, লেটেকু, পনিয়লপৰা আৰম্ভ কৰি আমৰ অম্ৰপালি আৰু হিমসাগৰ, লিচুৰ গুটিবিহীন বম্বাইয়া, মিঠা আমৰা আদি বহু ধৰণৰ ফলৰ গছৰ পুলি পোৱা যায় ৰুবুলৰ নাৰ্ছাৰীত। মালেছিয়ান নাৰিকল আৰু বিভিন্ন ধৰণৰ দেশী-বিদেশী ফুলৰ গছো সংগ্ৰহ কৰি ৰুবুলে নিজৰ নাৰ্ছাৰীত সেয়া বিক্ৰীৰ বাবে সংৰক্ষণ কৰিছে। দিনে-নিশাই নিজকে নাৰ্ছাৰীখনত নিয়োগ কৰি ৰখা যুৱকজনে এইবাৰ সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিত আলু খেতি কৰাৰ প্ৰস্তুতিও আৰম্ভ কৰিছে। ইতিমধ্যে নাৰ্ছাৰীৰ গাতে লাগি থকা প্ৰায় ১০ বিঘা কৃষিভূমি আলু খেতিৰ বাবে তেওঁ সাজু কৰি তুলিছে। আনহাতে প্ৰায় ১৩ পৃষ্ঠাত চাওক

## উচ্চতৰ মাধ্যমিক বিদ্যালয়ত একাদশ শ্ৰেণীৰ ঐচ্ছিক বিষয় 'অসমৰ বিহু উৎসৱ'

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১৫ ডিচেম্বৰ ঃ** কৃষক থাকিলে বিহু থাকিব, বিহু থাকিলে অসমীয়া জাতি থাকিব। এই উদ্দেশ্যৰ ২০১০ত গঠন হোৱা বিহু সুৰক্ষা সমিতি অসমে সাংস্কৃতিক, সামাজিক দিশত সংগ্ৰাম অব্যাহত ৰাখিছে। বিহু সুৰক্ষা সমিতি অসমে ৰাজ্য চৰকাৰক 'বিহু'ক ঐচ্ছিক বিষয় হিচাপে লোৱা দাবী মান্যতা প্ৰদান কৰি উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকত 'বিহু'ক ঐচ্ছিক বিষয় হিচাপে অন্তৰ্ভুক্তি কৰাত আজি মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰম্ভ কৰা হয়। অনুষ্ঠানত বিহু সুৰক্ষা সমিতিৰ, কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক কৃপাল ফুকন, মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ, ডিব্ৰুগড় জিলা মহিলা মঞ্চৰ আহ্বায়িক কল্পিকা ফুকন, মৰাণ আঞ্চলিক সমিতিৰ সম্পাদক ভূগেশ্বৰ ফুকন, সভাপতি মাধৱ জ্যোতি চুতীয়া, সাংস্কৃতিক সম্পাদিকা অঞ্জু দত্তই ছাত্ৰ-ছাত্ৰীৰ মাজত উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকত 'অসমৰ বিহু উৎসৱ' ঐচ্ছিক বিষয়ৰ পাঠ্যপুথি বিতৰণ কৰে।

## ■ কৃষি আইন, সেউজ প্ৰাধিকৰণ অৰ্থহীন ঃ ভূমি বিক্ৰীৰ নামত অনিয়ম

# তেজপুৰত কৃষিভূমিৰ শ্ৰেণী পৰিৱৰ্তন অব্যাহত



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৫ ডিচেম্বৰ ঃ** তেজপুৰত কৃষিভূমি হ্ৰাস পোৱাৰ লগতে গোপনে এনে কৃষিভূমিৰ শ্ৰেণী পৰিৱৰ্তন হৈ আহিছে। সেউজ প্ৰাধিকৰণৰ লগতে কৃষিভূমিৰ শ্ৰেণী পৰিৱৰ্তনৰ ক্ষেত্ৰত থকা সকলো নিয়মৰ প্ৰতি অংগুষ্ঠ প্ৰদৰ্শন কৰি এতিয়া তেজপুৰত অবাধে কৃষি ভূমি ক্ৰয় বিক্ৰয় হোৱাৰ লগতে শ্ৰেণী পৰিৱৰ্তন কৰি এনে ভূমিত গঢ়ি উঠিছে বিভিন্ন নিৰ্মাণ কাৰ্য। উল্লেখ্য যে সম্প্ৰতি তেজপুৰৰ গটঙা আৰু তৰাজান কুমাৰগাঁৱৰ পৰা ডিপোটা পৰ্যন্ত কৃষিভূমি বিক্ৰী হোৱাৰ লগতে সেউজ প্ৰাধিকৰণৰ নীতি নিয়ম ধোঁৱাচাঙত তুলি একাংশ লোকে ধনৰ বল আৰু ৰাজনৈতিক প্ৰভাৱ খটুৱাই কৃষিভূমিৰ শ্ৰেণী পৰিৱৰ্তন কৰাৰ সুযোগ লাভ কৰিছে। শেহতীয়াকৈ তেজপুৰৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষৰ কৃষিভূমি, বন্যহস্তী অহা-যোৱা পথত বিভিন্ন নিৰ্মাণ কাৰ্য চলাৰ লগতে কৃষিভূমিৰ শ্ৰেণী পৰিৱৰ্তন হৈ আছে। সম্প্ৰতি তেজপুৰৰ মুখ্য প্ৰাকৃতিক নলা-নৰ্দমাসমূহ পোত যোৱাৰ লগতে ইয়াত ব্যাপক বেদখল হোৱাৰ পৰিণতিত চহৰখনত ক্ৰমান্বয়ে কৃত্ৰিম বানৰ কবলত পৰাৰ সময়তে গটঙা আৰু তৰাজান কুমাৰগাঁৱত ৰাষ্ট্ৰীয় পথৰ কাষৰ বৃহৎ প্ৰাকৃতিক নলাসমূহো পোতা হয়। প্ৰথম অৱস্থাত এজন ব্যৱসায়িয়ে এই নলা পোতাৰ পাছত এজন ১৩ পৃষ্ঠাত চাওক

## অসম কলেজ শিক্ষক সংস্থাৰ নতুন সমিতি গঠন

### ■ হিমাংশু মৰল সভাপতি, ড° জয়ন্ত বৰুৱা সাধাৰণ সম্পাদক নিৰ্বাচিত

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৫ ডিচেম্বৰ ঃ** নগাঁও ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ ৬৬ সংখ্যক বাৰ্ষিক অধিবেশনৰ কালি অনুষ্ঠিত হোৱা বিষয় বাচনি সভাত আগন্তুক কাৰ্যকালৰ বাবে সংস্থাৰ সভাপতি হিচাপে হিমাংশু মৰল আৰু সাধাৰণ সম্পাদক হিচাপে ড° জয়ন্ত বৰুৱা নিৰ্বাচিত হৈছে। আনহাতে, সংস্থাৰ উপ-সভাপতিৰ অসংৰক্ষিত পদত ড° ব্ৰীজ মোহন হাজৰিকা, মহিলাৰ সংৰক্ষিত পদত অমিয়া পাটৰ, বিত্ত সম্পাদকৰূপে ড° অনুপম দত্ত, সাংগঠনিক সম্পাদকৰূপে সঞ্জীৱ ফুকন, একাডেমীক সম্পাদক ৰূপে প্ৰাঞ্জল গগৈ আৰু মহিলা ছেলৰ সম্পাদক হিচাপে শচসংৰক্ষিতগ্নডৰ্স্বপ্না নাথ নিৰ্বাচিত হয়।

## বাঘমাৰীত গোৰ্খা ছাত্ৰ সন্থাৰ বিনামূলীয়া চকু চিকিৎসা শিৱিৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৫ ডিচেম্বৰ ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা (আগছু) বিশ্বনাথ জিলা সমিতি আৰু বাঘমৰা আঞ্চলিক সমিতিৰ উদ্যোগত আজি বিনামূলীয়া চকু চিকিৎসা শিৱিৰৰ আয়োজন কৰা হয়। চকু চিকিৎসা শিৱিৰত বাঘমাৰী অঞ্চলৰ বহু সংখ্যক পুৰুষ-মহিলাক চকু পৰীক্ষা কৰাৰ লগতে ঔষধ-পাতি যোগান ধৰে। শিৱিৰৰ মুকলি কৰে বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাই। সভাত উপস্থিত থাকে সমাজসেৱক টিকাৰাম নিৰ্ভিক, আগছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি দিলীপ গজুৰেল, বিহালী জিলা পৰিষদৰ সদস্য তৰুণ তাতী।

## বুঢ়ালিকচন কুঁহিয়াৰ গৱেষণা কেন্দ্ৰত কৃষক মেলাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা,**

**বৰুৱাবামুণগাঁও, ১৫ ডিচেম্বৰ ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত বুঢ়ালিকচনস্থিত কুঁহিয়াৰ গৱেষণা কেন্দ্ৰত অহা ১৮ ডিচেম্বৰত দিনজোৱা কাৰ্যসূচীৰে এখন কৃষক মেলাৰ আয়োজন কৰা হৈছে। উক্ত মেলাত অসম কৃষি বিশ্ববিদ্যালয়ৰ দ্বাৰা উদ্ভাৱিত বিভিন্ন কৃষি কৌশলসমূহৰ লগতে কেন্দ্ৰটোত বিকশিত কুঁহিয়াৰৰ উন্নত জাতসমূহ আৰু উৎপাদনৰ নতুন পদ্ধতিৰ বিষয়ে ৰাইজক অৱগত কৰাৰ উদ্দেশ্যে এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। কৃষক মেলাৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, কৃষকসকলৰ নাম পঞ্জীয়ন আদিৰ পাছতে পুৱা ১০ বজাত প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰা হ'ব। পুৱা ১১ বজাত কৃষক মেলাৰ উদ্বোধনী অনুষ্ঠান আৰু বিয়লি দুই বজাৰ পৰা কৃষক আৰু কৃষি বিজ্ঞানীৰ মাজত মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হ'ব। কুঁহিয়াৰ গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° তুলসী প্ৰসাদ শইকীয়াই সদৰী কৰা মতে, কৃষক মেলাৰ উদ্বোধনী অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, বিত্তমন্ত্ৰী অজন্তা নেওগ, স্থানীয় বিধায়ক মৃণাল শইকীয়া, কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকা, গৱেষণা সঞ্চালক ড° অশোক ভট্টাচাৰ্য উপস্থিত থাকিব।

## দুৰাৰোগ্য ৰোগত আক্ৰান্তক সহায়ৰ আহ্বান

**ডুমডুমা, ১৫ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ আৰক্ষী থানাৰ সমীপতে কাকপথাৰ বজাৰৰ এটা জৰাজীৰ্ণ বাসগৃহত দুৰ্বিষহ জীৱন-যাপন কৰি অহা সঞ্জীৱ ডেকা (৪৭) নামৰ লোকজনৰ তিনিজনীয়া দৰিদ্ৰ পৰিয়ালটোলৈ নামি আহিছে ঘোৰ অমানিশা। আনৰ ঘৰত দৈনিক মজুৰিৰ কাম কৰি পৰিয়াল পোহপাল দিয়া ডেকা সম্প্ৰতি দুৰাৰোগ্য ৰোগত ভুগি আছে। ডেকাই ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত সপ্তাহত এদিন স্বাস্থ্য পৰীক্ষা কৰোৱাব লাগে। কিন্তু নিজৰ স্বাস্থ্য পৰীক্ষা কৰোৱাবলৈ চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালখনলৈ যাবলৈ বাট খৰচ গোটাবলৈ সামৰ্থ্য নোহোৱা হৈ পৰিছে। দুৰ্ভগীয়া ডেকাৰ ঔষধ ক্ৰয় কৰিবলৈ পত্নী কৌশল্যা ডেকাই টকা-পইচা গোটাব নোৱাৰি শাৰীৰিক-মানসিকভাৱে ভাগি পৰিছে। উল্লেখ্য যে গুৱাহাটীৰ হাস্পতালত ডেকাই তেওঁৰ নিজৰ নামত থকা ভাৰত চৰকাৰৰ 'আয়ুষ্মান ভাৰত' আৰু অসম চৰকাৰৰ 'অসম অটল অমৃত মিছন' ১৩ পৃষ্ঠাত চাওক

## অসম নাট্য সন্মিলনৰ উদ্যোগত ১৭-১৯ ডিচেম্বৰত সুতাৰগাঁৱত নাট কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ১৫ ডিচেম্বৰ ঃ** অসম নাট্য সন্মিলনৰ পাতিদৰং শাখাৰ উদ্যোগত অহা ১৭, ১৮ আৰু ১৯ ডিচেম্বৰত সুতাৰগাঁৱস্থিত মধ্য পাদিদৰং জনকল্যাণ সংঘৰ সভাকক্ষত তিনিদিনীয়া কাৰ্যসূচীৰে নাট কৰ্মশালাৰ আয়োজন কৰা হৈছে বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। নাট কৰ্মশালাৰ কাৰ্যসূচী অনুসৰি, ১৭ ডিচেম্বৰৰ পুৱা মধ্য পাতিদৰং জনকল্যাণ সংঘৰ সভাপতি ইক্ৰাম হুছেইনে স্বচ্ছ অভিযান কাৰ্যসূচী উদ্বোধন কৰাৰ পাছতেই অসম নাট্য সন্মিলনৰ পতাকা উত্তোলন কৰিব হাচিৰাম বড়োৱে। ছহিদ তৰ্পণ আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰিব ক্ৰমে ৰত্নেশ্বৰ বৰ্মন আৰু অৱসৰপ্ৰাপ্ত অধ্যক্ষ গিৰিণ চন্দ্ৰ ডেকাই। গছপুলি ৰোপণ কৰিব ক্ৰমে দুৰ্গেশ্বৰ দাস, গজেন্দ্ৰ ডেকা, দেবেন্দ্ৰ কাকতি, জাননুৰ আলী আৰু শৈলেন্দ্ৰ ডেকাই। নাট কৰ্মশালা উদ্বোধন কৰিব বিহদিয়া জাজিকোনা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া হেমন্ত ডেকাই। নাট কৰ্মশালাত সমলব্যক্তি হিচাপে উপস্থিত থাকিব ক্ৰমে নাট্য আন্দোলন সংক্ৰিয়কৰ্মী পৰী শৰণীয়া, বেণুধৰ, পাটোৱাৰী আৰু মোস্তাফা কামাল আহমেদ। ১৯ ডিচেম্বৰত মুকলি তথা সম্বৰ্ধনা সভা। উপস্থিত থাকিব ক্ৰমে অসম নাট্য সন্মিলনৰ সভাপতি তথা প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস, স্থানীয় বিধায়ক দিগন্ত কলিতা, প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা, অসম নাট্য সন্মিলনৰ সম্পাদক গিৰিধৰ ৰয়, অৰূপ বৰঠাকুৰ, জ্যেষ্ঠ অভিনেতা তৌফিক চৌধুৰী, শিক্ষা বিভাগৰ উপ-সঞ্চালক মাধৱ চন্দ্ৰ ডেকা, মানৱ অধিকাৰ আয়োগৰ যুটীয়া আয়ুক্ত ছহিদুল ইছলাম, ৰিজাৰ্ভ বেংকৰ বিষয়া অশ্বিনী বৈশ্য, নৰজ্যোতি মৰল, অভিনেতা শিশুপাল নাথ, হৰমোহন ৰাজবংশী, আব্দুল মজিদ আৰু ধৰ্মকান্ত ৰাজবংশীয়ে।

## বিশ্বনাথৰ বিধায়কৰ তৎপৰতাত তিনি বছৰ সন্ধানহীন যুৱকক জয়পুৰৰ পৰা উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৫ ডিচেম্বৰ ঃ** বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত বৰপুখুৰী চাহ বাগিচাৰ স্বপন মাঝি নামৰ এজন যুৱক কৰ্মসূত্ৰে বাংগালুৰুলৈ গৈ তিনি বছৰ ধৰি কোনো ধৰণৰ যোগাযোগ নোহোৱাত পৰিয়ালবৰ্গই উপায়হীন হৈ স্থানীয় বিধায়ক প্ৰমোদ বৰঠাকুৰৰ কাষ চাপিছিল। পৰিয়ালটিৰ অৱস্থা দেখি বিধায়কজনে আশ্বাস দিয়ে আৰু নিজৰ কৰ্ম ব্যস্ততাৰ মাজতো বিভিন্ন অনুসন্ধান আৰম্ভ কৰে। অকল বাংগালুৰুলৈ নহয় সেই স্থানৰ এজন যুৱকক বিচাৰিবলৈ দায়িত্ব দিয়ে। যাৰ বাবে কালিৰ দিনটো অতি আনন্দৰ দিন ৰূপে পৰিগণিত হয়। বিধায়ক বৰঠাকুৰে দায়িত্ব প্ৰদান কৰা যুৱকজন পুনে, বাংগালৰে ঘূৰি-ফুৰি শেষত জয়পুৰৰ পৰা বিচাৰি উলিয়াই সন্ধানহীন যুৱকজনক আনি পৰিয়ালবৰ্গক চমজাই দিয়ে। বিধায়কজনৰ এই প্ৰচেষ্টাত পৰিয়ালবৰ্গৰ লগতে বিশ্বনাথবাসী ৰাইজ উৎফুল্লিত হৈ পৰিছে।

## ওদালগুৰি জিলাৰ যোৰপুখুৰী হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ সংকল্প

### ■ সন্দেহযুক্ত যক্ষ্মা ৰোগী চিনাক্তকৰণত কৰিব সহায়

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৫ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৫ৰ ভিতৰত ভাৰতবৰ্ষৰ পৰা যক্ষ্মা ৰোগ নিৰ্মূলকৰণৰ সংকল্প লৈ যুদ্ধংদেহী মনোভাৱেৰে যি ন-ন পদক্ষেপ গ্ৰহণ কৰি আহিছে, এই পদক্ষেপত পূৰ্ণ সহযোগ কৰাৰ অংগীকাৰ লৈছে ভাৰত-ভুটান সীমান্তৱৰ্তী ওদালগুৰি জিলাৰ যোৰপুখুৰী হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে। যোৱা ১৪ ডিচেম্বৰত ওদালগুৰি যক্ষ্মা গোটৰ উদ্যোগত বিদ্যালয়খনত হোৱা 'যক্ষ্মা সজাগতা সভা'ত বিদ্যালয়খনৰ নৱম আৰু দশম শ্ৰেণীৰ ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে বৃহত্তৰ যোৰপুখুৰী অঞ্চলৰ প্ৰতিটো চুবাত অভিযান চলাই 'এসপ্তাহ ধৰি কাহ হৈ থকা, কাহৰ লগত তেজ যোৱা, বুকুখন বিষোৱা, ৰাতি ৰাতি জ্বৰ হোৱা, খাবলৈ মন নকৰা, ক্ষীণাই যোৱা, ওজন কমি যোৱা, গ্ৰন্থি ফুলি উঠা আদি যক্ষ্মাৰ লক্ষম থকা ৰোগীক বিচাৰি চৰকাৰী স্বাস্থ্য কেন্দ্ৰত বিনামূলীয়াকৈ কফ ১৩ পৃষ্ঠাত চাওক

## বিশুদ্ধ খোৱা পানীৰ বাবে হাহাকাৰ ফ্ল'ৰাইড অধ্যুষিত অঞ্চলৰ ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৫ ডিচেম্বৰ ঃ** হোজাইৰ ডবকা ৰাজহ চক্ৰৰ অন্তৰ্গত আকাশীগংগা গাঁও পঞ্চায়তৰ হালধীআটী, তপতজুৰি, বেগাঁও, দিখাৰুমুখ, নিজপাৰখোৱা আদি গাঁৱত এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। গাঁওৰ ৰাইজে আজিৰ দিনতো খাল, নাদ, কুঁৱাৰ গোলা পানী খাই জীৱন-নিৰ্বাহ কৰিবলগীয়া হৈছে। গাঁৱৰ একাংশ ৰাইজে বহু দূৰদূৰণিৰ পৰা পানী আনি ১৩ পৃষ্ঠাত চাওক



## হাপজানত শিক্ষা খণ্ড পৰ্যায়ৰ ভিজিলেন্স কমিটীৰ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**ডুমডুমা, ১৫ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ হাপজান শিক্ষাখণ্ডৰ অন্তৰ্গত গুইজান, হাপজান আৰু ইটাখুলি উন্নয়ন খণ্ডক সামৰি শিক্ষাৰ বাবে গঠন হোৱা ভিজিলেন্স আৰু মণিটৰিং কমিটৰ সভাখন হাপজান আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী চিত্ৰা মজুমদাৰৰ সঞ্চালনাত অনুষ্ঠিত হয়। শিক্ষাৰ ক্ষেত্ৰখনত পঞ্চায়ত ব্যৱস্থাৰ সক্ৰিয় অংশগ্ৰহণৰ দ্বাৰা নিয়মীয়া পুনৰীক্ষণ তথা পৰ্যবেক্ষণ অব্যাহত ৰাখি বিদ্যালয়সমূহৰ শৈক্ষিক মান উন্নত কৰিবলৈ বিভিন্ন দিশত সহায় সমৰ্থন আগবঢ়াই যাবলৈ এই সমিতিখনে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। সভাত শিক্ষা বিভাগৰ জিলা আঁচনি বিষয়া ত্ৰিদিব শৰ্মা তামুলীয়ে বৰ্তমানৰ পৰিবৰ্তিত ক'ভিডসৃষ্ট পৰিস্থিতিত শিশুৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰিবলৈ সমগ্ৰ শিক্ষাৰ তৰফৰ পৰা গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়ায়। সামাজিক হিচাপ পৰীক্ষা, বিদ্যালয় বহিৰ্ভূত শিশুৰ তথ্য সংগ্ৰহ, বিশেষ শিশুৰ প্ৰতিপালন, বিদ্যালয়ৰ উন্নয়নত গাঁও সভাৰ বৰঙণি, শিশুৰ সুৰক্ষা, পৰিপুষ্টি, স্বচ্ছতা, আদিৰ ওপৰত আলোচনা কৰে। খণ্ড সমল ব্যক্তি দিতুল চেতিয়াই খণ্ডটোৰ শৈক্ষিক দিশটোৰ তথ্যসমূহ দাঙি ধৰাৰ লগতে বিদ্যালয় পৰিচালনা সমিতিৰ ১৩ পৃষ্ঠাত চাওক

## হাজোৰ কুলহাটী বজাৰ চ'কত অবৈধ চুলাই ঘাটি

### ■ নিৰ্বিকাৰ আৱকাৰী বিভাগ, আৰক্ষী প্ৰশাসন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৪ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হাজোৰ কুলহাটীৰ লগতে দাঁতিকাষৰীয়া অঞ্চলত দীৰ্ঘদিনৰ পৰা অবৈধ চুলাই মদৰ ৰমৰমীয়া ব্যৱসায় চলি অহাৰ অভিযোগ তুলিছে সচেতন ৰাইজে। আৰক্ষী প্ৰশাসনৰ নিৰ্বিকাৰ ভূমিকাৰ বাবেই কুলহাটীত অবৈধ চুলাইৰ উপৰিও ভাঙৰ ব্যৱসায় চলি আহিছে। হাজোৰ কুলহাটী বজাৰ চ'কত চুলাই মদৰ অবৈধ ঘাটিৰে ৰমৰমীয়া বেহা চলি অহাৰ ফলত অঞ্চলটোৰ শৈক্ষিক, সামাজিক পৰিৱেশ বিনষ্ট হোৱাত সচেতন ৰাইজ অতিষ্ঠ হৈ পৰিছে। পুৱাৰ পৰা ৰাতি এপৰলৈকে বহা মদৰ আড্ডাই অঞ্চলটোৰ সামাজিক পৰিৱেশ কলুষিত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ভৱিষ্যতৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। কৰ'নাৰ ভয়াৱহতাৰ মাজতো কোনো ধৰণৰ নীতি-নিয়ম নামানি বিভিন্ন দুচকীয়া আৰু চাৰিচকীয়া বাহনত পুৱাৰ পৰা ৰাতি এপৰলৈকে অবৈধ মদৰ ঘাটিত এক

## ১৪ বিধ ধানৰ খেতি কৰা এজন শিক্ষক

**অগ্ৰদূত বাৰ্তা**



**তেজপুৰ, ১৪ ডিচেম্বৰ ঃ** কৃষিপথাৰত প্ৰয়োজনীয় সুবিধাৰ অভাৱ আৰু উপযুক্ত মূল্য লাভ নকৰাৰ বাবেই ৰাজ্যৰ বহুসংখ্যক কৃষকে খেতি কৰিবলৈ এৰাৰ লগতে নতুন প্ৰজন্মও কৃষিৰ প্ৰতি বৰকৈ আকৰ্ষিত নহয় বুলি চৰ্চিত হোৱাৰ সময়তে একাংশ শিক্ষিত লোকে অব্যাহত ৰাখিছে কৃষিপথাৰত নতুন নতুন পৰীক্ষাৰ লগতে কৃষিৰ প্ৰতি গ্ৰামাঞ্চলৰ লোকক আকৰ্ষিত কৰাৰ প্ৰয়াস। তেজপুৰৰ নিকটৱৰ্তী টুমুকী অঞ্চলত সম্প্ৰতি এগৰাকী শিক্ষক তথা স্থানীয় সমাজকৰ্মী প্ৰবীণ কটকীয়ে তেওঁৰ পথাৰত ১৪বিধ ধানৰ পৰীক্ষামূলক খেতি কৰাৰ লগতে স্থানীয় কৃষকসকলকো ইয়াৰে জড়িত কৰিছে। তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সমীপৰ পথাৰত এইজন কৃষকে যোৱা ৩০বছৰ ধৰি খেতি কৰি আহিছে। এইবাৰ তেওঁ শোণিতপুৰ জিলা কৃষি বিভাগ আৰু এপাৰ্টৰ সহযোগত আৰম্ভ কৰিছে পৰীক্ষামূলক ধানখেতি। ৰঞ্জিত চাবৰধান এবিঘা মাটিত ২৪ মোন আৰু ২০ মুঠি ২৬ মোন লাভ কৰিবলৈ সক্ষম হোৱা কৃষক তথা শিক্ষক কটকীয়ে কয় ১৩ পৃষ্ঠাত চাওক

## ঘগ্ৰাপাৰৰ বনভাগ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত আক্ৰান্ত

**অগ্ৰদূত বাৰ্তা,**

**ঘগ্ৰাপাৰ ১৫ ডিচেম্বৰ ঃ** ৰাজ্যত ক'ভিড মহামাৰীৰ সংক্ৰমণৰ হাৰ নিম্নগামী হোৱা বুলি ধাৰণা কৰাৰ সময়তে আজি নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান জ্যেষ্ঠ মাধ্যামিক বিদ্যালয়ৰ অধ্যক্ষ ক'ভিডত আক্ৰান্ত হোৱাৰ খবৰে শিক্ষানুষ্ঠানখনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আতংকই বিৰাজ কৰে। উল্লেখ্য যে দুদিনমান ধৰি অধ্যক্ষ যোগেন্দ্ৰ কলিতা চৰ্দি, কাঁহত ভুগি থকা সত্বেও বিদ্যালয়খনত সেৱা আগবঢ়াই আছিল। আজি তেওঁ নিজেই ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত উপস্থিত হৈ ক'ভিড পৰীক্ষা কৰাত তেওঁৰ দেহত ক'ভিডৰ অৱস্থিতি ধৰা পৰে। লগে লগে স্বাস্থ্য বিভাগে অধ্যক্ষ কলিতাক হোম কোৱাৰেন্টাইনত ৰাখি চিকিৎসাৰ ব্যৱস্থা কৰে। ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ এটি স্বাস্থ্যকৰ্মীৰ দলে আজিয়েই শিক্ষানুষ্ঠানখনৰ শিক্ষক- শিক্ষয়িত্ৰী, কৰ্মচাৰী-ছাত্ৰ-ছাত্ৰীসকলৰ ক'ভিড পৰীক্ষা কৰা হয় যদিও কোনো পজিটিভ ফলাফল ওলোৱা নাই। আনহাতে, ঘগ্ৰাপাৰ বজাৰ চ'কৰ সমীপৰ কটকীয়া গাঁৱৰ একেটা পৰিয়ালৰ শিশুকে চাৰি গৰাকী সদস্য আজি ক'ভিডত আক্ৰান্ত হোৱা খবৰে বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলত আতংকই বিৰাজ কৰিছে।

## শোণিতপুৰৰ ঘোঁৰামাৰীত দক্ষতা বিকাশ সম্পৰ্কীয় কৰ্মশালাৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৫ ডিচেম্বৰ ঃ** তেজপুৰৰ নিকটৱৰ্তী ঘোঁৰামাৰী হেম বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে বৃত্তিমুখী বিভাগৰ উদ্যোগত আয়োজন কৰা কৰ্মশালাৰ সামৰণি পৰিছে। যোৱা ১১ ডিচেম্বৰত বিদ্যালয়খনৰ প্ৰদান শিক্ষক গোপীনাথ ব্ৰহ্মই কৰ্মশালাৰ আৰম্ভ কৰে। চাৰিগৰাকী বিশেষ সমল ব্যক্তিয়ে নৱম শ্ৰেণীৰ কৃষি আৰু সৌন্দৰ্য বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক কৰ্মশালাত বিশেষ জ্ঞান দিয়ে। প্ৰথম দিনা উদীয়মান যুৱ ব্যৱসায়ী সৌৰভ ৰায়ে কাঠফুলা উৎপাদন আৰু অসমত ইয়াৰ ভৱিষ্যত সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক পাঠভিত্তিক আৰু ব্যৱহাৰিক দিশত জ্ঞান দিয়ে। নৱম শ্ৰেণীৰ সৌন্দৰ্য বিভাগৰ ছাত্ৰীসকলৰ মাজত মমতা কোচ ভূএগ্ৰাই সৌন্দৰ্য চৰ্চাৰ লগতে প্ৰসাধনৰ ওপৰত বিস্তৃত ১৩ পৃষ্ঠাত চাওক

## ২৩ বছৰে প্ৰাদেশিকীকৰণ নহ'ল বাণিজ্য শাখাৰ

### ■ পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰ হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৫ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ ১৯১১তে স্থাপিত পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়খন মজলীয়াৰ পৰা উচ্চ মাধ্যমিক আৰু পৰৱৰ্তী সময়ত উচ্চতৰ মাধ্যমিকলৈ উন্নত হয়। প্ৰথমতে বিদ্যালয়খনে বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিকলৈ উন্নীত হৈছিল যদিও পৰৱৰ্তী সময়ত কলা আৰু বাণিজ্য শাখা সংযোগ কৰা হ'ব। কিন্তু ১৯৯৮তে প্ৰতিষ্ঠা কৰা বাণিজ্য শাখাৰ এজনো শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ নোহোৱাত শিক্ষক-কৰ্মচাৰীসকলৰ মাজত হতাশাই গা কৰি উঠিছে। উল্লেখ্য যে বাণিজ্য শাখাটোক লৈ বিগত ২০০০ত শিক্ষা বিভাগে উপাযুক্ততাৰ প্ৰমাণপত্ৰ দিছিল আৰু ২০০৫ত লাভ কৰিছিল চৰকাৰী অনুমতি। তদুপৰি বিগত ২০১০/১১/১২লৈ তিনি বছৰ এইসকল শিক্ষকে লাভ কৰিছিল চৰকাৰী সাহায্য। তাৰ পাছৰে পৰা আজি পৰ্যন্ত এটা ফুটা কড়িও পোৱা নাই দুৰ্ভগীয়া শিক্ষক-কৰ্মচাৰীসকলে। তদুপৰি ২০১৫ত চৰকাৰী বাছনি সমিতিত উপযুক্ত বুলি নিৰ্বাচিত হৈছিল বিদ্যালয়খন। উল্লেখ্য যে চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাদেশিকীকৰণ প্ৰক্ৰিয়াত উক্ত বিদ্যালয়ৰ নাম অন্তৰ্ভুক্ত হৈছিল যদিও প্ৰাদেশিকীকৰণৰ পৰা বঞ্চিত হয়। বিদ্যালয়ৰ অধ্যক্ষ মনোৰঞ্জন বৰুৱাই কয় যে ইউজাৰ ডাইজ কোডত নাম অন্তৰ্ভুক্ত থকাৰ পাছতো ডাইজ কোডত নাম নোহোৱা বাবে বাদ পৰিল বিদ্যালয়খনৰ দুৰ্ভগীয়া শিক্ষক-কৰ্মচাৰীসকল। উল্লেখ্য যে বিদ্যালয়খনৰ বাণিজ্য শাখাটো প্ৰতিষ্ঠা কালৰ পৰা দীপক কুমাৰ দাস আৰু দেবেন্দ্ৰ কলিতা, ২০০৭ৰ পৰা অপূৰ্ব কুমাৰ শৰ্মা, ২০১০ৰ পৰা ডলি ডেকা, জয়মতী কলিতা আৰু নিজৰা ডেকাৰ লগতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী দীপাংকৰ বৈশ্য কৰ্মৰত হৈ আছে। পৰিয়ালৰ চৰম আৰ্থিক দৈন্যকো মূৰপাতি লৈ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঢ়াত নিজক নিয়োজিত কৰিও চৰকাৰী স্বীকৃতি নোপোৱাত হতাশ হৈ পৰিছে এওঁলোক। তদুপৰি অন্য কৰ্মসংস্থাপনৰ চিন্তা কৰিব পৰাকৈ বয়সো উকলি গৈছে। ২০০০ ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ধাৰাবাহিকভাৱে এশ শতাংশই উত্তীৰ্ণ হৈ অঞ্চলত গৌৰৱ কঢ়িয়াই আনিছিল বিদ্যালয়খনে। এতিয়া বিদ্যালয়খনৰ বাণিজ্য শাখাত ১৩ পৃষ্ঠাত চাওক

## হাজোত মহিলা যুৱতীসকলক স্বাৱলম্বিতাৰ সজাগতা সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা,**

**হাজো, ১৫ ডিচেম্বৰ ঃ** কমৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত দিহিনা দুৰ্গা পূজাৰ সভাঘৰৰ প্ৰাংগণত কালি মহিলা যুৱতীসকলক লৈ সজাগতামূলক এখনি সভা অনুষ্ঠিত হয়। উক্ত সভাত সভাপতিত্ব কৰে প্ৰভাত নাথে। সভাখনত অংশগ্ৰহণ কৰি বিজেপি নেতা বিপুল দাসে ভাষণ কয় যে নিজকে স্বাৱলম্বী কৰিবলৈ মহিলাসকলে আগবাঢ়ি আহিব লাগিব। স্বাৱলম্বী ৰূপে আগবাঢ়ি আহিবলৈ বিভিন্ন কৰ্মত প্ৰবৃত্ত হ'বলৈ হ'লে দক্ষতা অনুসৰি কামত অগ্ৰসৰ হ'ব লাগিব। উক্ত সভাত ১৩ পৃষ্ঠাত চাওক

# ভাতনাপাইতিতত সুলভ মূল্যৰ এজেণ্টৰ দুৰ্নীতি



## প্ৰতিবাদ মহিলাৰ

**আলোপতি, ১৫ ডিচেম্বৰ ঃ** 'সুলভ মূল্যৰ ১০০ গ্ৰাম চাউলত কেলেংকাৰি হ'লেও জেলত যাব লাগিব।' মুখ্যমন্ত্ৰীৰ এই কঠোৰ সকীয়নিকো কেৰেপ কৰা নাই একাংশ সুলভ মূল্যৰ এজেণ্টে। বৰপেটা জিলাৰ ভাতনাপাইতি গাঁৱৰ শতাধিক দৰিদ্ৰ পৰিয়ালে উত্থাপন কৰিছে এই অভিযোগ। বাঘমাৰাচৰ সমবায় সমিতিৰ অন্তৰ্ভুক্ত শতাধিক দৰিদ্ৰ পৰিয়ালক এজেণ্টে দীৰ্ঘদিন ধৰি সুলভ মূল্যৰ চাউলৰ পৰা পৰিকল্পিতভাৱে বঞ্চিত কৰাৰ অভিযোগ উত্থাপন কৰিছে। অভিযোগ উত্থাপিত হৈছে, সমবায় সমিতিৰ এজেণ্ট জয়ফুল নেচা, আব্দুল কাদেৰ আৰু আব্দুল হাশেমৰ বিৰুদ্ধে। অভিযোগ মতে, ২০১৩লৈ শতাধিক দৰিদ্ৰ পৰিয়ালে সুলভ মূল্যৰ চাউল, তেল ঠিকেই পাইছিল যদিও উল্লিখিত পৰিয়ালসমূহৰ ৰেছন কাৰ্ডসমূহ কৰ্তন কৰি একাংশ ধনী শ্ৰেণীৰ লোকৰ নামত কাৰ্ড প্ৰস্তুত কৰি বঞ্চিত কৰিছে দৰিদ্ৰ লোকক। এই তিনিওজন সুলভ মূল্যৰ এজেণ্টৰ দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে বিভিন্ন সময়ত সৰৱ হৈ থকা বাবেই উক্ত পৰিয়ালসমূহৰ ৰেছন কাৰ্ড কৰ্তন কৰাৰ অভিযোগ উত্থাপন কৰিছে ভূক্তভোগী লোকসকলে। তদুপৰি সুলভ মূল্যৰ চাউল পাই থকাখিনিকো সঠিকভাৱে চাউল বিতৰণ নকৰাৰ অভিযোগ উত্থাপন কৰিছে একাংশ গ্ৰাহকে। তিনিওজন এজেণ্টে বৰপেটা যোগান বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীক মেনেজ কৰি ভুৱা ৰেছন কাৰ্ড বনাই বছৰ বছৰ ধৰি শ শ কুইন্টল চাউল আত্মসাৎ কৰি অহাৰো অভিযোগ উত্থাপন কৰিছে একংশ লোকে। এজেণ্টসকলৰ এনে দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে ন্যায় বিচাৰি দৰিদ্ৰ লোকসকলে জিলা যোগান বিভাগৰ দুৱাৰে দুৱাৰে ঘুৰিও সুফল পোৱা নাই। সেয়ে এইবাৰ মুখ্যমন্ত্ৰীৰ লগতে যোগানমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ ভাতনাপাইতি গাঁৱৰ শতাধিক দৰিদ্ৰ পৰিয়ালৰ মহিলাসকলে প্ৰতিবাদ সাব্যস্ত কৰে।

# টিহুত চোৰৰ উপদ্ৰৱ বৃদ্ধি

### আৰক্ষীৰ নিৰ্লিপ্ত ভূমিকা ঃ নলবাৰী আৰক্ষী অধীক্ষকৰ হস্তক্ষেপ দাবী

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৫ ডিচেম্বৰ ঃ** টিহু অঞ্চলত বিগত কে'বামাহ ধৰি এটাৰ পাছত আনটো চুৰি ঘটনা সংঘটিত হৈ অহাত অঞ্চলটোৰ ৰাইজ চৰম নিৰাপত্তাহীনতাত ভুগিছে। যোৱা নিশা পুনৰ টিহুৰ কুকুৰমাৰাত এঘৰৰ পৰা চোৰে লুটি নিয়া ঘটনা সংঘটিত হয়। প্ৰাপ্ত তথ্য অনুসৰি টিহু থানাৰ অন্তৰ্গত কুকুৰমাৰাৰ অৱসৰপ্ৰাপ্ত শিক্ষক নন্দৰাম হালৈৰ ঘৰত চোৰে লুটপাট চলাই সোণৰ আ-অলংকাৰ, কাঁহৰ বাচন-বৰ্তন লুটি নিয়ে। উল্লেখ্য যে অৱসৰপ্ৰাপ্ত শিক্ষক নন্দৰাম হালৈ আৰু তেওঁৰ পত্নী শোৱাপাটীত থাকোতে নিশা সংঘটিত হয় এই চুৰিকাণ্ড। আনহাতে, কালি নিশাই টিহু থানাৰ নাতিদূৰত অৱস্থিত খলিহাগুৰি গাঁৱৰ দ্বীপেন তালুকদাৰৰ এটা গাইগৰু আৰু নাৰায়ণ বৈশ্যৰ গৃহৰ পৰা চোৰে তিনিটা গাইগৰু চুৰি কৰি নিয়া বুলি জানিব পৰা গৈছে। উল্লেখ্য যে যোৱা পাঁচ ডিচেম্বৰত টিহু নগৰৰ বিদ্যানগৰৰ এজন শিক্ষকৰ ভাড়া ঘৰত কোনো নথকাৰ সুযোগত চোৰে দিন দুপৰতে লণ্ডভণ্ড কৰি নগদ ধন, সোণৰ অলংকাৰ লুট কৰি নিয়ে। ইয়াৰ উপৰি যোৱা দুই ডিচেম্বৰৰ নিশাও টিহু খলিহাগুৰিৰ দুটা পৰিয়ালৰ গোহালিৰ পৰা চোৰে দুজনী গাইগৰু চুৰি কৰে। আনহাতে, টিহু নগৰৰ ৰাজপথত চিলনী চোৰে যোৱা এক ডিচেম্বৰত এগৰাকী মহিলাক গতিয়াই বেগসহ নগদ ধন আৰু ম'বাইল ফোন কাঢ়ি লৈ গৈছিল। ইয়াৰ পূৰ্বে যোৱা ২৩ নৱেম্বৰত ঘৰত কোনো নথকাৰ সুযোগ লৈ টিহুৰ বড়াগাঁও কাহাৰপাৰাত এজন অৱসৰী প্ৰধান শিক্ষকৰ ঘৰৰ পৰা চোৰে কে'বালক্ষ টকাৰ সম্পত্তি লুট কৰি নিছিল। আনহাতে, বড়াগাঁও কাহাৰপাৰাৰ সমীপৰে মথুৰাপুৰ গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ ওচৰতে থকা এজন ব্যৱসায়ীৰ ঘৰতো যোৱা ২০ নৱেম্বৰত চোৰ সোমাই লণ্ডভণ্ড কৰি কিছু সামগ্ৰী লুটি নিয়া বুলি জানিব পৰা গৈছে। বিগত কিছুদিন ধৰি টিহু অঞ্চলত এক দুষ্টচক্ৰই চুৰি-ডকাইতিৰ দৰে কাণ্ড সংঘটিত কৰি আহিছে। এনে পৰিস্থিতিৰ পাছতো আৰক্ষীৰ নিৰ্লিপ্ত ভূমিকাত স্বাভাৱিকতে নিৰাপত্তাহীনতাত ভুগিছে স্থানীয় ৰাইজ। অঞ্চলবাসী ৰাইজে টিহু আৰক্ষী প্ৰশাসনক অঞ্চলটোত কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিবলৈ দাবী জনোৱাৰ লগতে আৰক্ষী অধীক্ষকৰ হস্তক্ষেপৰ দাবী জনাইছে। লক্ষ্যণীয় যে যোৱা ছয় ডিচেম্বৰত টিহু আৰক্ষীয়ে অস্ত্ৰসহ এটি সাতজনীয়া চোৰৰ গেং কৰায়ত্ত কৰিছিল যদিও অঞ্চলটোত অদ্যাপি চোৰৰ উপদ্ৰৱ বিনাদ্বিধাই চলি থকা পৰিলক্ষিত হৈছে।

### দীৰ্ঘ বছৰৰ অন্তত বৰাজোল চ'কৰ পৰা ভিঠালৈ যোৱা পথছোৱা নিৰ্মাণ কাৰ্য আৰম্ভ

# ঘগ্ৰাপাৰত ধান বিক্ৰী কেন্দ্ৰ-বৰাজোত বজাৰ স্থাপন হ'ব ঃ জয়ন্ত

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৫ ডিচেম্বৰ ঃ** 'ঘগ্ৰাপাৰত ধান বিক্ৰী কেন্দ্ৰ, বৰাজোলা'ত এপাৰ্টৰ দ্বাৰা বজাৰ স্থাপন আৰু ঘগ্ৰাপাৰকে ধৰি ইয়াৰ পাৰ্শ্ববৰ্তী এটা বৃহৎ অঞ্চলক অহা পাঁচ বছৰৰ ভিতৰত পৌৰসভা অঞ্চললৈ ৰূপান্তৰিত কৰা হ'ব।' নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰাজোল অঞ্চলৰ এটি গুৰুত্বপূৰ্ণ পথৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰি আজি বিধায়ক জয়ন্ত মল্ল বৰুৱাই এইদৰে কয়। বিধায়কজনে অঞ্চলটোত মেডিকেল কলেজ, অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন হোৱাটো ঘগ্ৰাপাৰবাসীৰ বাবে গৌৰৱৰ বিষয় বুলি আঙুলিয়াই দিয়ে। প্ৰায় ৩.৮৬ কোটি ব্যয় সাপেক্ষে লোক নিৰ্মাণ বিভাগ (পথ)ৰ দ্বাৰা বৰাজোল চ'কৰ পৰা ভিঠালৈ যোৱা পথছোৱা নিৰ্মাণ কাৰ্যৰ দ্বাৰা অঞ্চলটোৰ যাতায়াত-যোগাযোগৰ দীৰ্ঘদিনীয়া সমস্যা আঁতৰ হ'ব বুলি আশা প্ৰকাশ কৰে। বিধায়কজনে এছ অ' পি আঁচনিৰ অধীনত নিৰ্মাণ হ'ব লগা পথছোৱাত যাতে কোনো দুৰ্নীতি-অনিয়ম নহয় তাৰ বাবে ৰাইজক চোকা নজৰ ৰাখিবলৈ আহ্বান জনায়। তেওঁ কয়



যে বৃহত্তৰ অঞ্চলটোৰ দুখীয়া কৃষকসকলৰ উন্নয়ন সাধনাৰ অৰ্থে আগন্তুক দিনত ঘগ্ৰাপাৰ এফ চি আইৰ অধীনত এটা ধান বিক্ৰী কেন্দ্ৰ স্থাপন আৰু বৰাজোলত এপাৰ্টৰ জড়িত এখন বজাৰ স্থাপনৰ কাম ইতিমধ্যে প্ৰায় সম্পূৰ্ণ হোৱা বুলি সদৰী কৰে। লগতে পথ নিৰ্মাণৰ কাম পলমকৈ অথবা সময়ত কাম নকৰা যিকোনো ব্যক্তিয়ে জেললৈ যাব লাগিব যদিও ঠিকাদাৰক কাম কৰাৰ বাবে ৰাইজে পৰিৱেশ দিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে বিগত সাত মাহ অধিক উন্নয়ন কাম কৰা বুলি দাবী কৰে। অনুষ্ঠানত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়া মণিষা কলিতা, ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য পংকজ ডেকা, ১৪ নম্বৰ পূব বনভাগ গাঁও পঞ্চায়তৰ সভাপতি নমিতা ৰাজবংশী, কাউন্সিলৰ মণিকা ভৰালী, নলবাৰী লোক নিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীকে ধৰি ভালেসংখ্যক নেতা-কৰ্মী আৰু ৰাইজে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আঁত ধৰে বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সম্পাদক বুবুল দাসে।

# কচুগাঁও শিক্ষা খণ্ডত শিক্ষকৰ মইমতালি

### ■ নাকী লগোৱাত ব্যৰ্থ বিটিআৰৰ শিক্ষা বিভাগ
### ■ মাহৰ পাছত মাহ ধৰি বিদ্যালয়ত অনুপস্থিত শিক্ষয়িত্ৰী

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১৫ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ কচুগাঁও শিক্ষা খণ্ডৰ বহু বিদ্যালয়ত আজিও ছাত্ৰ-ছাত্ৰী অনুপাতে নাই শিক্ষক। শিক্ষকৰ সমস্যা আজিও দূৰ কৰিবলৈ সক্ষম নহ'ল কোনো এখন চৰকাৰে। আকৌ বহু বিদ্যালয়ত শিক্ষক আছে যদিও ছাত্ৰ-ছাত্ৰী বুলিবলৈ এজনো নাই। উক্ত শিক্ষা খণ্ডৰ অন্তৰ্গত ১৩৩ নম্বৰ চেকাদানী এল পি বিদ্যালয়ত পূৰ্বতে বড়ো আৰু অসমীয়া দুটা মাধ্যম চলি আছিল। প্ৰায় তিনি-চাৰি বছৰ পূৰ্বে উক্ত স্কুলত অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰী নথকাত শিক্ষকক আন স্কুলত নিয়োগ কৰে। ইয়াৰ পাছত ওচৰতে থকা আন অপ্ৰাদেশীকৃত বিদ্যালয়ৰ কিছু ছাত্ৰ-ছাত্ৰী উক্ত বিদ্যালয়ত কোনো অসমীয়া মাধ্যমত শিক্ষক নথকাত বড়ো মাধ্যমৰ শিক্ষয়িত্ৰী হিৰণ বসুমতাৰীয়ে অতি কষ্টৰে বড়ো মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ উপৰি অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিবলগীয়া হৈছে। অকল পাঠদানে দিয়াই নহয়, বিগত দুবছৰ ধৰি গাঁঠিৰ ধন ভাঙি মধ্যাহ্ন ভোজন খুৱাই আহিছে যদিও বিভাগীয় কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ নকৰাত শিক্ষয়িত্ৰীগৰাকী ভাগৰি পৰিছে। এই ক্ষেত্ৰত কচুগাঁও শিক্ষা খণ্ডৰ শিক্ষা বিষয়া শুদাংশু সাহাই কোনো গুৰুত্ব নিদিয়াত অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ জীৱন ধ্বংসৰ গৰাহ লৈ গতি কৰিছে। একে সময়ত কচুগাঁও শিক্ষা খণ্ডৰ এক নম্বৰ গাৰ্ডেনপুৰ এ পি স্কুলখন ছাত্ৰ-ছাত্ৰী নোহোৱাকৈ কাগজেপত্ৰে চলিছে যদিও শিক্ষা খণ্ড বিষয়াজনক চকু মুদা কুলিৰ ভাও ধৰিছে। উক্ত বিদ্যালয়খনত তিনিগৰাকীকৈ শিক্ষক আছে। অলপতে টিউটৰ হিচাপত তিনিওজন শিক্ষকৰ পদ চৰকাৰীকৰণ হৈছে; কিন্তু বাস্তৱত বিদ্যালয় বুলিবলৈ একো নাই। গৰুৰ গোহালি সদৃশ দুটা ভঙা-চিঙা ঘৰ আছে। স্কুলখন বহু দিনৰ পৰা বন্ধ হৈ থকাৰ পাছতো শিক্ষকৰ পদকেইটা কেনেকৈ চৰকাৰীকৰণ কৰিলে সেয়া সন্দেহৰ আৱৰ্তত। বিদ্যালয়খনত ৪৯ গৰাকী ছাত্ৰ-ছাত্ৰী থকা দেখুৱাইছে। ইয়াৰে বড়ো মাধ্যমত ২৮ গৰাকী আৰু অসমীয়া মাধ্যমত ২১ গৰাকী ছাত্ৰ-ছাত্ৰী দেখুৱাইছে। কিন্তু বাস্তৱত আজিলৈকে এজনো শিক্ষাৰ্থী নাই। ছাত্ৰ-ছাত্ৰী বহিবলৈ নাই কোনো ডেস্ক-বেঞ্চ। ওচৰেৰে থকা চৰকাৰী অন্যান্য বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ নাম উক্ত স্কুলৰ বহীত তুলি শিক্ষকৰ পদ চৰকাৰীকৰণ কৰিছে বুলি অভিযোগ উত্থাপিত হৈছে। উক্ত বিদ্যালয়খন দীৰ্ঘদিন ধৰি বন্ধ থকাত আৰু ডেস্ক-বেঞ্চ নথকাত ছাত্ৰ-ছাত্ৰীসমূহ অন্য চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰা বুলি প্ৰধান শিক্ষক পদত থকা ধৈৰ্য বসুমতাৰীয়ে ব্যক্ত কৰে। উল্লেখ্য যে বৰ্তমান প্ৰতিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ফটো আৰু আই ডি নম্বৰ বিভাগীয় কৰ্তৃপক্ষৰ কাৰ্যকালত আপলোড কৰা হয় তেনে ক্ষেত্ৰত এইখন বিদ্যালয় কোন ছাত্ৰ-ছাত্ৰীক লৈ দেখুৱাই পদ চৰকাৰীকৰণ কৰিছে সেয়া সন্দেহৰ সৃষ্টি কৰিছে। এখন ভুৱা বিদ্যালয় থকা সত্ত্বেও কচুগাঁও শিক্ষা খণ্ডৰ বিষয়াই কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। আনকি তেনেকুৱা এখন ছাত্ৰ-ছাত্ৰীবিহীন বিদ্যালয় আছে সেয়া জানে নে নাই তাক লৈ সন্দেহ হৈছে। গোসাঁইগাঁও মহকুমাৰ অধীনস্থ তথা কচুগাঁও শিক্ষা খণ্ডৰ টেঙা গাঁও এল পি স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীগৰাকী মাহৰ পাছত মাহ ধৰি স্কুলত নাযায় যদিও বিষয়াজনে নাজানে শিক্ষয়িত্ৰীগৰাকী নিজ ঘৰত বহি থাকি ভোগ কৰিছে চৰকাৰী দৰমহা কচুগাঁও শিক্ষা খণ্ডৰ টেঙা গাঁও এল পি স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩১গৰাকী আৰু শিক্ষক দুজন। প্ৰধান শিক্ষয়িত্ৰী ফিৰদুচি বেগম বহু দিন ধৰি নাযায় বিদ্যালয়ত। ফলত সহকাৰী শিক্ষক প্ৰদীপ কুমাৰ মুৰ্মু একেলগে পাঁচটাকৈ পাঠদান কৰি আহিছে সহকাৰী শিক্ষকগৰাকীও অধিকাংশ দিনেই মদ্যপান কৰি ছাত্ৰ-ছাত্ৰীক পাঠদান দিয়াৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ চৰম হেমাহিৰ ফলত শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাই নহয় উপযুক্ত শিক্ষাৰ পৰা বঞ্চিত হৈছে শিক্ষাৰ্থীসকলে। প্ৰধান শিক্ষয়িত্ৰীগৰাকী স্কুলত উপস্থিত নথকা বাবে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ লগতে শিক্ষকৰ উপস্থিতিৰ বহী নিজৰ ঘৰত ৰাখে। কেতিয়াবা আহিলে এদিনতে চহী কৰি ঘৰত উভতি যায়। এই সন্দৰ্ভত স্থানীয় অভিভাৱক, স্কুলৰ পৰিচালনা সমিতিয়ে প্ৰধান শিক্ষয়িত্ৰীগৰাকীক কে'বাবাৰো কোৱাৰ পাছতো ভ্ৰূক্ষেপ কৰা নাছিল বহুদিন ধৰি বিদ্যালয়খন তেনেকৈ চলি আহিছে যদিও শিক্ষয়িত্ৰীগৰাকীৰ বিৰুদ্ধে বিষয়াজনে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। এটা গোহালি সদৃশ গৃহত একেলগে ছাত্ৰ-ছাত্ৰীক বহুৱাই কোনো মতে, স্কুল চলাই আহিছে।

## গোৰেশ্বৰত সেনাৰ ৰেড ডিভিজনৰ চিকিৎসা পশু চিকিৎসা শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ১৫ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত যোৱা ১২ ডিচেম্বৰত অনুষ্ঠিত হয় বিনামূলীয়া চিকিৎসা শিবিৰ। মিছন সম্ভাৱনাৰ উদ্যোগত আৰু ৰঙিয়া আৰু তামুলপুৰ সেনাৰ ৰেড হৰ্ণ ডিভিজনৰ সহযোগত অনুষ্ঠিত বিনামূলীয়া চিকিৎসা শিবিৰত গোৰেশ্বৰ অঞ্চলৰ প্ৰায় পাঁচ শতাধিক পুৰুষ-মহিলাৰ লগতে পোহনীয়া জীৱ-জন্তুক চিকিৎসা প্ৰদান কৰে। চিকিৎসা শিবিৰত আৰ্মীৰ চিকিৎসকৰ উপৰি নলবাৰী সাৰথি হাস্পতালৰ সহযোগিতাত চলা চিকিৎসা শিবিৰত চিকিৎসকৰ উপস্থিতিত ৰোগীক চিকিৎসা প্ৰদান কৰা হয়। আনহাতে, চিকিৎসা শিবিৰত গোৰেশ্বৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কোকিলা গগৈ উপস্থিত থাকে।

## ■ ৰক্ষা পৰিব ডবকা শালবাগান

# ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে বিকল্প স্থানেৰে পথ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ



**অগ্ৰদূতবাৰ্তা**

**যমুনামুখ ১৫ ডিচেম্বৰ ঃ** বিকল্প পথেৰে সম্প্ৰসাৰিত হব ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ। ডবকাৰ পৰা ডিমাপুৰলৈ যোৱা ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথছোৱা সম্প্ৰসাৰণ কৰি ফ'ৰলেন পথলৈ উন্নীতকৰণৰ কাম দ্ৰুতগতিত চলি আছে। ডবকা বনাঞ্চলৰ মাজেৰে যোৱা পথছোৱা সম্প্ৰসাৰণ হ'লে ডবকা বনাঞ্চলৰ অজস্ৰ গছ কটা যাব বুলি শংকা প্ৰকাশ কৰি ব্যাপক প্ৰতিবাদ সাব্যস্ত হয় ডবকাত। ডবকা বনাঞ্চলৰ মাজেৰে ফ'ৰলেন পাৰ হ'লে ডবকা শালবাগানৰ সাত হেজাৰ জোপা মূল্যবান গছ কটা যাব। ফলত আন্দোলনমুখী হৈ পৰে ডবকাৰ বহুকেইটা সংগঠন। আছু, আমছু ঐক্য সেনা অসম, হোজাই জিলা সমিতি, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ হোজাই আৰু নগাঁও জিলা সমিতি, এনএছইউআইৰ হোজাই জিলা সমিতিকে ধৰি বহুকেইটা সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰিলে। অৱশেষত গণ বিক্ষোভৰ ওচৰত হাৰ মানি ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে বিকল্প স্থানেৰে পথ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ডবকাৰ প্ৰকৃতিপ্ৰেমী দল-সংগঠনৰ প্ৰতিবাদৰ ওচৰত সেও মানি আজি কেন্দ্ৰীয় চৰকাৰৰ বন-পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰণালয়ৰ হৈ এজনীয়া প্ৰতিনিধিৰ লগতে উপ-পৰিদৰ্শক আৰু বন বিভাগৰ উচ্চপদস্থ বিষয়াসহ ডবকাত উপস্থিত হৈ বিভিন্ন সংগঠনৰ বিষয়ববীয়াৰ লগত আলোচনাত মিলিত হয়। ইতিমধ্যে বিকল্প ঠাইখন পৰিদৰ্শন কৰিছে বন বিভাগৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়ববীয়াসকলে। ড্ৰোণৰ সহায়ত চিনাক্ত হোৱাকৈ বন বিভাগ আৰু ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে বিকল্প পথৰ জোখমাপ লৈছে। ইপিনে, বিকল্প পথ ডবকাৰ আকাশীগংগা গাঁও পঞ্চায়তৰ তপতজুৰি আৰু দীখাৰুমুখ গাঁৱৰ মাজেৰে পাৰ হৈ যোৱাৰ আশংকাত গাঁও দুখনৰ ৰাইজৰ নিদ্ৰাহৰণ হৈছে। ভেটি উচন হোৱাৰ ভয়ত এতিয়া কম্পমান গাঁও দুখনৰ ৰাইজ। প্ৰায় দুশটা পৰিয়াল উচ্ছেদিত হোৱাৰ ভয়ে খেদি ফুৰিছে গাঁওবাসীক। গাঁও দুখনৰ ৰাইজে এই সম্পৰ্কে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, হোজাই জিলাৰ উপায়ুক্তৰ হস্তক্ষেপ কামনা কৰি এখন পত্ৰ প্ৰেৰণ কৰিছে।

# বিটিআৰত মিত্ৰজোঁট পৰিষদৰ এবছৰ পূৰ্ণ

### মা মহামায়া মন্দিৰত আশীষ ল'লে প্ৰমোদ বড়োই



**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ১৫ ডিচেম্বৰ ঃ** বিটিআৰত প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএল, বিজেপি আৰু জিএচপি মিত্ৰজোঁটৰ চৰকাৰখনে আজি পৰিষদত শাসন চলোৱাৰ কাৰ্যকাল এটা বৰ্ষ পূৰ্ণ কৰিলে। ইপিনে, এটা বছৰ পূৰ্ণ উপলক্ষে আজি বিটিচি সচিবালয়ত প্ৰমোদ বড়ো নেতৃত্বাধীন পৰিষদখনে পৰিষদৰ এটা বৰ্ষৰ দিনটোক ঐতিহাসিক দিন আখ্যা দিয়ে। উল্লেখ্য যে বিগত ২০২০ত বিটিআৰৰ ক্ষমতাৰ বাঘজৰী লোৱা প্ৰমোদ বড়ো চৰকাৰখনে দেশত আতংকৰ সৃষ্টি কৰা মহামাৰী ক'ভিডৰ মাজতে বিশেষকৈ বিটিআৰৰ নিৰনুৱা যুৱক-যুৱতীসকলৰ জীৱিকাৰ উপৰি শিক্ষা, স্বাস্থ্য আৰু সমাজ কল্যাণ বিভাগত বিশেষভাৱে গুৰুত্ব দি অহা বুলি আগন্তুক দিনবোৰত বিটিচিত সকলো জাতি-জনগোষ্ঠীক সমন্বয়ৰে আগবঢ়াই নিব বুলি প্ৰতিশ্ৰুতি দিয়ে। বড়োই আজি সফলতাৰ জয়গানৰে শাসনৰ কাৰ্যকালৰ এটা বৰ্ষ পূৰ্ণ উপলক্ষে বিটিচি সচিবালয়ৰ চৌহদত এক আড়ম্বপূৰ্ণ অনুষ্ঠানৰ যোগেদি বিটিআৰৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত বিটিআৰৰ স'তে ইউনিচেফ, চিইজিআইএচ, নেকটাৰ আৰু ইউএনডিপিৰ স'তে চাৰিটা চুক্তি উমৈহতীয়াভাৱে সম্পাদন কৰে। ইফালে, বিটিআৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ কাৰ্যবাহী সদস্য ড° নিলুট স্বৰ্গীয়াৰীয়ে এটা বৰ্ষপূৰ্তি উপলক্ষে বিটিআৰৰ সাংবাদিকসকলৰ সমস্যাৰ হকে তেওঁলোকৰ চৰকাৰখনে বিভিন্ন আঁচনি হাতত লোৱা জানিবলৈ দিয়ে। ৰাজ্যত দিনকদিনে চ'ছিয়েল মিডিয়াৰ সাংবাদিক বৃদ্ধি পোৱা সন্দৰ্ভত আক্ষেপ ব্যক্ত কৰি সাংবাদিকসকলৰ মৰ্যদা অক্ষুণ্ণ ৰাখিবলৈ বিটিআৰত বিশেষকৈ এনড্ৰয়েড ম'বাইল ফোনৰে হকে-বিহকে প'ৰ্টেল চলাই সাংবাদিকতা কৰাসকলক আইনৰ আওতাত নিয়া হ'ব বুলি তেওঁ সদৰী কৰে। আনপিনে বিটিচিৰ কৃষি বিভাগৰ কাৰ্যবাহী সদস্য ঘনশ্যাম দাসে আগন্তক দিনত বিটিআৰত পিগ মিছন, বে'স্ব মিছন, ছয়াবিন মিছনকে ধৰি ১৫ টা বিভিন্ন আঁচনিৰ ভিজনকলৈ আগবাঢ়ি যাব বুলি প্ৰতিশ্ৰুতি দিয়ে। একেদৰে বিজিপিৰ কাৰ্যবাহী সদস্যদ্বয় ৰেওৱেৰা নাৰ্জিহাৰী আৰু অৰূপ কুমাৰ দেই নিজ নিজ বিভাগত উন্নয়নমুলক কামৰ খতিয়ান দাঙি ধৰে।

# নগাঁৱত সন্ধিয়া আৰক্ষীৰ গুলিচালনা

### ■ আৰক্ষীৰ নিৰ্দেশ নামানি পলায়ন কৰা গাড়ীলৈ লক্ষ্য কৰি গুলিচালনা

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৫ ডিচেম্বৰ ঃ** আজি সন্ধিয়া প্ৰায় ৫.৩০ বজাত নগাঁও চহৰৰ খুটিকটীয়াত এক গুলিচালনাৰ ঘটনা সংঘটিত হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, সন্ধিয়া নগাঁৱৰ উপ-আৰক্ষী অধীক্ষক ত্ৰিদীপ কুম্বাঙৰ নেতৃত্বত নগাঁও আৰক্ষীৰ নাৰ্কোটিক স্কোৱাৰ্ডৰ এটা দলে চহৰখনৰ লক্ষীনগৰ চাৰিআলিত ড্ৰাগছ বিৰোধী অভিযানৰূপে একাংশ যানবাহনত তালাচী চলাই আছিল। এখন চুইফট ডিজায়াৰ গাড়ীত একাংশ লোকে ড্ৰাগছ লৈ অহাৰ খবৰ আৰক্ষীয়ে বিশেষ সূত্ৰৰ পৰা লাভ কৰিছিল। সেই সময়তে নগাঁৱৰ পৰা গুৱাহাটী অভিমুখে তীব্ৰ বেগেৰে গৈ থকা চুইফট ডিজায়াৰখন উপস্থিত হোৱাত সেই স্থানত ৰ'বলৈ নিৰ্দেশ দিয়ে। কিন্তু গাড়ীখনে আৰক্ষী বিষয়া কুম্বাঙক খুন্দিয়াবলৈ উদ্যত হৈ পলায়ন কৰে। লগে লগে আৰক্ষী বিষয়া কুম্বাঙেও এজন কনিষ্টবল লগত লৈ এখন মটৰ চাইকেলেৰে গাড়ীখনক পাছে পাছে খেদি যায়। কিন্তু ড্ৰাগছ সৰবৰাহ কৰা গাড়ী বুলি সন্দেহ কৰা গাড়ীখনে আৰু অধিক দ্ৰুতগতিত গুৱাহাটীৰ দিশে পলায়ন কৰাত খুটিকটীয়াৰ ৰেডিঅ'চেন্টাৰৰ ওচৰত আৰক্ষী বিষয়াজনে গাড়ীখনৰ টায়াৰলৈ বুলি লক্ষ্য কৰি দুই জাঁই গুলিচালনা কৰে। আৰক্ষীৰ এই গুলিচালনাত কোনো লোক হতাহত হোৱা নাই। বৰঞ্চ চুইফট ডিজায়াৰখনে পলায়নহে কৰে। পাছত ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে দুটা খালি কাৰ্টিজ উদ্ধাৰ কৰে। ইতিমধ্যে নগাঁও আৰক্ষীয়ে পলায়ন কৰা চুইফট ডিজায়াৰখনৰ সন্ধানত অভিযান আৰম্ভ কৰিছে।

## 'অসামৰিক বিমান সুৰক্ষা' ৰেব ছেমিনাৰ

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৫ ডিচেম্বৰ ঃ** বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠত ৭৫ বছৰীয়া স্বাধীনতা দিৱস উপলক্ষে 'আজাদী কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি বি চি এ এছে 'অসামৰিক বিমান সুৰক্ষা' শীৰ্ষক এখন ৰেব ছেমিনাৰ অনুষ্ঠিত হয়। ছেমিনাৰখন যোৱা ১৩ আৰু ১৪ ডিচেম্বৰত কাৰ্যসূচীৰে সম্পন্ন হয়। আলোচনাচক্ৰখন ইণ্টাৰনেটযোগে নতুন দিল্লীৰ পৰা আৰম্ভ কৰে বি চি এ এলৰ প্ৰাক্তন লোকসেৱা আয়োগৰ বিষয়া অংকিত গাৰ্গে। মুখ্য অতিথি হিচাপে উপস্থিত থাকে আৰক্ষীৰ প্ৰাক্তন শীৰ্ষ বিষয়া দিলীপ কুমাৰ বৰা। তেওঁ বিমানবন্দৰত যাত্ৰীৰ সুৰক্ষাৰ উত্তৰণ সম্পৰ্কে ভাষণ প্ৰদান কৰে।

# পাৰ্কিংবিহীন প্ৰতিষ্ঠানৰ বাবে যানজঁট

## গভীৰ নিদ্ৰাত তেজপুৰ পৌৰসভা



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৫ ডিচেম্বৰ ঃ** তেজপুৰত বিভিন্ন গাঁও পঞ্চায়তৰ অন্তৰ্গত বিভিন্ন আঁচনি ৰূপায়ণৰ নামত সংঘটিত দুৰ্নীতিৰ কোনো তদন্ত নোহোৱাৰ লগতে নপাম, ৰাজগড়, ভোমোৰাগুৰি, উযাপুৰ, মাজগাঁও আদিত অব্যাহত দুৰ্নীতি গাপ দি থোৱাৰ সমান্তৰালভাৱে তেজপুৰ পৌৰ অঞ্চলত সম্প্ৰতি মৰণ ফান্দত পৰিণত হোৱা বহু পদপথ আৰু পকী নলা-নৰ্দমাই পৌৰসভাখনৰ লগতে চৰকাৰী উন্নয়নৰ ফোঁপোলা স্বৰূপটোকে উদঙাই দিছে। তেজপুৰ পৌৰসভাৰ অন্তৰ্গত ত্ৰিবেণী চাৰিআলিৰ পৰা কেকোৰাপুল বেচৰকাৰী বাছ আস্থানৰ কাষলৈকে থকা পদপথৰ প্ৰায় ২০ৰ অধিক অংশ সম্পূৰ্ণৰূপে জৰাজীৰ্ণ হৈ পৰিছে। তদুপৰি কেকোৰাপুল, ত্ৰিবেণী আৰু গুৰুনানক বিদ্যালয়ৰ তিনিআলিৰ সমীপৰ পদপথৰ বৃহৎ অংশ ইতিমধ্যে ভাঙি তললৈ বহি যোৱাৰ পাছতো পৌৰসভাই এই ফুটপাথ নতুনকৈ নিৰ্মাণ কৰাৰ বাবে কোনো ব্যৱস্থাই গ্ৰহণ কৰা নাই। এনে জৰাজীৰ্ণ পদপথৰ বাবে দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাত ৰাইজে পদপথৰ ভগ্ন আৰু জৰাজীৰ্ণ অংশত ঘৰৰ পুৰণি টিনপাতৰে ঢাকিবলগীয়া অৱস্থাৰ উদ্ভৱ হৈছে। ইয়াৰ সমান্তৰালকৈ ত্ৰিবেণী, জিলমিল, কেকোৰাপুল, বাণ থিয়েটাৰৰ সমীপত তথা পদুমপুখুৰীপাৰকে ধৰি একাধিক স্থানত পদপথবোৰ জৰাজীৰ্ণ হৈ পৰিছে। তেজপুৰ চহৰৰ মাজমজিয়াৰ পদপথৰ এই জৰাজীৰ্ণ অংশবোৰত বহু সময়ত দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতো পৌৰসভাই মেৰামতিৰ বাবে কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ গুৰুতৰ অভিযোগ উঠিছে। আনহাতেদি তেজপুৰ পৌৰসভাৰ অন্তৰ্গত অঞ্চলত বিভাগীয় প্ৰাককলন অনুসৰি পকীনলা নিৰ্মাণৰ আঁচনিৰ কাম ৰূপায়ণ নোহোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। তেজপুৰ চহৰৰ মাজমজিয়াৰ বহু সংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠানক আপত্তিবিহীন প্ৰমাণপত্ৰ প্ৰদানৰ নামতো তেজপুৰ পৌৰসভাত বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, ৰাজ্য চৰকাৰৰ কঠোৰ নিৰ্দেশনা থকাৰ পাছতো তেজপুৰ পৌৰসভাৰ অঞ্চল বহু ব্যৱসায়িক প্ৰতিষ্ঠানৰ নিজাকৈ কোনো পাৰ্কিঙৰ ব্যৱস্থা নাই। এনেবোৰ দিশ নোচোৱাকৈয়ে তেজপুৰ পৌৰসভাৰ একাংশ দুৰ্নীতিগ্ৰস্ত লোকে গোপন বুজাবুজিৰে একাংশক আপত্তি বিহীন প্ৰমাণপত্ৰ প্ৰদান কৰি আহিছে। পৌৰসভাৰ পৰা এনে আপত্তিবিহীন প্ৰমাণপত্ৰ লৈয়ে চহৰখনৰ সোঁমাজতে স্বাস্থ্য ক্ষেত্ৰৰে জড়িত থকা একাধিক ব্যৱসায়িক প্ৰতিষ্ঠানো গঢ় লৈ উঠিছে। কিন্তু এই বৃহৎ প্ৰতিষ্ঠানসমূহৰ ভিতৰত একাংশৰ নিজাববীয়াকৈ কোনো পাৰ্কিঙৰ ব্যৱস্থাই নাই। তেনে ক্ষেত্ৰত তেজপুৰ পৌৰসভাখনে এই প্ৰতিষ্ঠানসমূহক কেনেদৰে আপত্তিবিহীন প্ৰমাণপত্ৰ প্ৰদান কৰিলে তাক লৈ গভীৰ ৰহস্যৰ সৃষ্টি হৈছে। কোনো পাৰ্কিঙৰ ব্যৱস্থা নথকা এনে প্ৰতিষ্ঠানবোৰলৈ দিনে আগমন ঘটা বহুসংখ্যক লোকে নিজৰ যানবাহনসমূহ লোক নিৰ্মাণ বিভাগৰ পথৰ ওপৰতে ৰখাত বিগত দিন ধৰি ব্যাপকভাৱে যানজঁটৰ সৃষ্টি হৈ আহিছে। তেজপুৰৰ ত্ৰিবেণী চাৰিআলিৰ পৰা একাডেমী বিদ্যালয়ৰ সমীপৰ চাৰিআলি পৰ্যন্ত এই অৱস্থাৰ বাবেই ব্যাপক যানজঁটৰ সৃষ্টি হৈছে এই অঞ্চলসমূহত। তেজপুৰ পৌৰসভাৰ বহু অনিয়ম পোহৰলৈ অহাৰ আশংকাতে আনকি তথ্যজনাৰ অধিকাৰ আইনৰ অধীনত জনোৱা আবেদনৰো কোনো উত্তৰ নিদিয়াৰ অভিযোগ উঠিছে। উল্লেখ্য যে পৌৰসভাৰ দ্বাৰা দুটা পৰ্যায়ত পথ নিৰ্মাণ কৰা হৈছিল বিভিন্ন ৱাৰ্ডত। এই পথ নিৰ্মাণৰ ঠিকা একাংশ ঠিকাদাৰক বুজাবুজিৰ ভিত্তিতেই দিয়া হয়। এনে একাংশ ঠিকাদাৰে প্ৰথম পৰ্যায়ত ঠিকা লাভ কৰাৰ সময়ত প্ৰয়োজনীয় বহু নথি জালিয়াতিৰে জমা দিছিল যদিও সেই নথিসমূহৰ পৰীক্ষা নহ'ল। উত্থাপিত আন এক অভিযোগ মতে পৌৰসভাৰ অনুমতি অবিহনে তথা পৌৰসভাৰ একাংশ দুৰ্নীতিপৰায়ণ লোকৰ জ্ঞাতসাৰেই চহৰখনৰ বিভিন্ন অঞ্চলত জমে-মধ্যে গৃহ নিৰ্মাণ চলি আহিছে।

# উত্তৰ কামৰূপ জিলা অনুসূচিত জাতি পৰিষদৰ অধিবেশন

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১৫ ডিচেম্বৰ ঃ** উত্তৰ কামৰূপ জিলা অনুসূচিত জাতি পৰিষদৰ তৃতীয় ত্ৰি-বাৰ্ষিক অধিবেশন শুৱালকুছিৰ কৈৱৰ্তপাৰা শ্ৰীশ্ৰী কৃষ্ণ মন্দিৰ প্ৰাংগণত অনুসূচিত জাতি পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতিৰ পৰামৰ্শ মতে অহা ২৪ ডিচেম্বৰত অনুষ্ঠিত হ'ব বুলি উত্তৰ কামৰূপ অনুসূচিত জাতি পৰিষদৰ সভাপতি গোলক চন্দ্ৰ দাসে জানিবলৈ দিয়ে। এই সন্দৰ্ভত শুৱালকুছি শ্ৰীশ্ৰী কৃষ্ণ মন্দিৰ প্ৰাংগণত এক সভা অনুষ্ঠিত হয়। উক্ত সভাতে অধিবেশনৰ প্ৰস্তুতি সম্পৰ্কে বিস্তৃত আলোচনা কৰাৰ লগতে অভ্যৰ্থনা সমিতিও গঠন কৰা হয়। আনহাতে, উত্তৰ কামৰূপ জিলা অনুসূচিত জাতি পৰিষদৰ সাধাৰণ সম্পাদক লংকেশ্বৰ দাসক অসংবিধানিক, পৰিষদ বিৰোধী কাৰ্যকলাপৰ বাবে উত্তৰ কামৰূপ জিলা অনুসূচিত জাতি পৰিষদৰ পৰা বহিষ্কাৰ কৰে। একেই অভিযোগত পৰিষদৰ উপ-সভাপতি পৰমা দাসকো বহিষ্কাৰ কৰা হয় বুলি উত্তৰ কামৰূপ জিলা অনুসূচিত জাতি পৰিষদৰ নেতৃত্বই জানিবলৈ দিয়ে।



### নেতৃত্ব এৰাৰ কথা দল ঘোষণাৰ ডেৰ ঘণ্টা পূৰ্বে বি চি চি আইৰ পৰা জানিছিল কোহলিয়ে

# ঠেহ ভাঙিল বিৰাটৰ, ৰোহিতৰ নেতৃত্বত এদিনীয়া শৃংখলা খেলিব দক্ষিণ আফ্ৰিকাত

**মুম্বাই, ১৫ ডিচেম্বৰ ঃ** দক্ষিণ আফ্ৰিকাত হ'বলগা তিনিখনীয়া এদিনীয়া শৃংখলাত বিৰাট কোহলিয়ে খেলিব বুলি আজি নিজেই ব্যক্ত কৰিছে টীম ইণ্ডিয়াৰ টেষ্ট অধিনায়কজনে। উল্লেখ্য যে আজি দক্ষিণ আফ্ৰিকালৈ যোৱাৰ পূৰ্বে বিৰাটে সংবাদ মেলত অংশ লয় আৰু তিনিখনীয়া এদিনীয়া শৃংখলাত খেলিব বুলি ব্যক্ত কৰে। ৰোহিত শৰ্মাৰ নেতৃত্বত খেলাক লৈ বিৰাটৰ কোনো অসুবিধা নাই বুলিও কয় টীম ইণ্ডিয়াৰ টেষ্ট অধিনায়কজনে। আনহাতে, ৰোহিত অধিনায়কৰূপে সুদক্ষ বুলিও ব্যক্ত কৰে। কিন্তু টি-20 ৰ অধিনায়ক পদ স্ব-ইচ্ছাই ত্যাগ কৰা বিৰাটে এদিনীয়াৰ অধিনায়ক পদ এৰাৰ বিষয়ে বি চি চি আয়ে দক্ষিণ আফ্ৰিকা ভ্ৰমণৰ দল ঘোষণাৰ ডেৰ ঘণ্টা পূৰ্বে তেওঁক অবগত কৰাৰ কথা মুকলিকৈ আজি ব্যক্ত কৰে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলটো ইতিমধ্যে ঘোষণা কৰিছিল বি চি চি আয়ে। দক্ষিণ আফ্ৰিকাত ভাৰতীয় দলে তিনিখন টেষ্টৰ এক শৃংখলা খেলিব। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা। উল্লেখ্য যে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট 26-30 ডিচেম্বৰত, দ্বিতীয় টেষ্ট তিনিৰ পৰা সাত জানুৱাৰী আৰু তৃতীয় টেষ্ট 11-15 জানুৱাৰীত অনুষ্ঠিত হ'ব। ইফালে, টেষ্ট শৃংখলা সমাপ্ত হোৱাৰ পাছত আৰম্ভ হ'ব দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া এদিনীয়া শৃংখলা। বি চি চি আইৰ নিৰ্বাচকে ভাৰতীয় দলৰ এদিনীয়াৰ নেতৃত্বৰ পৰা বিৰাট কোহলিক আঁতৰাই নতুন অধিনায়কৰূপে ৰোহিত শৰ্মাৰ নাম ঘোষণা কৰিছে। এই বিষয় লৈ চৰ্চা চলি থকা সময়তে আজি কোহলিয়ে নিজৰ ব্যথাৰ কথা ব্যক্ত কৰে। প্ৰথমে দক্ষিণ আফ্ৰিকাত তিনিখনীয়া এদিনীয়া শৃংখলাৰ পৰা আঁতৰি থকাৰ কথা কৈছিল বিৰাটে। ভাৰতীয় দল ঘোষণা কৰা হোৱা নাই যদিও বিৰাটে এই সিদ্ধান্তৰ বিষয়ে বি চি চি আইক অবগত কৰিছিল। কিন্তু বিতৰ্কৰ সুচনা হোৱাত এতিয়া খেলাৰ সিদ্ধান্ত লৈছে।



### আত্মবিশ্বাসী অষ্ট্ৰেলিয়া, চাপত ইংলণ্ড

## আজিৰে পৰা এডেলেইডত এছেজ শৃংখলাৰ দ্বিতীয়খন টেষ্ট



**এডেলেইড, ১৫ ডিচেম্বৰ ঃ** চলিত এছেজ শৃংখলাৰ দ্বিতীয়খন টেষ্ট কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে অষ্ট্ৰেলিয়াই এছেজ শৃংখলাৰ প্ৰথমখন টেষ্টত ন উইকেটত জয়লাভ কৰি শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছে। খেলৰ চতুৰ্থদিনাই ইংলণ্ডে দিয়া মাত্ৰ 20 ৰাণৰ বিজয়লক্ষ্য অষ্ট্ৰেলিয়াই এটা উইকেট হেৰুৱাই পূৰ্ণ কৰে। এতিয়া দলৰ আত্মবিশ্বাস তুংগত। বিপৰীতে চাপত আছে ইংলণ্ড। উল্লেখ্য যে প্ৰথম টেষ্টত উভয় ইনিংছতে বেটিং বিপৰ্যয়ৰ সন্মুখীন হৈছিল ইংলণ্ড। টেষ্টখনত ঘৰুৱা দল অষ্ট্ৰেলিয়াই 425 ৰাণত প্ৰথম ইনিংছ সামৰি বৃহৎ অগ্ৰগতি লাভ কৰিছিল ইংলণ্ডৰ বিৰুদ্ধে। পোনতে বেটিং কৰি ইংলণ্ডে মাত্ৰ 147 ৰাণতে প্ৰথম ইনিংছ সামৰে। ইংলণ্ডৰ প্ৰথম ইনিংছত এই বেটিং বিপৰ্যয়ৰ মূলতে হ'ল অষ্ট্ৰেলিয়াৰ নতুন টেষ্ট অধিনায়ক পাট কামিনছৰ অনন্য বলিং। 38 ৰাণত পাঁচটা উইকেট পায় কামিনছে। দ্বিতীয় ইনিংছত পুনৰ সমস্যাৰ সন্মুখিন হয় ইংলণ্ড আৰু দলে 297 ৰাণত ইনিংছ সামৰে। প্ৰথম টেষ্টতে অষ্ট্ৰেলিয়াৰ অভিজ্ঞ স্পীনাৰ নাথন লিয়নে টেষ্ট ক্ৰিকেটত চাৰিশ উইকেট লাভ কৰাৰ সফলতা অৰ্জন কৰিছিল। ইংলণ্ডৰ বেটাৰ মালানক আউট কৰি চাৰিশ উইকেটৰ গৰাকী হয় অষ্ট্ৰেলিয়াৰ অভিজ্ঞ স্পীনাৰজন। উল্লেখ্য যে এই গৌৰৱ লাভ কৰা লিয়ন বিশ্বৰ 16 নম্বৰ বলাৰ তথা শ্বেন ৱাৰ্ণ আৰু গ্লেন মেগ্ৰাৰ পাছত তৃতীয়জন অষ্ট্ৰেলিয়ান।

## এছিয়ান কাৰাটেৰ ভাৰতীয় দলত হেমফু-নিষাদ





**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** অহা 18-22 ডিচেম্বৰলৈ কাজাখস্তানত অনুষ্ঠিত হ'ব এছিয়ান কাৰাটে প্ৰতিযোগিতা। উক্ত এছিয়ান কাৰাটে প্ৰতিযোগিতাত কেডেট শাখা, জুনিয়ৰ, 21 বছৰ অনূৰ্ধ আৰু ছিনিয়ৰ শাখাত মেচ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশ লোৱাৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰিছে অসমৰ হেমফু বংজাং আৰু নিষাদ আলীয়ে। হেমফুৱে কেডেট ব্যক্তিগত শাখাত 52 কিলোগ্ৰাম শাখাত খেলিব। আনহাতে, নিষাদে খেলিব 21 বছৰ অনূৰ্ধ শাখাত। উল্লেখ্য যে কাজাখস্তানত অনুষ্ঠিত হ'বলগা এছিয়ান কাৰাটে প্ৰতিযোগিতাৰ প্ৰদৰ্শন ভিত্তিতে 2022 ত চীনত হ'ব লগা এছিয়ান গেমছৰ ভাৰতীয় দল বাচনি কৰা হ'ব। ইফালে, এছিয়ান কাৰাটে প্ৰতিযোগিতালৈ কাৰিকৰী বিষয়া ৰূপে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিব নগেন বংজাঙে।

## ছাব-জুনিয়ৰ ৰাজ্যিক আৰ্চাৰীত শিৱসাগৰৰ সফলতা লাভ

**বিশেষ সংবাদদাতা, শিৱসাগৰ, ১৫ ডিচেম্বৰ ঃ** লক্ষীমপুৰত অনুষ্ঠিত হোৱা ছাব-জুনিয়ৰ ৰাজ্যিক আৰ্চাৰী প্ৰতিযোগিতাত শিৱসাগৰ দলে তিনিটা সোণ, তিনিটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদক লাভ কৰি জিলাখনলৈ সুনাম কঢ়িয়াই আনে। প্ৰতিযোগিতাখনৰ ইণ্ডিয়ান ৰাউণ্ডৰ মিক্সড টিম সুভ্ৰজিত গগৈ আৰু চানিয়া গামে সোণৰ পদক লাভ কৰে। বয়জ টিমত সুভ্ৰজিত গগৈ, নন্দ নায়ক, যুগান্তক কাকতি, মনজিল বৰুৱাই ব্ৰঞ্জৰ পদক লাভ কৰে। একক শাখাত অলিম্পিক ৰাউণ্ডত চানিয়া গামে ৰূপৰ পদক লাভ কৰে। আনহাতে ৰিকাৰ্ভ বয়জ টিমত দেবাংগ গগৈ, অৰিন্দম গগৈ, বিতোপন গগৈ, তন্ময় কোঁৱৰে সোণৰ পদক লাভ কৰে। একক অভাৰঅল শাখাত অৰিন্দম গগৈয়ে সোণৰ পদক লাভ কৰাৰ বিপৰীতে দেবাংগ গগৈয়ে ৰূপৰ পদক আৰু এলিমিনেচন ৰাউণ্ডত ব্ৰঞ্জৰ পদক লাভ কৰে। কম্পাউণ্ড শাখাত পল গগৈয়ে অভাৰঅল ৰূপৰ পদক আৰু এলিমিনেচন ৰাউণ্ডত ব্ৰঞ্জৰ পদক লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনে। প্ৰতিযোগী সকলৰ এই আশানুৰূপ ফলাফলৰ বাবে শিৱসাগৰ জিলা আৰ্চাৰী সন্থাৰ মুখ্য সম্পাদক চিত্তৰঞ্জন গগৈয়ে খেলুৱৈ সকলক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।



### আৰ জি বৰুৱা আন্তঃজিলা ক্ৰিকেট

## লখিমপুৰ-তেজপুৰৰ জয়লাভ

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নেহৰু ষ্টেডিয়ামত হোৱা মেচত লখিমপুৰ জিলা দলে 32 ৰাণত পৰাস্ত কৰে ডিব্ৰুগড় জিলা দলক। পোনতে বেটিং কৰি লখিমপুৰ জিলা দলে 142-10 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, ডিব্ৰুগড় জিলা দলে 110-10 ৰাণ কৰি ইনিংছ সামৰে আৰু পৰাজয় স্বীকাৰ কৰে। ইফালে, আমিনগাঁও খেলপথাৰত আজি হোৱা মেচখনত তেজপুৰ জিলা দলে ছয় উইকেটত পৰাস্ত কৰে বঙাইগাঁও জিলা দলক। পোনতে বেটিং কৰি বঙাইগাঁও জিলা দলে 114-10 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, তেজপুৰ জিলা দলে চাৰি উইকেটত 116 ৰাণ কৰি সহজে বিজয়লক্ষ্যত উপনীত হয়। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সামৰণি পৰিব অহা 21 ডিচেম্বৰত। এই প্ৰতিযোগিতাৰ পাছতে অসম ক্ৰিকেট সন্থাই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ বাবে অসম দলটো নিৰ্বাচন কৰিব। ইতিমধ্যে গুৱাহাটী আৰু ধেমাজিয়ে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

## ৰাজ্যিক আৰ্চাৰীত কামৰূপ মহানগৰ চেম্পিয়ন, ৰানাৰ্ছআপ ভেৰগাঁও দল

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** লখিমপুৰ আৰ্চাৰী সন্থাই অসম আৰ্চাৰী সন্থাৰ সহযোগত আয়োজন কৰা ছাব-জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতাৰ সামৰণি পৰিছে। প্ৰতিযোগিতাত চেম্পিয়ন হয় কামৰূপ মহানগৰ দল। উল্লেখ্য যে কামৰূপ মহানগৰ দলে আঠটা সোণ, নটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদক লাভ কৰে। ইফালে, চাৰিটা সোণ, এটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক লাভ কৰি ৰানাৰ্ছআপ হয় ভেৰগাঁও জিলা। তৃতীয় হয় ডিব্ৰুগড়। দলে তিনিটা সোণ, তিনিটা ৰূপ আৰু পাঁচটা ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে কৰ'নাৰ পাছত হোৱা ছাব-জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতাত 15 খন জিলাৰ লগতে আঠটা আৰ্চাৰী গোটে অংশ লৈছিল। অসম আৰ্চাৰী সন্থাই জনোৱা অনুসৰি প্ৰতিযোগিতাত 85 জন ল'ৰা আৰু 69 জনী ছোৱালীয়ে যোগদান কৰিছিল। উল্লেখ্য যে অসম আৰ্চাৰী সন্থাই অলপতে নতুন ছিজনৰ বাবে বিভিন্ন ৰাজ্যিক প্ৰতিযোগিতাৰ স্থানসমুহ নিশ্চিত কৰিছিল। সেই অনুসৰি নৱগঠিত জিলা গোট দৰঙত অনুষ্ঠিত হ'ব পুৰুষ-মহিলাৰ ছিনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতা। এইবাৰ জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতাখন বঙাইগাঁৱত অনুষ্ঠিত হ'ব। ইফালে, কামৰূপ জিলাই আয়োজন কৰিব ল'ৰা-ছোৱালীৰ মিনি আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতা।



**দৰঙত অনুষ্ঠিত হ'ব পুৰুষ-মহিলাৰ ছিনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতা, প্ৰস্তুতি সভাত জয়ন্ত বড়ো, সুশান্ত বিশ্ব শৰ্মা। ফটো ঃ হিতেশ হাজৰিকা**

উল্লেখ্য যে কৰ'নাৰ বাবে অসম আৰ্চাৰী সন্থাই এবছৰ ধৰি আয়োজন কৰিব পৰা নাছিল ৰাজ্যিক প্ৰতিযোগিতা। এতিয়া লখিমপুৰত সফলতাৰে অনুষ্ঠিত হ'ল এই ছাব-জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতাখন।

## সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা পূৰ্ণগতিত

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** গুৱাহাটীৰ উত্তৰ-পূব টেনিছ ফাউণ্ডেছনত চলি থকা 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাৰ আজি দ্বিতীয় দিনা কোনো অঘটন অবিহনে দ্বিতীয় ৰাউণ্ডৰ খেলসমুহ সমাপ্ত হয়। উল্লেখ্য যে আইটা জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখনত ল'ৰা-ছোৱালীৰ 10 বছৰ অনূৰ্ধ শাখাৰ খেল হোৱাৰ লগতে ল'ৰাৰ 12 বছৰ অনূৰ্ধ শাখা আৰু 14 বছৰ অনূৰ্ধ শাখাৰ খেল অনুষ্ঠিত হৈছে। ছয়দিন ধৰি চলিব লগা তথা উত্তৰ-পূব টেনিছ ফাউণ্ডেছনত অনুষ্ঠিত হোৱা 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাত ল'ৰাৰ বয়স শাখা তিনিটা হ'ল 10, 12, 14 আৰু 18 বছৰ অনূৰ্ধ তথা ছোৱালীৰ শাখা দুটা হ'ল 10, 14 আৰু 18 বছৰ অনূৰ্ধ। অহা 19 ডিচেম্বৰলৈ চলিব আইটা জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাখন। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি এই প্ৰতিযোগিতাৰ পাছতে শিৱসাগৰ টেনিছ ক্লাবত 20-24 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব 19 সংখ্যক শিৱসাগৰ অ'পেন জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা। 25-30 ডিচেম্বৰলৈ যোৰহাট টেনিছ ক্লাবত অনুষ্ঠিত হ'ব 30 সংখ্যক যোৰহাট অ'পেন। আনহাতে, নুমলীগড় কল্যানী ক্লাবে অহা বৰ্ষৰ তিনিৰ পৰা ছয় জানুৱাৰীলৈ আয়োজন কৰিব কল্যানী অপেন জুনিয়ৰ টেনিছ প্ৰতিযোগিতা। উল্লেখ্য যে অসম টেনিছ সন্থাই ইতিমধ্যে নতুন ছিজনৰ বিভিন্ন প্ৰতিযোগিতাৰ দিন আৰু স্থান নিশ্চিত কৰি সূচী ঘোষণা কৰিছে। অহা 25 আৰু 26 ডিচেম্বৰত নৰ্থ ইষ্ট টেনিছ ফাউণ্ডেছনৰ ক'ৰ্টতে অনুষ্ঠিত হ'ব প্ৰসন্ন কুমাৰ শৰ্মা সোঁৱৰণি সদৌ অসম প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতা। পুৰুষ আৰু মহিলাৰ উক্ত ৰাজ্যিক প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ বয়স শাখা তিনিটা হ'ল 35, 45 আৰু 55 বছৰ উৰ্ধ্বৰ তথা মহিলাৰ একমাত্ৰ শাখাতো হ'ল 55 বছৰ উৰ্ধ্বৰ।



বিশ্ব বেডমিণ্টনত ভাৰতৰ প্ৰণয়।

## বৰপেটা-ৰঙিয়া জিলাৰ জয়লাভ

**গুৱাহাটী, ১৫ ডিচেম্বৰ ঃ** চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ এলিট গ্ৰুপৰ আজি বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা মেচত বৰপেটা জিলা দলে 56 ৰাণত পৰাস্ত কৰে শিলচৰ জিলা দলক। পোনতে বেটিং কৰি বৰপেটা জিলা দলে 218-7 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, শিলচৰ জিলা দলে 162-10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ইফালে, বৰ্ষাপাৰা ষ্টেডিয়ামতে আজি হোৱা অন্য এখন মেচত ৰঙিয়া জিলা দলে পাঁচ উইকেটত পৰাস্ত কৰে যোৰহাট জিলা দলক। পোনতে বেটিং কৰি যোৰহাট জিলা দলে 113-10 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত ৰঙিয়া জিলাই পাঁচ উইকেট হেৰুৱাই 114 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ সূচী অনুসৰি এলিট আৰু প্লেট দুটা ভাগত 41 টা দলক ভাগ কৰা হৈছিল। প্লেট গ্ৰুপৰ মেচৰ সামৰণিৰ পাছত এতিয়া আৰম্ভ হৈছে এলিট গ্ৰুপৰ মেচ। প্লেট গ্ৰুপৰ পৰা দুটা দল যোগ্যতা অৰ্জন কৰিছে এলিট গ্ৰুপলৈ।

### দ্বিতীয় টি-২০ মেচতো পৰাস্ত ৱেষ্টইণ্ডিজ

## ২-০ ৰ অগ্ৰগতিৰে তিনিখনীয়া শৃংখলা দখল নিশ্চিত পাকিস্তানৰ



**কৰাচি, ১৫ ডিচেম্বৰ ঃ** পাকিস্তানে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ দ্বিতীয়খন মেচতো জয়লাভ কৰি 2-0 ৰ অগ্ৰগতিৰে শৃংখলা জয় নিশ্চিত কৰিছে। যোৱানিশা অনুষ্ঠিত হোৱা মেচত পাকিস্তানে ন ৰাণত পৰাস্ত কৰে কেৰিবিয়ান বাহিনীক। পোনতে বেটিং কৰা পাকিস্তানে 20 অভাৰত আঠ উইকেট হেৰুৱাই সংগ্ৰহ কৰে 172 ৰাণ। দলৰ হৈ অপেনাৰ মহম্মদ ৰিজৱানে 38, হাইদৰ আলীয়ে 31 আৰু ইফটিকাৰে 32 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজ 163 ৰাণত অলআউট হয় আৰু পুনৰ পৰাজয় স্বীকাৰ কৰে। ৱেষ্ট ইণ্ডিজৰ হৈ ব্ৰেণ্ডন কিঙে 67, ৰ'মাৰিঅ'ই 35 আৰু প'ৱানে 26 ৰাণ কৰে। ইয়াৰপূৰ্বে প্ৰথমখন মেচত পাকিস্তানে 63 ৰাণত পৰাস্ত কৰিছিল কেৰিবিয়ান বাহিনীক। পোনতে বেটিং কৰা পাকিস্তানে 20 অভাৰত ছয় উইকেট হেৰুৱাই সংগ্ৰহ কৰে 200 ৰাণ। দলৰ হৈ অপেনাৰ মহম্মদ ৰিজৱানে 78, হাইদৰ আলীয়ে 68 আৰু মহম্মদ নাৱাজে 30 ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজ 19 অভাৰত 137 ৰাণত অলআউট হয় আৰু দলে 63 ৰাণত পৰাজয় স্বীকাৰ কৰে। ৱেষ্ট ইণ্ডিজৰ হৈ ছাই হ'পে 31, পাৰেলে 23 আৰু স্মিথে 24 ৰাণ কৰে। পাকিস্তানৰ হৈ মহম্মদ ৱাছিমে চাৰিটা আৰু ছাদাব খানে তিনিটা উইকেট পায়।

### চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট

## নগাঁও টাউনৰ বিৰুদ্ধে ৰেডিয়েলৰ জয়

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ১৫ ডিচেম্বৰ ঃ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ নগাঁৱত হোৱা খেলসমুহ আজিৰে পৰা নৰুল আমিন ষ্টেডিয়ামত আৰম্ভ হৈছে। আজিৰ প্ৰথম মেচত ৰেডিয়েল ক্লাবে 84 ৰাণত পৰাস্ত কৰে নগাঁও টাউন ক্লাবক। পোনতে বেটিং কৰি ৰেডিয়েল ক্লাবে 246-10 ৰাণ কৰে। প্ৰত্যুত্তৰত, নগাঁও টাউন ক্লাবে 163-10 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত হ'ব। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ ল'ব। 31 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল 41 টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ 41 টা স্থানত অনুষ্ঠিত হ'ব। প্ৰতিটো স্থানতে জিলাৰ পঞ্জিয়ন থকা গড় 10 টা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিব। আনহাতে, এই চাৰিশ ক্লাবৰ হৈ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ খেলিব এ চি এৰ পঞ্জিয়ন থকা প্ৰায় ছয় হেজাৰ ক্ৰিকেটাৰে।





## বিল্যাসনন্দন চ'ৰা



# আজি বিশ্বচুন্দৰী, কাইলৈ বিশ্বগুৰু

**ত্ৰিছ** বছৰ পাছত আমাৰ দেছৰ কোনো চুন্দৰী বিশ্বচুন্দৰী হ'ল। অলিম্পিকৰ মেডেল জিকাৰ দৰে নহ'লেও খবৰটো সৰতে অলপ-অচৰপ হাইলাইট হৈছে। বিছ-ত্ৰিছ বছৰমান আগেয়ে, স্পেচিয়েলী দেছৰ বজাৰখনক বিশ্বৰ বজাৰ কৰি পেলোৱাৰ টাইমত আমাৰ ইয়াৰ যুৱতীগণ হঠাতে চুন্দৰী হ'বলৈ আৰম্ভ কৰিলে। চুন্দৰী মানে এক চে বড়কৰ এক! সেই সময়ত বহুতে ভাবি লৈছিল যে দেছৰ বজাৰখন বিশ্বৰ বজাৰ হৈ যোৱাৰ সুবাদতে এইদৰে এক চে বড়কৰ এক চুন্দৰীৰ উৎপত্তি হ'বলৈ লৈছে। বিশ্বৰ অন্যান্য চুন্দৰীয়ে ঘঁহা ফৰেইন কোম্পানীৰ মাখনবোৰ মুখত ঘঁহিব পাৰিছে, ফৰেইন ব্ৰেণ্ডৰ গাড়ীত ঘূৰি স্কীনৰ কেয়াৰ ল'ব পাৰিছে, ফৰেইন ব্ৰেণ্ডৰ ৰুমালবোৰক কেনেকৈ বস্ত্ৰ কৰি পিন্ধিব লাগে, সেই টেকনিক শিকিব পাৰিছে। তাৰ ফলতেই চুবাই চুবাই অলেখ চুন্দৰী উৎপন্ন হোৱাটো সম্ভৱ হৈছে। কিন্তু লাহে লাহে চুন্দৰীৰ উৎপন্ন বন্ধ হৈ গ'ল। বিশ্বৰ বজাৰখন আমাৰ দেছত ছেটেলড্ হৈ যোৱাৰ পাছত দেছী চুন্দৰীবোৰৰ চৌন্দৰ্যক বাহিৰৰ মান্যতা নিদিয়া হ'ল। কিয়নো মানত্য দিব লাগে? বাহিৰৰ ব্ৰেণ্ডবোৰেতো কোনো প্ৰব্লেম নোহোৱাকৈ ৰাইজৰ বেণ্ড বজাইয়ে আছে! মাল বিক্ৰী হৈয়ে আছে, কাষ্টমাৰৰ লাইন লাগিয়ে আছে, মিছাতে লাইট জ্বলি থকা ছাইনব'ৰ্ড আঁৰিবলৈ কি দৰকাৰনো?

ত্ৰিছ বছৰে দৰকাৰ পৰা নাই, হঠাতেনো বিশ্বচুন্দৰী এজনীক ইমানকৈ কি দৰকাৰ হ'ল? কিয় দৰকাৰ নহ'ব? যি হাৰত আমাৰ দেছত মন্দিৰৰ পাছত মন্দিৰ বনিব ধৰিছে, বিশ্ব বেপাৰীসকলৰ চাগে ভয় হৈ গৈছে দেছখনৰ সব প্ৰজাই সাধু-সন্ন্যাসী হৈ নাযায়তো! সাধু-সন্ন্যাসী হ'লেতো গেৰুৱা পিন্ধিব লাগিব, ফৰেইন ব্ৰেণ্ডৰ কাপোৰ কোনে পিন্ধিব? ফৰেইন জোতাবোৰ কোনে কিনিব, আটায়েতো খৰমেই পিন্ধি ফুৰিব! আটায়েতো মুখত হালধিয়ে ঘঁহিব, ফৰেইন মাখনবোৰ কোনে কিনিব? আটায়েতো তেতিয়া ধ্যান কৰিয়ে বহি থাকিব, গ'লেও পাহাৰ বগাই বগায়ে অহা-যোৱা কৰিব, ভি আই পি সাধুবাবাবোৰেতো মন্ত্ৰ বলেৰে বলীয়ান হৈ উৰি উৰিয়ে ঘূৰি ফুৰিব। তেতিয়া ফৰেইন গাড়ীবোৰ কিনিব কোনে? তেনে কিবা হ'লে দোকানৰ আগত এশখন ছাইনব'ৰ্ড আঁৰিলেও ৰঙা লাইটটো নুমাব পৰা নাযাব। গতিকে তেনে কিবা নহওক, তাৰ বাবে ভেকচিন দিয়াটো থিৰাং কৰা হ'ল, যি ভেকচিনে সাধু-সাধ্বী হোৱাৰ প্ৰৱণতাক প্ৰতিৰোধ কৰিব পাৰে। এই ভেকচিনটোৰ নামেই হ'ল বিশ্বচুন্দৰী।



দিল্লীৰ দৰবাৰীখিনিৰ টেনছন হ'ল— এই বিশ্বচুন্দৰীৰ ক্ৰেডিটটো কেনেকৈ বাদশ্বাহক দিব পৰা যায়। অলিম্পিকলৈ আমাৰ প্লেয়াৰবোৰে বহু কষ্ট কৰি গ'ল, কষ্ট কৰি খেলিলে, কিন্তু ক্ৰেডিটটো পালে বাদশ্বাহে। কিয়নো অলিম্পিকলৈ যোৱাৰ আগেয়ে বাদশ্বাহে খেলুৱৈবোৰক আশীৰ্বাদ দিছিল—'জিকি আহিবা, দেছৰ নাম উজ্জ্বল কৰিবা।' পাছত দৰবাৰীসকলে ক'লে যে যি চাৰি-পাঁচটা মেডেল আহিছে, সেয়া বাদশ্বাহৰ আশীৰ্বাদৰ কাৰণেই আহিছে। তেওঁলোকৰ মতে, বাদশ্বাহৰ আশীৰ্বাদবোৰ আচলতে আশীৰ্বাদ নহয়, বৰ হয়। সেই যে অতীজৰ ভগৱানে দেখা দি ঘোৰ তপস্যা কৰাসকলক বৰদান দিছিল, বাদশ্বাহৰ আশীৰ্বাদবোৰো হেনো সেই লেভেলৰেই। যি কয় সেয়া ফলিয়াই। পিছে কেৰোণটো লগালে বিশ্বচুন্দৰীয়েহে! বাদশ্বাহে একো নকওঁতেই যে বিশ্বচুন্দৰী হৈ আহি গ'ল! তাতে আকৌ চুন্দৰীগৰাকী পাঞ্জাবৰ। পাঞ্জাৱত ভোটো আছে। গতিকে বাদশ্বাহক কেনেবাকৈ ক্ৰেডিটটো দিব পাৰিলে পাঞ্জাৱতো কিবা অলপ লাভ হ'লহেঁতেন। দৰবাৰীসকলে বাদশ্বাহক ক্ৰেডিটটো দিবলৈ বিভিন্ন ধৰণে চিন্তা কৰিলে। এনেকৈও ক'ব পাৰি যে বাদশ্বাহে মিনিটে মিনিটে কাপোৰ সলাই থকাটোৱে ফেশ্বন ৱৰ্ল্ডত ধামাকাৰ সৃষ্টি কৰিছে। তাৰেই বদৌলত্ পোৱা গৈছে এই বিশ্বচুন্দৰী! নাইবা ক'ব পাৰি যে এই বিশ্বচুন্দৰী বাদশ্বাহৰ স্বচ্ছতা আৰু আত্মনিৰ্ভৰ ভাৰতৰ প্ৰডাক্ট। চাফ-চিকুণকৈ থকা কাৰণে আজিৰ দেছী ছোৱালীবোৰক আটায়ে চুন্দৰী বুলি স্বীকৃতি দিবলৈ বাধ্য হৈছে। আকৌ আত্মনিৰ্ভৰ হোৱা কাৰণে আমাৰ ছোৱালীয়ে কাৰো আশীৰ্বাদ বা বৰ নোলোৱাকৈ বিশ্বৰ মজিয়াত খাড়া হ'ব পাৰিছে। এয়া সম্ভৱ হৈছে বাদশ্বাহৰ কাৰণেই! আকৌ এনেকৈও ক'ব পাৰি যে বাদশ্বাহৰ স্বপ্ন সাৰ্থক হ'বলৈ আৰু বেছি পৰ নাই। আজি বিশ্বচুন্দৰী হৈছে, ২০২৪ৰ পাছত বিশ্বগুৰু হ'ব। কেৱল আকৌ এবাৰ জিকাই আনিলে হ'ল।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

কোনো ট্ৰাকৰ পাছফালে থকা গাড়ীয়ে অতিক্ৰম কৰি আগবাঢ়ি যাব বিচাৰিলে হৰ্ণ বজায়। পাছফালে থকা গাড়ীৰ চালকজনক হৰ্ণ বজাবলৈ বাৰ্তা দিয়া তথা তেওঁক সতৰ্ক কৰাৰ বাবেই প্ৰধানকৈ ট্ৰাকৰ পাছফালে এইদৰে লিখা থাকে। অৱশ্যে এই ক্ষেত্ৰত এটা প্ৰশ্ন থাকিয়ে যায়।




# ট্ৰাকৰ পাছফালে কিয় লিখা থাকে 'হৰ্ণ অ'কে প্লিজ'!

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১৫ ডিচেম্বৰ ঃ** ট্ৰাকৰ পাছফালে 'হৰ্ণ অ'কে প্লিজ' বা 'হৰ্ণ প্লিজ' বুলি লিখি থোৱাটো নেদেখা লোক হয়তো নোলাব। কোনো ট্ৰাকৰ পাছফালে থকা গাড়ীয়ে অতিক্ৰম কৰি আগবাঢ়ি যাব বিচাৰিলে হৰ্ণ বজায়। পাছফালে থকা গাড়ীৰ চালকজনক হৰ্ণ বজাবলৈ বাৰ্তা দিয়া তথা তেওঁক সতৰ্ক কৰাৰ বাবেই প্ৰধানকৈ ট্ৰাকৰ পাছফালে এইদৰে লিখা থাকে। অৱশ্যে এই ক্ষেত্ৰত এটা প্ৰশ্ন থাকিয়ে যায়। ট্ৰাকৰ পাছফালে থকা আন গাড়ীচালকক সতৰ্ক কৰাৰ বাবে কেৱল 'হৰ্ণ প্লিজ' বুলি লিখিলেই যথেষ্ট। অথচ এই দুটা শব্দৰ মাজত 'অ'কে' শব্দটো কিয় যুক্ত কৰা হয়? কোনোবাই হয়তো কোনো কাৰণ ৰহিতেই 'অ'কে' শব্দটো লিখা বুলি ভাবিব পাৰে, কিন্তু নহয়। সেয়া ভুল ধাৰণা। এই

## ইয়াৰ অন্তৰালত আছে একাধিক কাৰণ

'অ'কে' শব্দটো মাজত যুক্ত কৰাৰো একাধিক দীৰ্ঘ প্ৰচলিত অৰ্থ আছে। যদিও সেই অৰ্থত আজিকালি এই 'অ'কে' শব্দটো ব্যৱহৃত নহয়।

সম্প্ৰতি বিশ্বজুৰি একাধিক লেনৰ ৰাস্তা দেখা যায়। চাৰি-পাঁচৰ পৰা আৰম্ভ কৰি ছয়লেনযুক্ত এক্সপ্ৰেছ হাইৱে'ও আছে। গতিকে এতিয়াৰ ৰাস্তাসমূহত একাধিক গাড়ীয়ে সমানে আগবাঢ়ি যাব পাৰে। অথচ আগতে একাধিক লেন বিশিষ্ট ৰাস্তা বৰ কমেই আছিল। এটা ৰাস্তাৰেই অহা-যোৱা দুয়োটাই হৈছিল। ফলত কোনো ট্ৰাক বা আন গাড়ীৰ পাছফালে থকা গাড়ীয়ে অতিক্ৰম কৰি আগবাঢ়ি যাব বিচাৰিলে বিপৰীত দিশৰ পৰা অহা গাড়ীৰ স'তে সংঘৰ্ষ হোৱাৰ আশংকা থাকিছিল। যিহেতু ট্ৰাকৰ আকাৰ ডাঙৰ, সেয়ে পাছফালে কোনো সৰু গাড়ী থাকিলে সেই গাড়ীৰ চালকৰ বাবে বিপৰীত দিশৰ পৰা অহা বাহনক দেখাটো সম্ভৱ নহয়। সেয়ে ট্ৰাকৰ পাছফালে লিখা 'অ'কে' শব্দৰ 'অ'টোৰ মাজত এটা বগা লাইট লগোৱা হৈছিল। যদি ট্ৰাকৰ পাছফালে থকা গাড়ীয়ে ট্ৰাকখনক অতিক্ৰম কৰিব বিচাৰে, তেন্তে সন্মুখৰ ৰাস্তা খালী থাকিলে ট্ৰাকচালকে পাছফালৰ বগা লাইটটো জ্বলাই পাছফালৰ গাড়ীখনক অতিক্ৰম কৰিবলৈ সংকেত দিয়ে।

অৱশ্যে 'হৰ্ণ অ'কে প্লিজ' বাক্যৰ স'তে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰো এটা সম্পৰ্ক আছে। কথিত আছে যে সেই সময়ত ডিজেলত কেৰাচিন মিহলোৱা ট্ৰাক চলোৱা হৈছিল। ইন্ধনৰ খৰচ কমোৱাৰ বাবেই এই কাৰ্য কৰা হৈছিল। ডিজেলৰ তুলনাত কেৰাচিন অধিক জ্বলনশীল হোৱাৰ বাবেই 'হৰ্ণ অ'কে প্লিজ' বুলি লিখা হৈছিল।

অৰ্থাৎ এই ক্ষেত্ৰত 'অ'কে' শব্দৰ অৰ্থ বুজোৱা হৈছিল 'অন কেৰ'চিন'। তেতিয়াই বাকী গাড়ীৰ চালকসকলে বুজি গৈছিল যে সেইখন কেৰাচিনচালিত ট্ৰাক। ফলত তেওঁলোক সতৰ্ক হৈ পৰিছিল। অৱশ্যে এই কাৰণসমূহ প্ৰচলিতহে, ইয়াৰ উপযুক্ত প্ৰমাণ এতিয়াও পোৱা নাই।




# ক্ৰমাৎ ডাঙৰ হৈছে ভাৰতৰ ক্ষেপণাস্ত্ৰৰ ভাণ্ডাৰ

ভাৰতৰ স'তে কিছু সময়ৰ পূৰ্বে চীনৰ যুদ্ধ লগাৰ আশংকাৰ সৃষ্টি হৈছিল। তেতিয়াই ভাৰতীয় সেনাৰ তৰফৰ পৰা জনোৱা হৈছিল যে চীনৰ দৰে শক্তিশালী শত্ৰুকো প্ৰতিৰোধ কৰিব পৰা অস্ত্ৰ-শস্ত্ৰ ভাৰতৰ হাতত মজুত আছে। স্বাধীনতাৰ পৰৱৰ্তীকালত ভাৰতে ক্ষেপণাস্ত্ৰৰ ভাণ্ডাৰখন দ্ৰুতগতিৰে ডাঙৰ কৰি আহিছে।

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১৫ ডিচেম্বৰ ঃ** শত্ৰু দেশৰ স'তে যুদ্ধত ব্যৱহাৰ কৰাৰ বাবেই বিভিন্ন দেশে ক্ষেপণাস্ত্ৰৰ ভাণ্ডাৰ মজুত কৰি ৰাখে। ভাৰতৰ স'তে কিছু সময়ৰ পূৰ্বে চীনৰ যুদ্ধ লগাৰ আশংকাৰ সৃষ্টি হৈছিল। তেতিয়াই ভাৰতীয় সেনাৰ তৰফৰ পৰা জনোৱা হৈছিল যে চীনৰ দৰে শক্তিশালী শত্ৰুকো প্ৰতিৰোধ কৰিব পৰা অস্ত্ৰ-শস্ত্ৰ ভাৰতৰ হাতত মজুত আছে। স্বাধীনতাৰ পৰৱৰ্তীকালত ভাৰতে ক্ষেপণাস্ত্ৰৰ ভাণ্ডাৰখন দ্ৰুতগতিৰে ডাঙৰ কৰি আহিছে। কৌশলগত যুদ্ধৰ ক্ষেত্ৰত নানা ধৰণৰ ক্ষেপণাস্ত্ৰই স্বাভাৱিকতে আতংকিত কৰিব পাৰে শত্ৰুপক্ষক। চাৰে পাঁচশ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰাত সক্ষম আন্তঃমহাদেশীয় বেলিষ্টিক ক্ষেপণাস্ত্ৰ থকা দেশৰূপে ভাৰত বিশ্বৰ সাতখন দেশৰ ভিতৰত আছে। এই ক্ষেপণাস্ত্ৰ ভাণ্ডাৰৰ কথা জানিলে যিকোনো ভাৰতীয় নাগৰিকৰ বুকু গৰ্বত ফুলি উঠিব।

শত্ৰুপক্ষৰ বিমান ধ্বংস কৰাৰ বাবে যিবোৰ ক্ষেপণাস্ত্ৰ ব্যৱহাৰ কৰা হয় সেই তালিকাত আছে আকাশ, ত্ৰিশূল আৰু বাৰাক-৮। ইয়াৰ ভিতৰত ত্ৰিশূলে পাঁচ কিলোমিটাৰ, আকাশে ন কিলোমিটাৰ আৰু বাৰাক-৮ ক্ষেপণাস্ত্ৰই ৩৫ৰ পৰা ৫০ কিলোমিটাৰ পৰ্যন্ত উচ্চতাত থকা বিমান ধ্বংস কৰিব পাৰে।

শত্ৰুপক্ষৰ যুদ্ধজাহাজ আৰু টেংক ধ্বংস কৰাৰ বাবে ভাৰতৰ হাতত আছে অগ্নি-১ৰ পৰা অগ্নি-৫ পৰ্যন্ত ক্ষেপণাস্ত্ৰ। এইবোৰ প্ৰত্যেকেই একোটা নিৰ্দিষ্ট দূৰত্ব আৰু গতিৰে গৈ লক্ষ্যত আঘাত কৰি ধ্বংস কৰিব পাৰে। কাৰ্গিল যুদ্ধৰ পৰৱৰ্তী সময়ত ডিআৰডিঅ'ৱে অগ্নি-১ নিৰ্মাণ কৰে। ৭.৬ কিলোমিটাৰ প্ৰতি ছেকেণ্ড গতিবেগত সাতশৰ পৰা ১২শ কিলোমিটাৰ পৰ্যন্ত দূৰত্বলৈ গৈ আঘাত হানিব পাৰে এই ক্ষেপণাস্ত্ৰই। অগ্নি-৩ ক্ষেপণাস্ত্ৰই পাঁচৰ পৰা ছয় কিলোমিটাৰ প্ৰতি ছেকেণ্ড গতিবেগত তিনি হেজাৰ কিলোমিটাৰ দূৰত্বলৈ যাব পাৰে। ২০১১ত এই ক্ষেপণাস্ত্ৰক সেনাবাহিনীৰ অস্ত্ৰ ভাণ্ডাৰৰ তালিকাভুক্ত কৰা হয়। চীনসহ প্ৰতিবেশী দেশসমূহৰ অভ্যন্তৰত গৈ আঘাত হানিব পাৰে অগ্নি-৩য়ে। পৃথ্বি-২ ক্ষেপণাস্ত্ৰ হৈছে স্বল্প দূৰত্বৰ বেলিষ্টিক ক্ষেপণাস্ত্ৰ। ডিআৰডিঅ'ৰ দ্বাৰা তৈয়াৰী এই ক্ষেপণাস্ত্ৰই ৩৫ কিলোমিটাৰ পৰ্যন্ত দূৰত্বলৈ গৈ শত্ৰু শিবিৰ ধ্বংস কৰি পাৰে। ডিআৰডিঅ'ৱে আন এবিধ বেলিষ্টিক ক্ষেপণাস্ত্ৰ শৌৰ্যও নিৰ্মাণ কৰিছে। এই ক্ষেপণাস্ত্ৰই ৭৫০ৰ পৰা ১৯শ কিলোমিটাৰ পৰ্যন্ত দূৰত্ব অতিক্ৰম কৰি শত্ৰুপক্ষক আঘাত কৰিব পাৰে। আকাশত যুদ্ধ কৰাৰ উপযোগী ক্ষেপণাস্ত্ৰও ভাৰতৰ হাতত যথেষ্ট পৰিমাণে মজুত আছে। এই তালিকাত আছে অস্ত্ৰ, মিকা, ন'ভাটৰ কে-১০০। ইয়াৰ ভিতৰত অস্ত্ৰ ক্ষেপণাস্ত্ৰ ডিআৰডিঅ'ৰ দ্বাৰা নিৰ্মিত। অস্ত্ৰ ক্ষেপণাস্ত্ৰই যিকোনো ধৰণৰ বতৰতে ৰেডাৰৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ ৮০ৰ পৰা ১১০ কিলোমিটাৰ পৰ্যন্ত দূৰত্বলৈ ৪.৫ কিলোমিটাৰ প্ৰতি ছেকেণ্ড গতিবেগত আঘাত কৰিব পাৰে। ক্ৰুজ ক্ষেপণাস্ত্ৰৰ তালিকাত আছে ব্ৰহ্মছ। ভাৰত আৰু ৰাছিয়াৰ যৌথ উদ্যোগত নিৰ্মিত এই ক্ৰুজ ক্ষেপণাস্ত্ৰক বিশ্বৰ সকলো দেশেই সমীহ কৰে। ভাৰতৰ হাতত তিনি প্ৰকাৰৰ ক্ৰুজ ক্ষেপণাস্ত্ৰ আছে। সেয়া হৈছে ব্ৰহ্মছ ছুপাৰছনিক, ব্ৰহ্মছ-২ আৰু নিৰ্ভয়। নিৰ্ভয় ক্ৰুজ ক্ষেপণাস্ত্ৰই এহেজাৰৰ পৰা ডেৰ হেজাৰ কিলোমিটাৰ দূৰত্বৰ লক্ষ্যবস্তুতো আঘাত কৰিব পাৰে। এই ক্ষেপণাস্ত্ৰ পাৰমাণৱিক ৱাৰহেড বহনতো সক্ষম।

ভাৰতৰ হাতত ছাবমেৰিনৰ পৰা শত্ৰুপক্ষক আঘাত কৰাৰ বাবেও তিনি প্ৰকাৰৰ ক্ষেপণাস্ত্ৰ আছে। এই তালিকাত আছে সাগৰিকা (কে-১৫), কে-৪ আৰু কে-৫। ইয়াৰ ভিতৰত কে-৫ ক্ষেপণাস্ত্ৰই পাঁচ হেজাৰ কিলোমিটাৰ দূৰত্ব পৰ্যন্ত আঘাত কৰিব পাৰে। শত্ৰুপক্ষৰ টেংকত আঘাত কৰাৰ বাবে ভাৰতৰ আছে দুই প্ৰকাৰৰ ক্ষেপণাস্ত্ৰ। সেয়া হৈছে অমোঘ-১ আৰু নাগ। অমোঘ-১ হায়দৰাবাদৰ ভাৰত ডায়নেমিক্সৰ দ্বাৰা তৈয়াৰী এবিধ এণ্টি-বেলিষ্টিক ক্ষেপণাস্ত্ৰ। ইয়াৰ প্ৰথম আৰু দ্বিতীয় সংস্কৰণ ইতিমধ্যে পৰীক্ষামূলকভাৱে ভাৰতৰ মাটিত উৎক্ষেপণ কৰা হৈছে।

মাটিৰ পৰা আকাশত শত্ৰুপক্ষৰ বিমানত আঘাত হনাৰ বাবে এণ্টি-বেলিষ্টিক ক্ষেপণাস্ত্ৰ ব্যৱহাৰ কৰা হয়। এই ধৰণৰ ক্ষেপণাস্ত্ৰত পৰমাণু, ৰাসায়নিক আৰু জৈৱিক ৱাৰহেড ব্যৱহাৰ কৰা হয়। পৃথ্বি এয়াৰ ডিফেন্স (পেড) আৰু পৃথ্বি ডিফেন্স ভেহিকল (পিডিভি) এই দুই ধৰণৰ ক্ষেপণাস্ত্ৰও ভাৰতৰ হাতত আছে। পৃথ্বি এয়াৰ ডিফেন্স (পেড) দুই ধৰণৰ ইন্ধনযুক্ত বেলিষ্টিক ক্ষেপণাস্ত্ৰ। ৮০ কিলোমিটাৰ পৰ্যন্ত ওপৰলৈ গৈ এই ক্ষেপণাস্ত্ৰই শত্ৰুৰ বেলিষ্টিক ক্ষেপণাস্ত্ৰত আঘাত কৰিব পাৰে। পৃথ্বি ডিফেন্স ভেহিকল (পিডিভি) মধ্যম দূৰত্বৰ ক্ষেপণাস্ত্ৰ ধ্বংসৰ বাবে নিৰ্মাণ কৰা হৈছে। উল্লেখ্য যে শত্ৰুপক্ষৰ ছেটেলাইটক আঘাত হানিবলৈ সক্ষম দেশসমূহৰ 'এক্সক্লুছিভ ক্লাব'ত নাম আছে ভাৰতৰ। 'মিছন শক্তি' নামৰ এক পৰীক্ষাৰ মাধ্যমেৰে ভাৰতৰ এই সাফল্য আহে।

## তালিকাখন দেখিলে শক্তিশালী শত্ৰু দেশৰো বুকু কঁপিব পাৰে

# ৬০ৰ দশকতে আৰম্ভ কৰিছিল ক্ষুদ্ৰ ব্যৱসায়



■ **হৰেন ভূমিজ**

ঠেলামৰা, 15 ডিচেম্বৰ ঃ শীতৰ বতৰত অলপ জলকীয়া দিয়া গৰম গৰম ঘুগ্‌নি, চাটনিসহ বেচনৰ পকৰি আৰু আলুৰ চপৰ খোৱাৰ এক সুকীয়া মাদকতা আছে। সন্ধিয়াৰ সময়ত প্ৰতিখন চহৰতে একাংশ লোকে ঘুগ্‌নি, পকৰি, চপ, সিজোৱা কণী আদিৰ দোকানসমূহত থিয় হৈ গৰম গৰম ঘুগ্‌নি আৰু পকৰি খোৱাৰ আমেজ প্ৰতিজনে লৈছে। অৱশ্যে শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ ৰাম বাবুৰ এবাটি ঘুগ্‌নিৰ সোৱাদ একেবাৰে সুকীয়া। ৰামু বাবুৰ ঘুগ্‌নি এবাৰ খালে কোনেও সহজে পাহৰিব নোৱাৰে। ঢেকিয়াজুলিত ৰাম বাবুৰ ঘুগ্‌নিৰ অধিক জনপ্ৰিয়তা আছে আৰু এই ঘুগ্‌নিৰ সোৱাদ সকলোৱে এবাৰ হ'লেও লৈছে। 1962ৰ পৰাই ঢেকিয়াজুলি চহৰৰ মাজমজিয়াত ৰাম বাবুৰ ঘুগ্‌নি, পকৰি, চপ আদিৰ দোকানখন চলি আহিছে। ১০ টকীয়া ঘুগ্‌নিৰ প্লেট, পোন্ধৰ টকীয়া ঘুগ্‌নি-চপে বাটৰুৱাক বাৰুকৈয়ে আকৰ্ষিত কৰে। প্ৰায় ৬০ৰ দশকত ৰামৰ পিতৃয়ে বিহাৰৰ পৰা আহি ঢেকিয়াজুলিত ঘুগ্‌নি দোকানৰে ব্যৱসায় আৰম্ভ কৰি জীৱন নিৰ্বাহ কৰিছিল। পিতৃৰ পৰা ৰাম বাবুৱে ঘুগ্‌নি বনোৱাৰ কৌশল আয়ত্ত কৰিছিল আৰু আজি পৰ্যন্ত নিজ হাতেৰে বিক্ৰী কৰি আহিছে। বৰ্তমান এই ক্ষুদ্ৰ ব্যৱসায়ত তেওঁৰ পুত্ৰ ৰাজ কিশোৰ শ্বাহায়ে সহযোগ কৰে। পিতৃ কষ্টলৈ লক্ষ্য ৰাখি পুত্ৰই পিতৃক সহায় কৰে। কৰ'নাৰ ফলত তলাবন্ধৰ পৰিয়ালটি চলাত অসুবিধা হৈছিল। ৰাম বাবুৱে ঘুগ্‌নি, কণী, পকৰি, চপ আদি বিক্ৰীৰ ব্যৱসায়ৰ জৰিয়তে অতি সুন্দৰভাৱে পৰিয়ালটিক পোহপাল দিছে। ৰামে কয় যে ঘুগ্‌নি খাই লোকসকলে তৃপ্তি পোৱাৰ বাবে ৬০ৰ দশকৰ পৰা একে ঠাইতে দোকানখন চলি আছে। 'দূৰ-দূৰণিৰ পৰা ব্যক্তিসকলে মোৰ দোকানত বনোৱা ঘুগ্‌নি, পকৰি আদিৰ সোৱাদ লয়। গ্ৰাহক হ'ল মোৰ ভগৱান। গ্ৰাহক ৰাইজে ঘুগ্‌নি খাই তৃপ্তি পালে মোৰ আনন্দ লাগে।' ধৈৰ্য, একাগ্ৰতা আৰু ভদ্ৰ ব্যৱহাৰ কৰি যিকোনো ক্ষুদ্ৰ ব্যৱসায় কৰিলে স্বাৱলম্বী হ'ব পাৰি তাৰে এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে ঢেকিয়াজুলিৰ ৰাম বাবুৰ ঘুগ্‌নি দোকানখনে।

## ঢেকিয়াজুলিৰ ৰাম বাবুৰ এবাটি ঘুগ্‌নিৰ কথাৰে...

# নগাঁৱত ভ্ৰাতৃ-ভগ্নীসহ তিনি ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৫ ডিচেম্বৰ ঃ** নগাঁও আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। নগাঁও জিলাক ড্ৰাগছ মুক্ত জিলাৰূপে গঢ়ি তোলাৰ সংকল্প লৈ নগাঁও আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে নিৰন্তৰ অভিযান চলাই আছে। এই অভিযানৰ অংশৰূপে এক বিশেষ সূত্ৰৰ পম খেদি নগাঁও আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক ত্ৰিদিব কুমবাঙৰ নেতৃত্বত আৰু হয়বৰগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটোৱাৰীৰ সহযোগত যোৱা নিশা অভিযান চলাই নাৰমাৰীৰ জাকিৰ হুছেইনৰ ঘৰত বুজন পৰিমাণৰ ড্ৰাগছ জব্দ কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে জাকিৰ হুছেইন (৫৫) আৰু ৰহাৰ দীঘলীআটিৰ আছমিনা খাতুনক (৪০) গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

উল্লেখ যে আছমিনা জাকিৰ হুছেইনৰ ভগ্নী। দুই ভ্ৰাতৃ-ভগ্নীয়ে মিলি দীৰ্ঘদিনৰ পৰা ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল। তদুপৰি আৰক্ষীয়ে আজি বিয়লি হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটোৱাৰীৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে নগাঁও চহৰৰ ইছলামপট্টিৰ পৰা এগৰাকী ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে তিনিজন ড্ৰাগছ আসক্ত যুৱকক আটক কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰীকেইজন ক্ৰমে হাফিজুল শ্বেখ (২৬)। আৰক্ষীয়ে শ্বেখৰ পৰা হেৰ'ইন ভৰ্তি ২০টা কণ্টেইনাৰ জব্দ কৰে। আটক কৰা ড্ৰাগছ আসক্ত যুৱককেইজন ক্ৰমে মোজাহিদুল ইছলাম (১৯), ছহিদুল ইছলাম (২৭) আৰু ইব্ৰাহিম শ্বেখ (২৬)। ইয়াৰে মোজাহিদুলৰ ঘৰ ৰূপহীৰ তাৰাবাৰীত। ড্ৰাগছ আসক্ত যুৱক তিনিজনক ড্ৰাগছ আসক্ত মুক্তি সেৱা কেন্দ্ৰলৈ পঠোৱা হ'ব বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

# ডেৰ বিঘা মাটিত প্ৰতি বছৰে সাত লক্ষাধিক টকা উপাৰ্জন কৰিব পাৰি

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৫ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ ৰৌতা সমষ্টিৰ গেৰুৱা অঞ্চলত ড্ৰেগন ফলৰ খেতিয়ে কৃষকৰ মাজলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। তুলনামূলকভাৱে অন্যান্য খেতিতকৈ ড্ৰেগন ফলৰ খেতিত পৰ্যাপ্ত লাভ হোৱাত ই এক লাভজনক খেতি ৰূপে কৃষক সমাজত সমাদৰ লাভ কৰিছে। ৰাজ্যত নিবনুৱা সমস্যাৰ মাজতে চৰকাৰী চাকৰিৰ সমান্তৰালভাৱে আত্মনিৰ্ভৰশীল মনোভাৱেৰে কৃষি কৰ্মক লক্ষ্য হিচাপে লৈ ড্ৰেগন খেতিৰে লাখ লাখ উপাৰ্জন কৰি এক লাভজনক ব্যৱসায় ৰূপ দিছে শিক্ষক চন্দন দৈমাৰীয়ে। তেওঁৰ কৃষি ব্যৱসায় সূত্ৰে কিছুবছৰ পূৰ্বে পশ্চিমবংগৰ এজন লোকৰ স'তে পৰিচয় হৈছিল। ড্ৰেগন খেতিৰ বাবে দিহা পৰামৰ্শ দিয়াৰ লগতে যাৱতীয় কৃষি পদ্ধতিৰ পৰামৰ্শ আগবঢ়ায় শিক্ষক দৈমাৰীক। লোকজনৰ পৰামৰ্শ মতেই তেওঁ ২০১৮ৰ পৰা পৰীক্ষামূলকভাৱে এবিঘা মাটিত ড্ৰেগন ফলৰ খেতি আৰম্ভ কৰে। সম্প্ৰতি দৈমাৰীয়ে চাৰি বিঘা মাটিত ড্ৰেগন ফলৰ খেতি কৰাৰ পাছত বৰ্তমান প্ৰায় সাত বিঘা মাটিত এই ড্ৰেগন ফলৰ খেতি কৰিছে। উল্লেখ্য যে ৮X১০ বৰ্গ ফুট জোখত এই ফলৰ লতা লগাব পাৰি। প্ৰতিজোপা গছত ৪০-৫০ টা পৰ্যন্ত ফল ধৰে। এজোপা গছে প্ৰায় গঢ়ে ১০-১২ কিলোগ্ৰামকৈ ফল দিয়ে। ধাৰাবাহিকভাৱে এই ফল লাগি থাকে যদিও এপ্ৰিল-মে'ত ইয়াৰ উৎপাদন সৰহভাৱে হোৱা দেখা যায়। ক্ৰমাৎ নতুনকৈ বজাৰ দখল কৰি গ্ৰাহকৰ সমাদৰ লাভ কৰা এই ফলৰ বজাৰ মূল্য প্ৰতি কেজিত ৩৫০-৪০০ টকা পৰ্যন্ত হয়। বিভিন্নজন ব্যৱসায়ীয়ে তেওঁৰ ফাৰ্মৰ পৰাই পাইকাৰী দৰত প্ৰতি কেজিত ২৫০ টকা দৰত ক্ৰয় কৰে। পূৰ্বে এই মূল্য অধিক আছিল যদিও এইবেলি ফলবিধৰ দাম কিছু হ্ৰাস পোৱা বুলি দৈমাৰীয়ে কয়। অতি উৎকৃষ্টমানৰ এই ফলবিধত আইৰণ, চি ভিটামিন, প্ৰ'টিনৰ পৰা আৰম্ভ কৰি শৰীৰৰ বাবে প্ৰয়োজনীয় প্ৰায়বোৰ উপাদান থাকে। সেইবাবে বজাৰত এই ফলবিধৰ চাহিদাও ক্ৰমাৎ বৃদ্ধি হৈছে। এই ফলৰ খেতিৰে ডেৰ বিঘা মাটিত প্ৰতি বছৰে সাত লক্ষাধিক টকা উপাৰ্জন কৰিব পাৰি। অন্য খেতি কৰি এনে উপাৰ্জন কৰাটো যথেষ্ট কঠিন। সেইবাবে এতিয়া ওদালগুৰি জিলাৰ ৰৌতাকে ধৰি বিভিন্ন অঞ্চলত কৃষকে এই ড্ৰেগন ফলৰ খেতি কৰিবলৈ লৈছে। উল্লেখ্য যে দৈমাৰীৰ ভ্ৰাতৃ ৰঞ্জন ব্ৰহ্মাইও বৰ্তমান এই ড্ৰেগন ফলৰ খেতিৰ স'তে জড়িত হৈছে। ইতিমধ্যে ব্ৰহ্মাই কে'বা বিঘা মাটিত এই ফলৰ খেতি কৰি উপকৃত হোৱাৰ লগতে খেতিবিধৰ বিষয়ে গাঁৱৰ আন কৃষককো উৎসাহিত কৰিছে। শিক্ষক দৈমাৰীয়ে কয়, 'এতিয়া সকলো লোকৰে এনে খেতি আছে। এতিয়া আমাৰ গাঁৱৰ প্ৰায় ভাগ মানুহে এনে ফলৰ খেতি আৰম্ভ কৰিছে। মোৰ এই ফাৰ্মৰ যোগেদি কৃষকসকলৰ পৰিয়াল সুন্দৰভাৱে চলি গৈ আছে। অসমৰ নিবনুৱা যুৱক-যুৱতীসকলে চাকৰিৰ বাবে হাবাথুৰি খাই থকাৰ কোনো দৰকাৰ নাই। এনে খেতিৰে বছৰেকত লাখ লাখ টকাৰ উপাৰ্জন কৰাৰ উপৰি স্বনিৰ্ভৰশীলতাৰে এক সুন্দৰ জীৱন অতিবাহিত কৰাৰ পূৰ্ণ সম্ভাৱনাৰ আশা দেখা গৈছে। শিক্ষক হৈও শিক্ষকতাৰ দায়িত্ব পালন কৰাৰ লগতে আজৰি সময়ত এই খেতিত মনোনিৱেশ কৰে। এনে ধৰণৰ খেতিত জড়িত হৈ থাকিলে মন ভালে থকাৰ লগতে এক অন্যতম উপাৰ্জনৰ পথো দেখিব পাৰি।



## কৃষি বিপ্লৱৰ সূচনা কৰিছে শিক্ষক দৈমাৰীয়ে

প্ৰকাশ পালে প্ৰকাশ পালে

কবি প্ৰদীপ কুমাৰ বৰ্মনৰ

ষষ্ঠ কাব্যগ্ৰন্থ

মৰমে মৰম বিচাৰে



প্ৰকাশক

ইউনিয়ন বুক পাব্লিকেছন

পাণবজাৰ, গুৱাহাটী-১

মূল্য ঃ ১৩০ টকা

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com